www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আইনে মহিলাক যিমানখিনি ক্ষমতা দিছে তাতকৈ বেছি দিছে প্ৰকৃতিয়ে। — ছেমুৱেল জনছন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▢ সংখ্যা- ১৯৭ ▢ বৃহস্পতিবাৰ ▢ ২১ মে', ২০২৬ চন ▢ Volume/Year- I ▢ Issue- 197 ▢ Thursday ▢ 21st May, 2026 ▢ Asom Barta, Majuli ▢ PRGI Reg. No.- ASASS/25/A2361 ▢ Price- Rs. 10 ▢ Total Page- 8

■ '২৬ মে'ত সদনত উত্থাপন হ'ব ইউচিচি বিল; ২২ মে'ত ৰাজ্যপালৰ ভাষণ ■

# আজিৰে পৰা অসম বিধানসভা অধিৱেশন



**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ প্ৰথম বিধানসভা অধিৱেশন বৃহস্পতিবাৰৰ পৰা আৰম্ভ হ'ব। অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে বুধবাৰে দিছপুৰৰ লোকসেৱা ভৱনত কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে সদৰি কৰে মন্ত্ৰী অতুল বৰাই। মন্ত্ৰী বৰাই জানিবলৈ দিয়া মতে, বিধানসভা অধিৱেশনৰ প্ৰথম দিনটোতে বিধায়কসকলৰ শপতগ্ৰহণ অনুষ্ঠান আৰু অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। শুকুৰবাৰে অৰ্থাৎ ২২ মে'ত ৰাজ্যপালে বিধানসভাত ভাষণ প্ৰদান কৰিব। ৰাজ্যপালৰ ভাষণৰ খচৰা আজিৰ ❑ ৬ পৃষ্ঠাত

'দলৰ পঞ্জীয়ন বাতিল অতি স্পৰ্শকাতৰ বিষয়'

## আপৰ পঞ্জীয়ন বাতিলৰ দাবী সম্পূৰ্ণৰূপে খাৰিজ দিল্লী উচ্চ ন্যায়ালয়ৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** দিল্লী উচ্চ ন্যায়ালয়ে আম আদমি পাৰ্টিৰ (আপ) ৰাজনৈতিক পঞ্জীয়ন বাতিল কৰা আৰু অৰবিন্দ কেজৰিৱাল, মনীষ চিচ'দিয়া আৰু দুৰ্গেশ পাঠকক নিৰ্বাচন প্ৰতিদ্বন্দ্বিতাৰ পৰা অযোগ্য ঘোষণা কৰাৰ দাবী উত্থাপন কৰা এখন জনস্বাৰ্থৰ আবেদন সম্পূৰ্ণৰূপে খাৰিজ কৰি দিছে। মুখ্য ন্যায়াধীশ দেৱেন্দ্ৰ কুমাৰ উপাধ্যায় ❑ ৬ পৃষ্ঠাত

মুখ্য ন্যায়াধীশ সূৰ্যকান্তৰ বিতৰ্কিত মন্তব্যৰ প্ৰতিবাদ

## নতুন ৰাজনৈতিক দল 'ককৰোচ জনতা পাৰ্টি'য়ে কপাইছে দেশৰ সামাজিক মাধ্যম

▢ নিবনুৱা যুৱকৰ ব্যংগাত্মক দলত তৃণমূলৰ দুই সাংসদ ▢

**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** দেশৰ ৰাজনীতিত এক অদ্ভুত পৰিঘটনা ঘটিছে। জন্ম হৈছে এখন নতুন দল 'ককৰোচ জনতা পাৰ্টি' (চমুকৈ চি জে পি)। আপাত দৃষ্টিত ই এক ব্যংগাত্মক ৰাজনৈতিক গোট। তথাপি ইতিমধ্যে তৃণমূল কংগ্ৰেছৰ দুগৰাকী উচ্চপৰিচয়ৰ সাংসদে এই দলত যোগদান কৰিছে। প্ৰকৃততে সুপ্ৰিম ক'ৰ্টৰ প্ৰধান ন্যায়াধীশ সূৰ্যকান্তৰ এটা বিতৰ্কিত মন্তব্যৰ প্ৰতি প্ৰতিবাদ জনাবলৈ এই গোটটোৰ সৃষ্টি ❑ ৬ পৃষ্ঠাত




## সীমান্তত বেৰ নিৰ্মাণৰ বাবে বিএছএফক ২৭ কিলোমিটাৰ ভূমি হস্তান্তৰ কৰিব বংগৰ চৰকাৰে

নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ পথত শুভেন্দু অধিকাৰী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** ভাৰত-বাংলাদেশ সীমান্তত বেৰ নিৰ্মাণৰ বাবে পশ্চিমবংগ চৰকাৰে সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ)ক ২৭ কিলোমিটাৰ ভূমি হস্তান্তৰ কৰিবলৈ সাজু হৈছে। এই ঘোষণা কৰিছে বংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে। হাওৰাত অনুষ্ঠিত এখন ❑ ৬ পৃষ্ঠাত

জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীৰ মন্তব্য

## "শিল্পীসকল অৰাজনৈতিক হ'লেহে মানুহে ভাল পায়"

'জুবিনক লৈ ৰাজনীতি নকৰিব, ৩ কোটি টকাত চৌহদৰ দেৱাল নিৰ্মাণৰ কাম চলি আছে'



**ষ্টাফ ৰিপ'ৰ্টাৰ, সোণাপুৰ, ২০ মে' ঃ** নতুন কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰথমবাৰৰ বাবে সোণাপুৰস্থিত 'জুবিন ক্ষেত্ৰ' পৰিদৰ্শন কৰিলে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য সম্পন্ন হোৱাৰ পিছত ❑ ৬ পৃষ্ঠাত

■ ধৰ্মনিৰপেক্ষ স্থিতিৰ ওপৰত গুৰুত্ব ■

## কেৰালাৰ নতুন মন্ত্ৰীসভা গঠন, মুখ্যমন্ত্ৰীৰ হাতত ৩৫টা বিভাগ

গৃহ বিভাগ ৰমেশ চেন্নিথালালৈ, উদ্যোগ কুন্হালিকুট্টীৰ হাতত, ছানী যোছেফক বিদ্যুৎ আৰু পৰিৱেশ বিভাগৰ দায়িত্ব

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** কেৰালাৰ নৱগঠিত মন্ত্ৰীসভাত বিভাগসমূহৰ দায়িত্ব বণ্টন কৰি ঘোষণা কৰিছে ৰাজ্য চৰকাৰে। কেৰালা লোকভৱনে জাৰি কৰা অধিসূচনা ❑ ৬ পৃষ্ঠাত



▢ সিদ্ধাৰ্থৰ সহযোগী চেতন ধীৰাচাৰীৰ আবেদন দাখিল ▢

## মহাবীৰ একুৱা বাজেয়াপ্তৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই আদালতত আবেদন

**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** প্ৰখ্যাত অভিনেতা সিদ্ধাৰ্থৰ পানী কোম্পানী মহাবীৰ একুৱা বাজেয়াপ্ত কৰাৰ ফাষ্টট্ৰেক আদালতৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত পুনৰ আবেদন দাখিল কৰা হৈছে। এই আবেদন দাখিল কৰিছে সিদ্ধাৰ্থৰ ব্যৱসায়িক সহযোগী চেতন ধীৰাচাৰীয়ে। উল্লেখযোগ্য যে ২৯ এপ্ৰিলত ফাষ্টট্ৰেক আদালতে মহাবীৰ ❑ ৬ পৃষ্ঠাত



এআই, মহাকাশ আৰু পাৰমাণৱিক শক্তিৰ দৰে ক্ষেত্ৰত সহযোগিতাৰ ওপৰত আলোচনা

## ইটালীৰ ৰাষ্ট্ৰপতি মাটাৰেলাৰ সৈতে সাক্ষাৎ প্ৰধানমন্ত্ৰী মোদীৰ



**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** ১৫ মে'ৰ পৰা বিদেশ ভ্ৰমণত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বুধবাৰে ইটালীৰ ৰাষ্ট্ৰপতি চাৰ্জিঅ' মাটাৰেলাৰ সৈতে সাক্ষাৎ কৰে। ৰোমত অনুষ্ঠিত এই বৈঠকত দুয়োগৰাকী নেতাই বাণিজ্য, বিনিয়োগ আৰু সাংস্কৃতিক সম্পৰ্কক ধৰি দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশৰ ওপৰত গভীৰভাৱে আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যম এ'ত এটা পোষ্ট শ্বেয়াৰ কৰি কয়, "ৰোমত ❑ ৬ পৃষ্ঠাত

▢ দেশ-বিদেশৰ লাখ লাখ ভক্তৰ আগমনৰ সম্ভাৱনা, কঠোৰ নিৰাপত্তা ব্যৱস্থা ▢

## ২২ জুনৰ পৰা অম্বুবাচী মেলা আৰম্ভ; তিনিদিন বন্ধ থাকিব কামাখ্যাৰ দুৱাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** নীলাচল পৰ্বতৰ বুকুত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অহা ২২ জুনৰ পৰা মহা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। এই মেলা ২৬ জুনলৈকে চলিব। মেলা উপলক্ষে মন্দিৰ কৰ্তৃপক্ষই প্ৰস্তুতি ত্বৰান্বিত কৰিছে, লগতে জিলা প্ৰশাসনৰ সৈতে নিৰাপত্তা আৰু ভিৰ ব্যৱস্থাপনাৰ লৈ আলোচনা কৰি ❑ ৬ পৃষ্ঠাত

▢ দ্বিতীয় কাৰ্যকালৰ প্ৰথম মৰিগাঁও ভ্ৰমণ ▢

## দেওশাল শিৱ মন্দিৰ আধ্যাত্মিক পৰ্যটনৰ কেন্দ্ৰবিন্দু হ'ব ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২০ মে' ঃ** দ্বিতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পিছত প্ৰথমবাৰৰ বাবে ❑ ৬ পৃষ্ঠাত

## ২৩ মে'ত আমেৰিকা বৈদেশিক সচিব মাৰ্কো ৰুবিঅ'ৰ প্ৰথম ভাৰত ভ্ৰমণ

বাণিজ্য, প্ৰতিৰক্ষা আৰু শক্তি ক্ষেত্ৰত সহযোগিতা আলোচনাৰ লক্ষ্য, কোৱাড বৈঠকতো অংশগ্ৰহণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** ভাৰত আৰু আমেৰিকাৰ মাজত ঐতিহাসিক বাণিজ্য চুক্তি এখন চূড়ান্ত কৰাৰ আলোচনা চলি থকাৰ মাজতে আমেৰিকাৰ বৈদেশিক সচিব মাৰ্কো ৰুবিঅ' ২৩ মে'ত ভাৰত ভ্ৰমণ কৰিব। চাৰি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই ভ্ৰমণ ৰুবিঅ'ৰ ভাৰতলৈ প্ৰথম ভ্ৰমণ হ'ব। বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ টমী পিগটে জানিবলৈ দিয়া মতে, সচিব ৰুবিঅ'ই ২৩ মে'ৰ ❑ ৬ পৃষ্ঠাত

ব্যৱসায়ীৰ আত্মহত্যা প্ৰসংগত নাম সাঙোৰ

## শিৱসাগৰৰ কংগ্ৰেছ নেতা অজয় গগৈক আটক

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২০ মে' ঃ** ডিমৌ সমষ্টিৰ প্ৰাক্তন কংগ্ৰেছ প্ৰাৰ্থী আৰু শিৱসাগৰ জিলাৰ কংগ্ৰেছ নেতা অজয় গগৈক চৰাইদেৱ জিলাৰ কাকতিবাৰী আৰক্ষীয়ে আটক কৰে। বিশ্ৰামপুৰৰ এগৰাকী ব্যৱসায়ীৰ আত্মহত্যাৰ ঘটনাত নাম জড়িত হৈ থকা বাবে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। উল্লেখ্য যে, কিছুদিন পূৰ্বে চৰাইদেৱ জিলাৰ বিশ্ৰামপুৰ ❑ ৬ পৃষ্ঠাত



'প্ৰধানমন্ত্ৰীয়ে দেশৰ অৰ্থনীতি পুঁজিপতিৰ হাতত বিক্ৰী কৰিছে'

## ৰাহুল গান্ধীৰ ভৱিষ্যদ্বাণী ঃ আগন্তুক ৩-৪ মাহত ভয়ংকৰ মূল্যবৃদ্ধি, মোদী-শ্বাহ 'গাড্ডাৰ'



মূল্যবৃদ্ধিৰ আটাইতকৈ বেছি ভুক্তভোগী হ'ব আমাৰ কৃষক, যুৱক আৰু মহিলাসকল

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২০ মে' ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে পুনৰ বিতৰ্কিত মন্তব্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক 'গাড্ডাৰ' (দেশদ্ৰোহী) আখ্যা দিছে। বুধবাৰে উত্তৰ প্ৰদেশৰ ৰায়বেৰেলীত এখন জনসভাত ভাষণ দি তেওঁ আগন্তুক দিনত দেশত ভয়ংকৰ মূল্যবৃদ্ধি হোৱাৰ ভৱিষ্যদ্বাণী কৰে। ৰাহুল গান্ধীয়ে কয়, ❑ ৬ পৃষ্ঠাত



# অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাঁও শাখাৰ উদ্যোগত দেৰগাঁৱত 'আবৃত্তিৰ মহাৰণ' শীৰ্ষক শাখা পৰ্যায়ৰ আবৃত্তি প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, দেৰগাঁও, ২০ মে' ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবৰ্ষ উপলক্ষে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া ''আবৃত্তিৰ মহাৰণ'' শীৰ্ষক প্ৰতিযোগিতাৰ জিলা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দেৰগাঁও শাখাৰ উদ্যোগত আৰু ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগিতাত ১৭ মে' দেওবাৰে পুৱা ৯ বজাৰ পৰা আবেলি ৪ বজালৈকে মুঠ ৭ (সাতটা) বিভাগত কবিতা আবৃত্তিৰ প্ৰতিযোগিতাখনি অনুষ্ঠিত হৈ যায়। শতাধিক প্ৰতিযোগীৰ লগতে দেৰগাঁৱৰ কেবাগৰাকী বিশিষ্ট ব্যক্তি আৰু শতাধিক আবৃত্তি অনুৰাগীৰ পয়োভৰেৰে জীপাল হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ আঁত ধৰি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাঁও শাখাৰ সাধাৰণ সম্পাদক গৌৰৱ বৰুৱাই সমগ্ৰ অনুষ্ঠানটিৰ উদ্দেশ্য আৰু কাৰ্যপন্থাৰ ওপৰত আৰম্ভণিতে বিস্তৃতভাৱে আলোকপাত কৰে। অনুষ্ঠানটিৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, গোলাঘাট জিলাৰ উপসভাপতি তথা যোৰহাট দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধীৰেন তামোলীয়ে। আবৃত্তি প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ বৰাই। প্ৰতিযোগিতা সমূহ আৰম্ভ কৰাৰ আগেয়ে দেৰগাঁৱৰ সমাজ জীৱনৰ লগত জড়িত দুজন সদ্যপ্ৰয়াত শিক্ষাবিদ নীলপদ্ম ফুকন আৰু ৰাজীৱ বৰঠাকুৰৰ বিদেহ আত্মাৰ সদগতিৰ কাৰণে এক মিনিট সময় মৌনতা অৱলম্বন কৰি এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। গজালি, কিশলয়, জোনাকী, ৰামধেনু, প্ৰশিক্ষক.প্ৰবীণ আৰু মুকলি মুঠ সাতটা শাখাত অনুষ্ঠিত হোৱা আবৃত্তিৰ মহাৰণত 'গঁজালি' শাখাত অনুস্কা বৰা (প্ৰথম), আৰোহী কলিতা (দ্বিতীয়), সৌজন্যা হাজৰিকা, অৰ্পিতা ৰাজখোৱা (তৃতীয়), অভিৰাজ হাজৰিকা, সৌম্যদ্বীপ গৌৰিকে (উদগনি) পুৰস্কাৰ লাভ কৰে। 'কিশলয়' শাখাত শশাংক বৰা(প্ৰথম), প্ৰিয়দৰ্শিনী বৰুৱা (দ্বিতীয়), তন্দ্ৰালী মূৰ্ছনা (তৃতীয়), দীক্ষিতা ফুকন (উদগণি), 'জোনাকী' শাখাত কাব্যশ্ৰী কলিতা (প্ৰথম), অভিলাষা বৰা (দ্বিতীয়), কাব্যশ্ৰী কাশ্যপ (তৃতীয়), ৰিংকী কৰ্মকাৰ, আশিস শৰ্মা(উদগণি), 'মুকলি' শাখাত পিংকি বৰা (প্ৰথম), অংশুমান বৰদলৈ (দ্বিতীয়), ৰুমী দত্ত বৰা (তৃতীয়), দীপিকা হাজৰিকা (বিচাৰকৰ বিশেষ বঁটা) আৰু 'ৰামধেনু' শাখাত অভিলাষা কুণ্ডু (প্ৰথম), 'প্ৰবীণ' শাখাত জীনা নেওগ (প্ৰথম) আৰু 'প্ৰশিক্ষক' শাখাত জয়শ্ৰী মহন্ত (প্ৰথম)ই পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আবৃত্তিৰ অনুষ্ঠানটিৰ এক বিশেষ আকৰ্ষণ আছিল ষাঠি বছৰ বয়সৰ উৰ্দ্ধৰ কেইবাগৰাকী আবৃত্তিকাৰৰ যোগদান, যাৰ ভিতৰত দীপ মোহন, জীণা নেওগ আৰু ইন্দ্ৰাণী গোস্বামী অন্যতম আছিল। অনুষ্ঠানটিৰ শেষত অনুষ্ঠিত হোৱা বঁটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাও শাখাৰ সভাপতি জ্যোতি কুমাৰী শৰ্মাই। বঁটা বিতৰণী অনুষ্ঠানটিত সুৰেন্দ্ৰ মোহন হাজৰিকা, প্ৰতাপ কন্দলী, প্ৰজ্ঞাসুন্দৰ হাজৰিকা, বন্দনা দত্ত, অনুপম মহন্ত, মিতালী গোস্বামী, গীতাৰ্থী ঠাকুৰ, মৌচুমী ঠাকুৰ, ধ্ৰুৱজ্যোতি বৰা, মৃগাংক বৰপূজাৰী, সূৰুজ বৰা, অমৰ বৰুৱা, বিনায়ক বৰুৱা, দীপ মোহন, বিচিত্ৰ ভূষণ কলিতা, কুমুদ হাজৰিকা, অনাদি বৰঠাকুৰক, প্ৰশান্ত বৰপূজাৰীকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে শাখা পৰ্যায়ৰ প্ৰতিযোগিতাত নিৰ্বাচিত হোৱা প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা আবৃত্তিকাৰসকলে পৰৱৰ্তী সময়ত জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ সৌভাগ্য লাভ কৰিব। আনহাতে প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰা আঠষষ্ঠী বছৰ বয়সীয়া দীপ মহনক প্ৰতিযোগিতাৰ উদ্যোক্তাসকলৰ তৰফৰ পৰা বিশেষ প্ৰশংসাপত্ৰ প্ৰদান কৰাৰ বিষয়ে ঘোষণা কৰে। সকলো স্থানপ্ৰাপ্ত প্ৰতিযোগীকে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাঁও শাখাৰ সাধাৰণ সম্পাদক গৌৰৱ বৰুৱাক ৭০০২৪৭৩৯১৫ মোবাইল নম্বৰত পৰৱৰ্তী কাৰ্যসূচীৰ বাবে যোগাযোগ কৰিবলৈ জনাইছে।

# মাকুমত আদিবাসী-চাহ জনগোষ্ঠীৰ তিনি সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰীসকললৈ অভিনন্দন

**অসম বাৰ্তা, মাকুম, ২০ মে' ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক মাকুম অঞ্চলৰ বিভিন্ন দল সংগঠনে ছাত্ৰ-ছাত্ৰীসকলৰ দুগুণ উৎসাহ বৃদ্ধিৰ কাৰণে প্ৰত্যেক বছৰে মাকুম অঞ্চলত অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত কৰি ছাত্ৰ- ছাত্ৰী বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰি আহিছে। বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষতো বিভিন্ন দল সংগঠনে সুকীয়া ভাৱে সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰিছে। ঠিক তেনেদৰে আজি মাকুমৰ তিনিটাকৈ স্থানত আদিবাসী-চাহ জনগোষ্ঠীৰ তিনিখন সমাজ যেনে কুৰ্মী, গোৱালা আৰু কৰ্মকাৰ-লোহাৰ সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰী সকললৈ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰি বিশেষ ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসম গোৱালা জাতি সন্মিলনীৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু সমূহ আঞ্চলিক সমিতিৰ সহযোগত মাকুম যুগল কিশোৰ কেযান ভৱনত গোৱালা সমাজৰ কৃতী ছাত্ৰ ছাত্ৰী সকললৈ বিগত বৰ্ষৰ দৰে ২০২৫-২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গোৱালা সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰী সকললৈ এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলিৰে অনুষ্ঠানৰ কাৰ্যসূচীৰে আৰম্ভ হয়। পতাকা উত্তোলন কৰে অসম গোৱালা জাতি সন্মিলন তিনিচুকীয়া জিলা সমিতিৰ সভাপতি চন্দন গোৱালাই, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিনগাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অসম গোৱালা জাতি সন্মিলন তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক প্ৰাঞ্জল গোৱালাই। তাৰ পাছতে অনুষ্ঠানলৈ আমন্ত্ৰণ কৰি অনা কেইবাগৰাকী ব্যক্তিৰ সৈতে ছাত্ৰ-ছাত্ৰী সকলে কেৰিয়াৰ সম্পৰ্কীয় এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলে অনাগত দিনত কেনেদৰে আগবাঢ়ি যাব লাগিব সেই দিশত বিতংভাৱে অৱগত কৰা হয়। পৰৱৰ্তী মূল কাৰ্যসূচী মুঠ ৪২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে অসম গোৱালা জাতি সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মৃদুল গোৱালা প্ৰমুখ্যে কৰি বহু কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তাৰ সমান্তৰালভাৱে মাকুমস্থিত বনমালি শইকীয়া সাহিত্য সভা ভৱনত তিনিচুকীয়া জিলা কুৰ্মি সমাজ আৰু তিনিচুকীয়া জিলা কুৰ্মি মহিলা পৰিষদৰ যুটীয়া উদ্যোগত ২০২৫-২৬ শিক্ষা বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক পৰীক্ষা, স্নাতক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ ৬০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু অসম চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি লাভ কৰা ১০ গৰাকী চাকৰিয়ালক অভিনন্দন জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সভাপতি প্ৰকাশ কুৰ্মিয়ে কুৰ্মি সমাজৰ পতাকা উত্তোলন কৰে আৰু তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সম্পাদক দেবাৰু কুৰ্মি আৰু তিনিচুকীয়া জিলা কুৰ্মি মহিলা পৰিষদৰ সভানেত্ৰী অৰ্চনা কুৰ্মি আৰু সম্পাদিকা মূলেশ্বৰী কুৰ্মিয়ে স্মৃতি তৰ্পণ কৰে। তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সভাপতি প্ৰকাশ কুৰ্মিয়ে পৰিচালনা কৰা অভিনন্দন অনুষ্ঠানত চি.আৰ.চি.চি. সন্তোষ ওঝা, বৰগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অমৃত ৰাজখোৱা, অসম কুৰ্মি সমাজৰ সাধাৰণ সম্পাদক প্ৰবিন কুৰ্মি, অসম চাহ জনজাতী ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰাঞ্জল বৰাইক, অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জগত নায়ক, সহকাৰী লোক অভিযোজক মমতা কুৰ্মি, অসম কুৰ্মি মহিলা পৰিষদৰ উপ-সভানেত্ৰী বেলিমাই কুৰ্মি, অসম কুৰ্মি সমাজৰ উপ-সভাপতি যোগেশ্বৰ কুৰ্মি, অসম যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক ভৱেন কুৰ্মি, অসম চাহ জনজাতী ছাত্ৰ সন্থা মাকুম শাখাৰ সভাপতি ৰবি কুৰ্মি, অসম কুৰ্মি মহিলা পৰিষদৰ সাংগঠনিক সম্পাদিকা দেৱলতা কুৰ্মিয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সহকাৰী সম্পাদক গৌতম কুৰ্মি আৰু তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ শিক্ষা সম্পাদক দুলেশ্বৰ কুৰ্মিয়ে অনুষ্ঠানটিৰ আগ ধৰে। উদীয়মান শিল্পী লীনা কুৰ্মিয়ে সৃষ্টিশীল নৃত্য পৰিৱেশন কৰাৰ লগতে দিব্যজ্যোতি কুৰ্মিয়ে কবিতা আবৃত্তি আৰু স্নিগ্ধা কুৰ্মিয়ে গীত পৰিৱেশন কৰে। সভাৰ অন্তত অভিনন্দন অনুষ্ঠানলৈ বিভিন্ন স্থানৰ পৰা আমন্ত্ৰণ ৰক্ষা কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰি তোলাত সংবাদ মাধ্যমৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰে অসম কুৰ্মি সমাজৰ সাধাৰণ সম্পাদক প্ৰবিন কুৰ্মি আৰু তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সম্পাদক দেবাৰু কুৰ্মিয়ে। ইপিনে মাকুম বেতজান চাহ বাগিচাৰ জগন্নাথ দক্ষতা বিকাশ আৰু সামূহিক কেন্দ্ৰতো বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সদৌ অসম কৰ্মকাৰ-লোহাৰ সমাজ তিনিচুকীয়া জিলা সমিতি ও মহিলা সমিতিৰ উদ্যোগত তথা সমূহ আঞ্চলিক সমিতি, প্ৰাথমিক প্ৰাথমিক সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত ২০২৫-২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীলৈ এই বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মালবিকা ভূএগ ফুকন, সদৌ অসম কৰ্মকাৰ-লোহাৰ সমাজৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক শিৱ কুমাৰ কৰ্মকাৰ, প্ৰচাৰ সম্পাদক মুন্না কৰ্মকাৰ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সত্যনাৰায়ণ কৰ্মকাৰ, সম্পাদক জগদেৱ কৰ্মকাৰ, আটুৱা তিনিচুকীয়া জিলাৰ সমিতিৰ কল্যাণী খাড়ীয়া প্ৰমুখ্যে কৰি গণ্য-মান্য ব্যক্তি সকলে। ছাত্ৰ-ছাত্ৰী সকলক ভৱিষ্যত দিনৰ অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে আমন্ত্ৰিত অতিথি সকলে। কৃতীমান ছাত্ৰ-ছাত্ৰী সকলক গামোচা সহ একোখনিকৈ সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। আমি আমাৰ সমাজৰ সকলো ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ দিশত আগুৱাই নিবলৈ আমি সকলো ধৰণৰ প্ৰচেষ্টা ইতিমধ্যে হাতত লৈছোঁ বুলি সদৌ অসম কৰ্মকাৰ-লোহাৰ সমাজৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক শিৱ কুমাৰ কৰ্মকাৰ আৰু তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক জগদেৱ কৰ্মকাৰে সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে।

# নকছাৰিত শৈক্ষিক ন্যাসৰ আদৰণীয় পদক্ষেপ; ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান

**অসম বাৰ্তা, নকছাৰি, ২০ মে' ঃ** মৰিয়নি সমজিলাৰ অন্তৰ্গত ১৫নং মৈধ্য নকছাৰি গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত যোৱা ইংৰাজী ১৬মে তাৰিখ শনিবাৰে দিনযোৰা কাৰ্য্যসূচীৰে নকছাৰি শৈক্ষিক ন্যাসৰ উদ্যোগত এক বিশেষ বঁটা প্ৰদান আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। সভাৰ সভাপতিত্বত কৰে মাধ্যমিক শিক্ষা বৰ্ড, অসমৰ প্ৰাক্তন সচিব তথা অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া কমলজ্যোতি গগৈয়ে। সভাৰ আদৰণি ভাষণৰ লগতে উদ্দেশ্য ব্যাখ্যা প্ৰদান কৰে ন্যাসৰ বিৰস্থাপক ড° পূৰ্ণকান্ত বৰুৱাই আৰু মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি সাহিত্যিক শান্তিছায়া শইকীয়াই শিক্ষক আৰু ছাত্ৰ ছাত্ৰী সকলৰ মাজত কেনেধৰণেৰে সম্পৰ্ক গঠন কৰি ছাত্ৰ-ছাত্ৰী সকল শিক্ষাৰ ক্ষেত্ৰখনত আগবাঢ়ি যাব পাৰিব সেই বিষয়ে সুন্দৰ মন্তব্য আগবঢ়াই আৰু এটি কবিতাও আবৃত্তি কৰি সকলোৰে মন আকৰ্ষণ কৰে। বিশিষ্ট অতিথি ৰূপে নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অলকানন্দ চুতীয়াই মৌজাটোৰ শৈক্ষিক ক্ষেত্ৰখনৰ কিছু ছবি দাঙি ধৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ উজ্জ্বল ভৱিষ্যত দিশত বহু পৰামৰ্শ আগবঢ়ায়। সভাৰ মাজতে অনাতাঁৰ শিল্পী চুচিল লাহনে পোহৰী পাতেৰে পৰিৱেশন কৰাৰ লগতে শিল্পী মনজিৎ চেতিয়াই বৰগীত গাই সকলোৰে মন আকৰ্ষণ কৰে। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নকছাৰি কেন্দ্ৰৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰা মডেল ইংলিছ হাইস্কুলৰ ছাত্ৰী অভিশ্বেতা ধৰক নগদ দহ হাজাৰ টকা দুখন কিতাপ আৰু এটা উপহাৰৰ টোপোলা সমিতিৰ তৰফৰ পৰা আগবঢ়ায়। নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰা আৰ্থিক ভাৱে দুৰ্বল ঘৰৰ ছাত্ৰ প্ৰজ্ঞান গগৈক ন্যাসৰ তৰফৰ পৰা পদ্মনীল বঁটা প্ৰদান কৰে। এই বঁটাত নগদ দহ হাজাৰ টকা আৰু দুখন কিতাপ আগবঢ়ায়। মৰীদেৱী বেৰীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী গৌৰাঙী প্ৰিয়া গগৈক 'লাবন্য বৰুৱা' বঁটা প্ৰদান কৰে। এই বঁটাত নগদ পাঁচ হাজাৰ টকা আৰু দুখন মূল্যবান কিতাপ আগবঢ়ায়। অনুষ্ঠানত শিক্ষক প্ৰদীপ কুমাৰ গগৈ, তুলন গগৈ, মিণ্টু দুৱৰা, ৰাজশ্ৰী বৰুৱা, সাৰদা দাস, ৰিমা হাজৰিকা, নীলিমা ভৰালী প্ৰাক্তন শিক্ষক দুলাল চন্দ্ৰ গগৈ, চদিমুল্লা আহমেদ, ক্ষেত্ৰধৰ গগৈৰ লগতে বহুকেইখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে প্ৰবীণ লাহন, ঘন লাহন, জিতেন চন্দ্ৰ গগৈ, দিলীপ গগৈ, নৰেন গগৈৰ লগতে বিহুকেইজন সমাজকৰ্মীয়ে অংশগ্ৰহণ কৰে। উপস্থিত সকলোৰে এনে অনুষ্ঠান অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰাৰ বাবে উদ্যোগক্তা সকলৰ প্ৰশংসা কৰে। শেষত শলাগৰ শৰাই আগবঢ়াই প্ৰাক্তন শিক্ষক জগত মোহন গগৈয়ে।

## ☐ জনজাতীয় সমাজে চৰকাৰী আঁচনিসমূহৰ উপলব্ধতা নিশ্চিত কৰাৰ বিশেষ পদক্ষেপ ☐

# দৰং জিলাত 'জন ভাগিদাৰী, সবসে দূৰ, সবসে পহেলে' অভিযানৰ জিলা পৰ্যায়ৰ আনুষ্ঠানিক শুভাৰম্ভণি

**অসম বাৰ্তা, দেওমৰনৈ, ২০ মে' ঃ** ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত আজিৰে পৰা সপ্তাহজোৰা কৈ আৰম্ভ হোৱা বিশেষ অভিযান ''জন ভাগিদাৰী, সবসে দূৰ, সবসে পহেলে''ৰ সৈতে সামঞ্জস্যতা ৰক্ষা কৰি আজি ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে দৰং জিলাতো উক্ত অভিযানৰ জিলা পৰ্যায়ৰ শুভাৰম্ভনি অনুষ্ঠান আজি অনুষ্ঠিত হৈ যায়। দেশৰ সামগ্ৰিক আৰু অন্তৰ্ভুক্তিমূলক উন্নয়নৰ ধাৰাক সমাজৰ অন্তিম স্তৰলৈকে লৈ যোৱাৰ লক্ষ্যৰে ভাৰত চৰকাৰে এই চলিত ২০২৬ বৰ্ষত আৰম্ভ কৰা "জন ভাগীদাৰী — সবসে দূৰ, সবসে পহেলে" শীৰ্ষক এই দেশজোৰা IEC (অৰ্থাৎ তথ্য-শিক্ষা-যোগাযোগ) আৰু হিতাধিকাৰী পূৰ্ণতা অভিযান আৰম্ভ কৰি বিশেষকৈ জনজাতীয় সমাজক চৰকাৰী আঁচনি আৰু কল্যাণমূলক সুবিধাসমূহৰ সৈতে অধিক ফলপ্ৰসূভাৱে সংযোগ স্থাপন কৰাৰ উদ্দেশ্য তৎপৰ হৈ উঠিছে। ভাৰত চৰকাৰৰ জনজাতি বিষয়ক মন্ত্ৰালয়ৰ উদ্যোগত ৰূপায়িত এই বিশেষ অভিযানৰ অংশ হিচাপে আজি দৰং জিলাত জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত আয়ুষী জৈনৰ সভাপতিত্ব অনুষ্ঠিত হোৱা এই জিলা পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠানৰ সঞ্চালন কৰে জিলা উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱাই। জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া কৰৱী শইকীয়া কৰণ, অতিৰিক্ত আয়ুক্তসকল, সংশ্লিষ্ট বিভাগীয় মুৰব্বী, ৰাজহ চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়াকে ধৰি অন্যান্য সংশ্লিষ্ট সকলৰ উপস্থিতিত জিলা আয়ুক্ত গৰাকীয়ে "জন ভাগীদাৰী - সবসে দূৰ, সবসে পহেলে" অভিযানৰ মূল উদ্দেশ্য সম্পৰ্কে সকলোকে অৱগত কৰে আৰু সংশ্লিষ্ট বিভাগসমূহে পালন কৰিবলগীয়া দায়িত্ব সম্পৰ্কে আলোচনা কৰে আৰু এই অভিযান ৰূপায়ণৰ প্ৰস্তুতি ও পৰিকল্পনা সম্পৰ্কে বুজ লয়। এই অভিযান আজিৰে পৰা অৰ্থাৎ ১৮ মে'ৰ পৰা ২৫ মে'লৈকে জিলাখনৰ বিভিন্ন জনজাতীয় অধ্যুষিত অঞ্চলত অব্যাহত থাকিব। এই অভিযানৰ অধীনত গুৰুত্বপূৰ্ন চৰকাৰী আঁচনি সমূহৰ উপলদ্ধতা নিশ্চিতৰ যোগেদি স্বাস্থ্য, শিক্ষা, পুষ্টি, সামাজিক সুৰক্ষা, বিশুদ্ধ খোৱাপানী, জীৱিকা সৃষ্টিৰ সুযোগ, যোগাযোগ ব্যৱস্থা আদি মৌলিক সুবিধাসমূহ জনজাতীয় গাঁওসমূহত অধিক সুনিশ্চিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। লগতে দূৰৱৰ্তী আৰু পিছপৰা অঞ্চলত বসবাস কৰা যোগ্য হিতাধিকাৰীসকল যাতে কোনো চৰকাৰী আঁচনিৰ সুবিধাৰ পৰা বঞ্চিত নহয়, তাৰ বাবে ব্যাপক গণসচেতনতা, ক্ষেত্ৰ পৰ্যায়ৰ সংযোগ আৰু হিতাধিকাৰী পূৰ্ণতা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আজিৰ শুভাৰম্ভনি অনুষ্ঠানৰ পাছৰে পৰা অৰ্থাৎ ১৯ তাৰিখৰ পৰা বিভিন্ন বিভাগৰ তৰফৰ পৰা উন্নয়ন খণ্ড সমূহত সজাগতা অভিযান, অস্থায়ী আধাৰ কেন্দ্ৰৰ সেৱা, স্বাস্থ্য শিবিৰকে ধৰি বহুতো বিশেষ অভিযান আৰু শেষৰ দিনা অৰ্থাৎ ২৫ মে' তাৰিখে সমগ্ৰ অভিযানৰ এক পৰ্যালোচনাৰ লগতে জিলা আয়ুক্তৰ সংবাদ মেল সম্বোধনেৰে এই অভিযানৰ অন্ত পৰিব। এই অভিযানৰ এক অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে ৰাজহুৱা শুনানিৰ ব্যৱস্থা। এই ৰাজহুৱা শুনানি অনুষ্ঠানত জনসাধাৰণে চৰকাৰী সেৱা, সমস্যা আৰু সুবিধাসমূহ সম্পৰ্কে প্ৰত্যক্ষভাৱে মতামত আৰু অভিযোগ উপস্থাপন কৰাৰ সুযোগ লাভ কৰিব। অনুষ্ঠানৰ শেষত জিলা আয়ুক্তই সংশ্লিষ্ট সকলো বিভাগৰ পৰা এই অভিযান প্ৰকৃত ৰূপত সফল কৰি তুলিবলৈ পূৰ্ণ সহযোগিতাৰ আহবান কৰে আৰু সপ্তাহজোৰা অভিযান অন্ত পৰাৰ পাছতো জনজাতীয় ৰাইজৰ ওচৰলৈ চৰকাৰী আঁচনি সমূহ লৈ যোৱাটো সুনিশ্চিত কৰাৰ ধাৰা অব্যাহত ৰখাৰ পোষকতা কৰে। উল্লেখ্য যে আজিৰ এই শুভাৰম্ভনি অনুষ্ঠানত জিলাখনৰ জনজাতীয় গোট সমূহৰ প্ৰতিনিধি সকলো উপস্থিত থাকে।

# ৰূপহীত অবৈধ গাড়ী টেঁগুৰ বিৰুদ্ধে শিক্ষক সমাজ

**অসম বাৰ্তা, ৰূপহীহাট, ২০ মে' ঃ** ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত নিতৌ সৃষ্টি হৈ আহিছে ব্যাপক যান-জঁটৰ। বিদ্যালয়খনৰ সন্মুখত আৰু কাষত বছৰৰ পিছত বছৰ ধৰি চলি আহিছে ই-ৰিক্সা, টেম্পু, মেজিকৰ অবৈধ ষ্টেণ্ড। নগাঁও-নলতলী ৰাজ্যিক ঘাইপথৰ কাষত অৱস্থিত ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত পুৱাৰে পৰা নিশা পৰ্যন্ত সৃষ্টি হোৱা অভাৱনীয় যানজঁটৰ বাবেই প্ৰায়েই সংঘটিত হৈ আহিছে সৰু বৰ দুৰ্ঘটনাৰ। বিগত সময়ত আহত, নিহত হৈছে কেইবাজনো ছাত্ৰ ছাত্ৰীৰ। প্ৰায় বাৰ শ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকা বিদ্যালয়খনৰ গাতে গঢ় লৈ উঠা দুটাকৈ অবৈধ ষ্টেণ্ডৰ বাবেই ছাত্ৰ-ছাত্ৰী সকলৰ অহা যোৱাৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হৈ আহিছে। শেহতীয়াকৈ বিদ্যালয়খনৰ সন্মুখতে এগৰাকী ছাত্ৰীক এখন সৰু গাড়ীয়ে খুন্দিয়াই থৈ যোৱাৰ পাছত ছাত্ৰীগৰাকীক প্ৰথমে ৰূপহী মডেল হস্পিটেলত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটেলত ভৰ্তি কৰোৱা হয়। যাৰ বাবে বিদ্যালয়খনৰ শৈক্ষিক তত্ত্বাৱধায়ক সমিতিৰ হৈ একাংশ শিক্ষকে কাষ চাপিছে স্থানীয় ৰূপহীহাট আৰক্ষীৰ। শিক্ষক সমাজে জিলা আৰক্ষী অধীক্ষক, জিলা পৰিবহণ বিষয়া, কলিয়াবৰ সম জিলা আৰক্ষী অধীক্ষকৰ হাততো ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ সুৰক্ষা বিচাৰি দাবী পত্ৰ দাখিল কৰিব বুলি সংবাদ মাধ্যমৰ আগত জানিব দিয়ে। যানজঁট নিয়ন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীক দুৰ্ঘটনাৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ দাবী জনালে শিক্ষক সমাজে। একাংশ প্ৰভাৱশালী লোকৰ পৃষ্ঠপোষকতাত চলি থকা অবৈধ যাত্ৰীবাহী সৰু বৰ গাড়ীৰ ষ্টেণ্ড দুটা বিদ্যালয়ৰ কাষৰ পৰা আঁতৰাই দিয়াৰো দাবী তুলিলে শিক্ষকসকলে।

# গাঁওপ্ৰধান প্ৰসন্ন কুমাৰ কলিতাৰ অকাল বিয়োগত পশ্চিম দৰঙত শোকৰ ছাঁ

**অসম বাৰ্তা, পাথৰিঘাট, ২০ মে' ঃ** পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত দগীয়াপাৰা গাঁৱৰ গাঁওপ্ৰধান প্ৰসন্ন কুমাৰ কলিতা ৫৭ বছৰ বয়সত অকালতে দুৰাৰোগ্য কৰ্কটৰোগত আক্ৰান্তহৈ ৰবিবাৰে নিজগৃহতেই শেষনিশ্বাস ত্যাগ কৰে। সকলো কৰ্মতে সিদ্ধহস্ত, হাস্য ৰসিক, অমায়িক, প্ৰসৰ বুদ্ধি সম্পন্ন প্ৰয়াত কলিতাদেৱ দৰং জিলা গাঁওপ্ৰধান সন্থা, পাথৰিঘাট গাওঁপ্ৰধান সন্থা, খটৰা শাখা কলিতা সন্মিলন, দগীয়াপৰা মিলন জ্যোতি সংঘ, দগীয়াপাৰা বিষ্ণু মন্দিৰৰ লগতে আন বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থকাৰ উপৰিও দগীয়াপাৰাৰ লগতে দাতিকাষৰীয়া অঞ্চল সমূহত শিক্ষা, সংস্কৃতি, সাহিত্য সকলো দিশতে অৰিহণা যোগাই ৰাইজক সততে উপকাৰ সাধন কৰিছিল। প্ৰয়াত কলিতাই মৃত্যুৰ সময়ত এই ইহসংসাৰত পত্নী, এগৰাকী পুত্ৰ, এগৰাকী জী, ককায়েক বৌয়েক, ভাই, ভাই-বোৱাৰী, ভনিয়েকসহ অজস্ৰ গুণমুগ্ধক এৰি যায়। প্ৰয়াত প্ৰসন্ন কলিতাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগেই অসংখ্য গুণমুগ্ধই কলিতাৰ বাসগৃহত ভিৰ কৰাৰ লগতে কলিতাৰ মৃত্যুত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, দৰং জিলা গাওঁ প্ৰধান সন্থা, পাথৰিঘাট গাওঁ প্ৰধান সন্থা, দগীয়াপাৰা মিলন জ্যোতি সংঘ, দগীয়াপাৰা বিষ্ণু মন্দিৰ, দগীয়াপাৰা জ্ঞান দায়িনী সংঘ, দগীয়াপাৰা শিৱমন্দিৰ, দগীয়াপাৰা নামঘৰ, দৰং জিলা কলিতা সন্মিলন খটৰা শাখা, খটৰা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগাৰাম বৈশ্যৰ লগতে বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু অলেখ গুণমুগ্ধই শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

# ডিব্ৰুগড়তো সংগঠনৰ আহ্বানত সঁহাৰি জনাই ২০ মে'ত বন্ধ থাকিব ঔষধৰ দোকান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২০ মে' ঃ** অল ইণ্ডিয়া অৰ্গেনাইজেশ্যন অৱ কেমিষ্ট এণ্ড ড্ৰাগিষ্টছৰ আহ্বানত দেশজোৰা ধৰ্মঘট কাৰ্যসূচীত সমৰ্থন গ্ৰহণ কৰিছে ডিব্ৰুগড় মেডিচিন ডিলাৰ্ছ এছ'চিয়েশ্যনে। ডিব্ৰুগড় সাহিত্য সভা ভৱনৰ কাৰ্যালয়ত আজি এক সংবাদমেল অনুষ্ঠিত কৰি সংগঠনটোৰ বিষয়ববীয়াসকলে কয় যে, অনলাইন মাধ্যমেৰে ঔষধ বিক্ৰী আৰু অনুজ্ঞাপত্ৰ বিহীন অবৈধ ফাৰ্মাচী ব্যৱসায় দিনক দিনে বৃদ্ধিকে ধৰি অন্যান্য কেইবাটাও দাবীৰে ভাৰত বন্ধৰ আহ্বানক পূৰ্ণ সমৰ্থন জনাই ডিব্ৰুগড়ত অহা ২০ মে'ত বন্ধ থাকিব সকলো ঔষধৰ দোকান। সংগঠনটোয়ে সংবাদমেলত অভিযোগ কৰা মতে, বহু ক্ষেত্ৰত অনলাইনযোগে বিক্ৰী হোৱা ঔষধৰ উৎস, সংৰক্ষণ পদ্ধতি বা মানদণ্ড সম্পৰ্কে কোনো স্পষ্ট তথ্য নাথাকে। চিকিৎসক বা ফাৰ্মাচিষ্টৰ সঠিক পৰামৰ্শ নোহোৱাকৈ ঔষধ ব্যৱহাৰ কৰাটোও সাধাৰণ ৰাইজৰ বাবে বিপদজনক হৈ পৰিব পাৰে বুলি সতৰ্ক কৰে সংগঠনটোৱে। ইয়াৰোৰি, সহজে নিচাজাতীয় সামগ্ৰী উপলব্ধ হোৱাৰ অভিযোগো উত্থাপন কৰে সংগঠনটোৱে। লগতে ফাৰ্মাচিষ্টৰ ডিগ্ৰী লাভ কৰা বহু নৱপ্ৰজন্মই নিজাকৈ ফাৰ্মাচী স্থাপন কৰাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। এই সকলো সমস্যা সমাধান কৰাৰ প্ৰতিবাদত ২০ মে'ত জৰুৰীকালীন সেৱাৰ বাহিৰে ডিব্ৰুগড়ৰ অধিকাংশ ঔষধৰ দোকান বন্ধ থাকিব বুলি জানিবলৈ দিয়ে ডিব্ৰুগড় মেডিচিন ডিলাৰ্ছ এছ'চিয়েশ্যনে। সাধাৰণ ৰাইজক আগতীয়াকৈ প্ৰয়োজনীয় ঔষধ সংগ্ৰহ কৰি ৰাখিবলৈও আহ্বান জনায় সংগঠনটোৱে। সংবাদ মেলত সন্থাৰ সভাপতি বিশ্ব বৰা, সম্পাদক আস্তমুদ্দিন আহমেদ, দেৱ কুমাৰ দত্ত, বিজু নাউকা, সুভাষ পাল, আশিস বচু, সুভাষ কুণ্ডুসহ বিষয়ববীয়া সকল উপস্থিত থাকে।

# গোলকগঞ্জত কোচ ৰাজবংশী সাহিত্য সভাৰ ৩৪তম্ প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, গোলকগঞ্জ, ২০ মে' ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত অহা ২২ মে', ২০২৬ শুকুৰবাৰে অনুষ্ঠিত হ'বলগীয়া কোচ ৰাজবংশী সাহিত্য সভাৰ ৩৪তম প্ৰতিষ্ঠা দিৱস উপলক্ষে ব্যাপক প্ৰস্তুতি চলিছে। অনুষ্ঠানৰ প্ৰস্তুতিৰ অংশ হিচাপে দেওবাৰে লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে গোলকগঞ্জ পৌৰসভাৰ সভানেত্ৰী সাবিত্ৰী ৰায়, কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকত আৰু জেষ্ঠ্য চিকিৎসক ডাঃ সোহনলাল আগৰৱালাই। গোলকগঞ্জস্থিত কোচ ৰাজবংশী সাহিত্য সভাৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভা, কেন্দ্ৰীয় কোচ ৰাজবংশী লেখিকা সভা, ধুবুৰী জিলা কোচ ৰাজবংশী সাহিত্য সভা, জিলা কোচ ৰাজবংশী লেখিকা সভা, গোলকগঞ্জ শাখা কোচ ৰাজবংশী সাহিত্য সভা আৰু শাখা কোচ ৰাজবংশী লেখিকা সভাৰ যৌথ উদ্যোগত অনুষ্ঠানটি আয়োজন কৰা হৈছে। আয়োজক সমিতিৰ ফালৰ পৰা জনোৱা মতে, অনুষ্ঠানৰ আৰম্ভণিতে সূৰচনী পূজা, পতাকা উত্তোলন, স্বহীদ বেদীত মাল্যাৰ্পণ আৰু কমতা ৰত্ন অম্বিকাচৰণ চৌধুৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হ'ব। ইয়াৰ পিছতে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শোভাযাত্ৰাৰ উদ্বোধন কৰিব সমজিলা আয়ুক্ত ইয়মকুম আই অজুকুম, আই.এ.এছ.-এ। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ হিচাপে "কোচ ৰাজবংশী জনজাতিৰ ইতিহাস আৰু লোকপিয়ল (Census)-২০২৬ত ৰাজবংশী ভাষাৰ অন্তৰ্ভুক্তিকৰণ" বিষয়ত এখন বিশেষ আলোচনী সভা অনুষ্ঠিত হ'ব। সভাখন সঞ্চালনা কৰিব ড° প্ৰতিমা নিয়োগীয়ে। আলোচনী সভাত ড° মাধব অধিকাৰী, অৱসৰপ্ৰাপ্ত কেপ্টেইন নলিনী ৰঞ্জন বৰ্মন, ড° ৰূপাঞ্জলি দেৱী, বলদেৱ ৰায়, ড° কৃষ্ণ কান্ত ৰায়, ড° উমেশ দাস, অলকেশ চন্দ্ৰ ৰায় আৰু পিনাকী ৰায় আদি বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। খোলা সভাত সভাপতিত্ব কৰিব কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিব সংগঠনটোৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব গোলকগঞ্জ সমষ্টিৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰ। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব জীৱেশ ৰায়, ড° পৰমানন্দ ৰাজবংশী, ৰূপম ৰায়, ভূপেন ৰায়, দীপ্তীময়ী চৌধুৰী, প্ৰণব নাৰায়ণ দেব আৰু হিতেশ্বৰ বৰ্মন। অনুষ্ঠানত বিভিন্ন বৰেণ্য সাহিত্যিকৰ দহখনকৈ উপন্যাস উন্মোচন কৰাৰ কথাও আয়োজকসকলে সদৰী কৰিছে। ইয়াৰ ভিতৰত "বৰ্ম" নামৰ এখন বিশেষ উপন্যাস উন্মোচন কৰা হ'ব বুলি জানিব পৰা গৈছে। সন্ধিয়াৰ ভাগত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ইফালে অনুষ্ঠান সফল কৰি তুলিবলৈ অভ্যৰ্থনা সমিতিৰ সভাপতি মনিন্দ্ৰ নাথ ৰায়, সম্পাদক ভূপাল ৰায় প্ৰধানী, কাৰ্য্যকৰী সভাপতি বীৰেন্দ্ৰ নাথ ৰায়, কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মন, সম্পাদক পিনাকী ৰায়, কেন্দ্ৰীয় কোচ ৰাজবংশী লেখিকা সভাৰ সভানেত্ৰী নিবেদিতা ৰায়কে ধৰি আয়োজকসকলে ৰাইজৰ সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

বিশিষ্ট লেখক, অনুবাদক, সুবক্তা তথা বুদ্ধিজীৱী দিগন্ত বিশ্ব শৰ্মাৰ সাৰগৰ্ভ ভাষণ

# সৰুপথাৰ মহাবিদ্যালয়ত ‘ভাৰতীয় জ্ঞান পৰম্পৰা’ বিষয়ক বিশেষ বক্তৃতানুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, সৰুপথাৰ, ২০ মে’ ঃ** সৰুপথাৰ মহাবিদ্যালয়ত সোমবাৰে “ভাৰতীয় জ্ঞান পৰম্পৰা” বিষয়ক এখন বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। ভাৰতীয় জ্ঞান পৰম্পৰা (INDIAN KNOWLEDGE SYSTEM) বিষয়ক বিশেষ বক্তৃতানুষ্ঠানৰ বিষয় আছিল, “Introduction to Indian Knowledge System and India’s Three Powers.” সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC)ৰ সহযোগত সোমবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ মুহীকান্ত তামোলী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় উক্ত বক্তৃতানুষ্ঠান। অসমৰ এগৰাকী বিশিষ্ট লেখক, অনুবাদক, সুবক্তা তথা বুদ্ধিজীৱী দিগন্ত বিশ্ব শৰ্মা সমল ব্যক্তি হিচাপে উপস্থিত থাকি ভাৰতীয়া জ্ঞান পৰম্পৰা বিষয়ক বক্তৃতা প্ৰদান কৰে। বক্তৃতানুষ্ঠানৰ লগত সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয় মহিলা কোষৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ ‘শতভিষা’, তৃতীয় সংখ্যা উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু জ্ঞানচৰ্চাৰ প্ৰাচীন ঐতিহ্যৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ উদ্দেশ্যে আয়োজিত এই অনুষ্ঠানত জনপ্ৰিয় বক্তা আৰু সুদক্ষ লেখক দিগন্ত বিশ্ব শৰ্মাই মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে অতিথিগৰাকীক উষ্ম আদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা জনায়। মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই আঁত ধৰা অনুঠানটোত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে, আধুনিকতাৰ দৌৰত নতুন প্ৰজন্মই নিজৰ ঐতিহ্য, সংস্কৃতি আৰু জ্ঞানভাণ্ডাৰৰ পৰা ক্ৰমে আঁতৰি গৈছে। সেয়েহে ভাৰতীয় জ্ঞান পৰম্পৰাৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰি তোলাটো সময়ৰ দাবী। সুদক্ষ লেখক তথা বক্তাগৰাকীয়ে নিজৰ বিস্তৃত ভাষণত ভাৰতীয় জ্ঞান পৰম্পৰাক বিশ্ব সভ্যতাৰ সৈতে ৰজিতা খুৱাই বিশ্লেষণ আগবঢ়ায়। তেওঁ ভাষণ প্ৰসংগত কয় যে, ভাৰতীয় সভ্যতাই হাজাৰ হাজাৰ বছৰৰ পৰাই শিক্ষা, বিজ্ঞান, দৰ্শন, চিকিৎসা, সাহিত্য, সংগীত, যোগ আৰু আধ্যাত্মিকতাৰ ক্ষেত্ৰত বিশ্বক পথ প্ৰদৰ্শন কৰি আহিছে। বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, গীতা আদি গ্ৰন্থসমূহ কেৱল ধৰ্মীয় গ্ৰন্থ নহয়, বৰং জীৱন-দৰ্শন আৰু নৈতিক শিক্ষাৰ ভাণ্ডাৰ বুলিও তেওঁ মন্তব্য কৰে। তেওঁ ভাষণত আৰ্যভট্ট, কৌটিল্য, পাণিনি আদি মহান মনীষীৰ অৱদানৰ কথাও বিশেষভাৱে উল্লেখ কৰে। তেওঁৰ ভাষণৰ মাজেৰে যোগ, ধ্যান, আয়ুৰ্বেদ আৰু প্ৰাকৃতিক জীৱনশৈলীৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। তেওঁ উল্লেখ কৰে যে, আজিৰ বিশ্বত ভাৰতীয় যোগ আৰু আয়ুৰ্বেদে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিপুল জনপ্ৰিয়তা লাভ কৰিছে, যিয়ে ভাৰতীয় জ্ঞান পৰম্পৰাৰ মহত্ত্ব পুনৰ প্ৰতিষ্ঠা কৰিছে। সমল ব্যক্তি দিগন্ত বিশ্ব শৰ্মাই নিজৰ ভাষণৰ মাজত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অনন্য সৃষ্টি “তোৰ মোৰে আলোকৰে যাত্ৰা” এক সুগভীৰ আৰু বিস্তৃত বিশ্লেষণ দাঙি ধৰে। জ্যোতিপ্ৰসাদৰ সাহিত্যত লুকাই থকা বিশ্বজনীন মানৱতাবাদ আৰু আলোকৰ যাত্ৰাক তেওঁ ভাৰতীয় মূল দৰ্শন তথা সনাতন চেতনাৰ সৈতে অতি সুন্দৰকৈ সাঙুৰি বিশ্লেষণ কৰে। সমল ব্যক্তিগৰাকীৰ এই সাৰগৰ্ভ আলোচনা আৰু প্ৰাণস্পৰ্শী বক্তৃতাই সভাত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলক নতুন চিন্তাৰে উদ্বুদ্ধ আৰু গভীৰভাৱে অনুপ্ৰাণিত কৰে।

# স্বেচ্ছাসেৱী অনুষ্ঠান তথা ৰক্তদাতা গ্ৰুপ ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ সপ্তম বৰ্ষপূৰ্তি পালন

**অসম বাৰ্তা, মঙলদৈ, ২০ মে’ ঃ** অসমৰ অন্যতম এটি স্বেচ্ছাসেৱী অনুষ্ঠান তথা ৰক্তদাতা গ্ৰুপ ইউনিটি উই দ্যা ব্লাড ডনাৰ্চ ৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠানটি ইং ১২ মে, ২০২৬ আৰু ১৭ মে, ২০২৬ তাৰিখত দুদিনীয়াকৈ অনুষ্ঠিত কৰে দৰঙত। ১২ মে, ২০২৬ তাৰিখে ছিপাঝাৰৰ কাৰ্য্যালয়ত বন্তি প্ৰজ্বলন, পতাকা উত্তোলন কাৰ্য্যসুচিৰ পিছত বাইক ৰেলি কৰি মঙলদৈ অসামৰিক চিকিৎসালয় আৰু দৰং কেঞ্চাৰ হস্পিতালত চিকিৎসাধীন হৈ থকা ৰোগীসকলৰ মাজত ফলমুল বিতৰণ কৰাৰ পিছতে মঙলদৈ ৰক্তভড়ালত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা কৰি ইউনিটি উই দ্যা ব্লাড ডনাৰ্চ ৰ সদস্য সকলে ৰক্তদান কৰে। ইং ১৭ মে, ২০২৬ তাৰিখে মঙলদৈ জিলা পুথিভড়াল প্ৰেক্ষাগৃহত বিভিন্ন বাৰেবৰণীয়া কাৰ্য্যসুচী অনুষ্ঠিত কৰা হ’য়। ৰাতিপুৱা বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণৰ পিছতে ইউনিটি উই দ্যা ব্লাড ডনাৰ্চ ৰ দৰং জিলাৰ লগতে বিভিন্ন জিলাৰ পৰা অহা ইউনিটিৰ বিষয়ববীয়া তথা সদস্য-সদস্যা ৰ মাজত চা-চিনাকি তথা অন্তৰঙ্গ অনুষ্ঠান অনুষ্ঠিত হয়। অন্তৰঙ্গ অনুষ্ঠানৰ পিছতে মুকলি সভা অনুষ্ঠিত হয়। ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সম্পাদক ৰুমু বড়ো আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা ইউনিটিৰ উপ-সভাপতি নিৰঞ্জন শইকীয়াই আঁতধৰা মুকলি সভাৰ মঞ্চত উপস্থিত থাকি বক্তব্য আগবঢ়ায় ইউনিটিৰ কেন্দ্ৰীয় কমিতিৰ সভাপতি দিপক ডেকা, ইউনিটিৰ উপদেষ্টা তথা মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক মেজৰ হৰিমন ডেকা, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী, ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত কৃতি শিক্ষক তথা ইউনিটিৰ উপদেষ্টা শশাংক হাজৰিকা, দৰং জিলা পৰিষদৰ সদস্য বিতোপন ডেকা, হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যাপক ড° অমূল্য কলিতা, ডাঁহী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী অনিমা ডেকা, সমাজসেৱী গীতিকা কাকতি, যুৱ সমাজ কৰ্মী তীৰ্থ বড়ো, সমাজকৰ্মী জিণ্টু বৰুৱা, মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষ্মীনন্দন কলিতা, ইউনিটিৰ কাৰ্যকৰী সভাপতি হিমাংশু কুমাৰ দাসৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুকলি সভাত নিৰিবিলি বৃদ্ধাবাসৰ ককা-আইতা সকলৰ লগত চিনাকি অনুষ্ঠানৰ লগতে আদৰণি জনোৱা হয় আৰু কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হ’য় আৰু কেইগৰাকীমান সমাজসেৱী ব্যক্তিক সম্বৰ্ধনা জনোৱা হ’য়। দুৰাৰোগ্য ৰোগত আক্ৰান্ত সৰু ছোৱালী এগৰাকীক আৰ্থিক সাহায্য প্ৰদান কৰা হ’য়। লগতে ইউনিটিৰ সকলো ৰক্তদাতাক সম্বৰ্ধনা জনোৱাৰ পিছতে ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ বিষয়ববীয়া আৰু সদস্য সকলৰ মাজত অন্তৰংগ আলাপ আৰু গীত-মাত কথাৰে এক ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ হয়। ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, সদস্য আৰু ইউনিটিৰ গুৱাহাটী শাখা, গোলাঘাট শাখা, ওডালগুৰি জিলাৰ টংলা শাখাৰ লগতে অসমৰ বিভিন্ন জিলাৰ ৰক্তদাতা সকল উপস্থিত থাকে।

৩০ গৰাকী ৰোগীক ঔষধ আৰু পৰিপুষ্টি খাদ্য-সামগ্ৰী বিতৰণ

# বকোৰ ষষ্ঠপুৰত প্ৰধানমন্ত্ৰী যক্ষ্মা ৰোগমুক্ত অভিযান ও সজাগতা সভা আয়োজন

**অসম বাৰ্তা, বকো, ২০ মে’ ঃ** অসম চৰকাৰৰ দ্বাৰা গঠিত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আজি কামৰূপ জিলাৰ বকোৰ ষষ্ঠপুৰত প্ৰধানমন্ত্ৰী যক্ষ্মা (টিবি) ৰোগমুক্ত অভিযান আৰু সজাগতা সভা অনুষ্ঠিত হয়। ৰাভা হাছং পৰিষদৰ বকো পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ষষ্ঠপুৰৰ বডোছা ক্লাৱত এক মনোজ্ঞ পৰিবেশত আয়োজন কৰে যক্ষ্মা ৰোগ মুক্ত অভিযান আৰু সজাগতা সভাখন। বকো পৰিষদৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সজগতা সভাত বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ৩০ গৰাকী টি বি ৰোগীক ঔষধ আৰু পৰিপুষ্টি খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰে। ইফালে যক্ষ্মা ৰোগ মুক্ত অভিযানৰ সজাগতা সভাত ৰাভা হাছং পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভা; কাৰ্য্যবাহী সদস্য অৰ্জুন চেত্ৰী, ৰাভা হাছং পৰিষদৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্যবাহী সদস্য প্ৰবোধ কলিতা, সাধাৰণ সদস্যা মিনতি বড়ো, বি কে ডব্লিউ এ চিৰ কাৰ্য্যবাহী সদস্য দশৰথ বড়ো, মহকুমা স্বাস্থ্য বিষয়া ডাঃ ধ্ৰুৱ বৰুৱা, বকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ যক্ষ্মা ৰোগ চিকিৎসা পৰিদৰ্শক ধ্ৰুৱজ্যোতি মেধিৰ উপৰিও ৰাভা হাছং যৌথ মঞ্চৰ বহুকেইজন বিষয় ববীয়া আৰু বহু সংখ্যক বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। ইফালে যক্ষ্মা ৰোগ অৰ্থাৎ টিবি ৰোগ প্ৰতিৰোধ তথা মুক্ত অভিযান আৰু সজাগতা সভাত সংশ্লিষ্ট ৰোগ বিধৰ ওপৰত আলোকপাত কৰি সজাগতাৰ ফলত এই ৰোগ বিধৰ চিকিৎসাৰ উপায় আছে বুলি জানিব দিয়ে। ইয়াৰ পিছতে এই ৰোগীক ঔষধ আৰু পৰিপুষ্টি খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰি প্ৰবোধ কলিতাই কয় যে- সমগ্ৰ ৰাভা হাছং এলেকাত এই সজাগতা অভিযান পালন কৰা হৈছে আৰু ২০২৮ চনৰ আগে আগে ৰাভা হাছং পৰিষদ এলেকাত যক্ষ্মা ৰোগ নিৰ্মূল কৰা হ’ব। লগতে ৰাইজক সজাগ হ’বলৈ আহ্বান জনায়।

# নাহৰকটীয়াৰ ৰে’লৱে কলনিত চোৰৰ দপদপনী

**অসম বাৰ্তা, নাহৰকটীয়া, ২০ মে’ ঃ** যোৱা কিছুদিনৰ পৰা চুৰৰ ৰম্যভূমিত পৰিণত হৈছে নাহৰকটীয়া। কিছুদিন পূৰ্বে নাহৰকটীয়া বিভিন্ন অঞ্চলৰ পৰা চুৰে ধাৰাবাহিক অভিযান চলাই কেইবাটাও ঘৰৰ পৰা লুটি নিছিল দৈনিক ব্যৱহাৰ্য মুল্যৱান সামগ্ৰী। নাহৰকটীয়া আৰক্ষীয়ে ক্ষিপ্ৰতাৰে তালাচি চলাই ন টাকৈ গভাইট চুৰক গ্ৰেপ্তাৰ কৰি জেল হাজুতলৈ প্ৰেৰণ কৰিছে। যোৱা এসপ্তাহৰ ভিতৰতে নাহৰকটীয়া ৰে’লৱে কলনিৰ প্ৰায় পাঁচটা ঘৰৰপৰা অত্যাৱশ্যকীয় সা- সামগ্ৰী চুৰি কৰে। উল্লেখযোগ্য যে নাহৰকটীয়া ৰে’লৱে কলনিৰ শচীন কুমাৰ শ্বাহ, নিপেন সোণোৱাল, মাহাত্মা শ্বাহ, উমেশ দাস আৰু জনৈক আহমেদ নামৰ ব্যক্তি কেইজনৰ ঘৰৰ পৰা গেছ চিলিণ্ডাৰ, ম’বাইলকে ধৰি অত্যাধুনিক সামগ্ৰী চুৰি কৰি উধাও হয় ধুৰন্দৰ চুৰ কেইটা। নাহৰকটীয়া আৰক্ষীৰ তৎপৰতাত চুৰৰ বৃহৎ দল এটাক গ্ৰেপ্তাৰ কৰে যদিও চুৰি কাৰ্যৰ লগত জড়িত গভাইত চুৰ এতিয়াও নাহৰকটীয়াত তিঘিলঘিলাই আছে বুলি সন্দেহ প্ৰকাশ কৰিছে একাংশই। চুৰৰ দপদপনি নাহৰকটীয়াত কেতিয়া অন্ত পৰিব সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ’ব।

# ২৪ মে’ত তিনিচুকীয়াত সদৌ মৰাণ ছাত্ৰ সন্থাৰ শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান

নগদ মাননিৰ সৈতে বিশেষ বঁটা প্ৰদান

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২০ মে’ ঃ** সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সন্থাৰ শৈক্ষিক ন্যাসৰ সহযোগত অহা ২৪ মে’, ২০২৬ তাৰিখে দেওবাৰে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক কেন্দ্ৰত “শৈক্ষিক বঁটা প্ৰদান আৰু অভিনন্দন অনুষ্ঠান”ৰ আয়োজন কৰা হৈছে। সদৌ মৰাণ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক পৰাগ চেতিয়াই জনোৱা মতে, এইবাৰৰ অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা মৰাণ জনজাতিৰ সকলো ছাত্ৰ-ছাত্ৰীক শৈক্ষিক অভিনন্দন জ্ঞাপন কৰা হ’ব। যদি মৰাণ জনজাতিৰ ভিতৰত ৮০ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা কোনো ছাত্ৰ-ছাত্ৰীৰ নাম এতিয়াও তালিকাত অন্তৰ্ভুক্ত হোৱা নাই, তেন্তে তেওঁলোকক শীঘ্ৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদকৰ সৈতে যোগাযোগ কৰি নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ উপৰি জনগোষ্ঠীটোৰ মেধাৱীসকলক নগদ মাননিৰ লগতে সম্বৰ্ধনা পত্ৰ আৰু বিভিন্ন কিতাপৰ টোপোলাৰে বিশেষ বঁটাৰে সন্মানিত কৰা হ’ব। ছেবাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক ৰবীন মৰাণ শৈক্ষিক বঁটা আৰু দ্বিতীয় সৰ্বাধিক নম্বৰপ্ৰাপ্তক শ্ৰী শ্ৰী লিহিং চন্দ্ৰ মহন্ত শৈক্ষিক বঁটা প্ৰদান কৰা হ’ব। আনহাতে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক ভুবন চুতীয়া শৈক্ষিক বঁটা আৰু দ্বিতীয় সৰ্বোচ্চ নম্বৰপ্ৰাপ্তক ঘণকান্ত মৰাণ শৈক্ষিক বঁটা প্ৰদান কৰা হ’ব। একেদৰে কেন্দ্ৰীয় ব’ৰ্ডৰ অধীনত অনুষ্ঠিত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা মৰাণ ছাত্ৰ-ছাত্ৰীক মোহন শইকীয়া শৈক্ষিক বঁটা আৰু ড° ফটিক চন্দ্ৰ বৰুৱা শৈক্ষিক বঁটা প্ৰদান কৰা হ’ব। ইফালে ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মৰাণ জনজাতিৰ ছোৱালীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা গৰাকীলৈ মৰাণ জাতীয় মহিলা পৰিষদে বীৰাংগনা ৰাধা ৰুকুণী বঁটা আগবঢ়াব বুলিও শিক্ষা সম্পাদকগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব জ্যেষ্ঠ সাংবাদিক ড° কুমুদ দাস, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সত্যকাম বৰঠাকুৰ আৰু স্বায়ত্ত শাসিত তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চৈতন্য বৰা। আনহাতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত ছাত্তাৱান আৰু অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ মুখ্য আৱাসিক বিষয়া বিনয়া নন্দ ভৰালী। শিক্ষা সম্পাদক পৰাগ চেতিয়াই লগতে কয় যে, “সত্য, নিষ্ঠা, সমতা” মূলমন্ত্ৰৰে আগবাঢ়ি অহা সন্থাই শৈক্ষিক ক্ষেত্ৰত জিলিকি উঠা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ বাবেই এই পদক্ষেপ গ্ৰহণ কৰিছে। সন্থাই সমূহ মৰাণ ৰাইজক অনুষ্ঠানত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ আহ্বান জনাইছে।

গহপুৰৰ ভাস্কৰ্য শিল্পী হেমচন্দ্ৰ শইকীয়াৰ কৰুণ অৱস্থা

# মুখ্যমন্ত্ৰীক দিছিল নিজে তৈয়াৰ কৰা তিনিটাকৈ কাঠৰ গড়

**অসম বাৰ্তা, গহপুৰ, ২০ মে’ ঃ** ভাস্কৰ্য আৰু স্থাপত্য শিল্প তৈয়াৰৰ কৰ্মৰে নিজৰ শিল্প প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হোৱা গহপুৰৰ এগৰাকী ভাস্কৰ্য আৰু স্থাপত্য শিল্পী হেমচন্দ্ৰ শইকীয়াৰ কৰুণ অৱস্থা প্ৰত্যক্ষ কৰিলে সকলো হৃদয়বান লোকৰে অন্তৰআত্মাই হাহাকাৰ কৰি উঠিব। ভাস্কৰ্য আৰু স্থাপত্য শিল্পৰ কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে কেৱল আনক দেখিয়েই শিল্প চৰ্চাত ব্ৰতী হৈ সফলতাৰ বাট বুলা হেম চন্দ্ৰ শইকীয়া বৰ্তমান শাৰীৰিক অসুস্থতাৰ বাবে থমকি ৰ’ব লগা হৈছে। গহপুৰ সমজিলাৰ ডুবিয়া গাঁও পঞ্চায়তৰ ডুবিয়া যোৰহটীয়া গাঁৱৰ নিৱাসী হেম চন্দ্ৰ শইকীয়াই শিল, বালি, চিমেণ্টৰ লগতে কাঠৰ টুকুৰাৰে বিভিন্ন ভাস্কৰ্য শিল্প তৈয়াৰ কৰি উক্ত শিল্প বিক্ৰী কৰি নিজৰ জীৱন জীৱিকাৰ পথ প্ৰশস্ত কৰি থকাৰ সময়তে তেখেতৰ জীৱনলৈ নামি আহিল কাল অমানিশা। অসমৰ অতি জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তিনিবাৰকৈ নিজ হাতেৰে তৈয়াৰ কৰা কাঠৰ গঁড় উপহাৰ দিয়া হেমচন্দ্ৰ শইকীয়াই এতিয়া নিজৰ উপযুক্ত চিকিৎসাৰ বাবে সহায়ৰ আহ্বান জনালে অসমৰ মুখ্যমন্ত্ৰীক। উল্লেখ্য যে নিৰালস্য ভাবে নিজৰ শিল্প সাধনাত ব্ৰতী থকা হেম চন্দ্ৰ শইকীয়াই বিগত এমাহ ধৰি শয্যাগত অৱস্থাত থাকিব লগা হৈছে। এমাহ পূৰ্বে স্নায়ু জনিত ৰোগত আক্ৰান্ত হৈ কঁকালৰ তলৰ অংশ একেবাৰে বিকল হৈ পৰা হেমচন্দ্ৰ শইকীয়াই গহপুৰ, লক্ষিমপুৰ আৰু গুৱাহাটীত চিকিৎসা কৰাৰ নামত নিজৰ সঞ্চিত ধনৰ উপৰিও গৰু ছাগলি, খেতিৰ মাটি পৰ্যন্ত বিক্ৰী কৰিব লগা হ’ল। বৰ্তমান উন্নত চিকিৎসাৰ বাবে অৰ্থৰ অভাৱ ঘটাত হেমচন্দ্ৰ শইকীয়াই চিকিৎসা অবিহনে বিছনাখনকে সংগী কৰি দিন অতিবাহিত কৰিব লগাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হৈছে। নিজৰ ৰোগৰ উন্নত চিকিৎসাৰ বাবে হেমচন্দ্ৰ শইকীয়াই অসমৰ মুখ্যমন্ত্ৰীৰ লগতে মানৱদৰদী লোকৰ পৰা আৰ্থিক সাহায্যৰ কাতৰ আহ্বান জনাইছে। কোনো পুত্ৰ সন্তান নথকা হেমচন্দ্ৰ শইকীয়াই শিল্প কৰ্মৰ যোগেদিয়ে নিজৰ পত্নী সহ দুজনীয়া পৰিয়ালটো সুচাৰু ৰূপে চলাই থকা সময়তে তেখেতৰ ভৰি দুখন বিকল হৈ যোৱাত দিক বিদিক হেৰুৱাই পেলাইছে। কোনো সদাশয় লোকে শিল্পী গৰাকীৰ চিকিৎসাৰ বাবে আৰ্থিক সাহায্য আগবঢ়াব বিচাৰিলে 9394964773 নম্বৰত যোগাযোগ কৰিব পাৰিব অথবা তেখেতৰ পত্নীৰ নামত ভাৰতীয় ষ্টেট বেংক বালিজান শাখাত থকা 34516239951 নম্বৰৰ একাউণ্টত অৰ্থ জমা দিব পাৰিব। বেংকৰ শাখাটোৰ IFSC নম্বৰ হৈছে SBIN0009150।

# শ্বহীদ তিলক ডেকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিদায়ী সভা অনুষ্ঠিত

**অসম বাৰ্তা, বেৰেজীয়া, ২০ মে’ ঃ** মৰিগাঁও জিলাৰ বাৰপূজীয়া নিজমিকিৰ গাঁৱৰ শ্বহীদ তিলক ডেকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ মেধি ডাঙৰীয়াই যোৱা ২৮ ফেব্ৰুৱাৰী তাৰিখে অৱসৰ গ্ৰহণ কৰে। তদুপলক্ষে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পূৰ্ণিমা দেৱীৰ নেতৃত্বত বিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰী সকলে আজি ১৮ মে’ ২০২৬ তাৰিখে শিক্ষা গুৰু গৰাকীক আনুষ্ঠানিকভাৱে বিদায়ী সম্ভাষণ জনাবলৈ এক বিশেষ অনুষ্ঠানৰো আয়োজন কৰে। বিদ্যালয় খনিৰ পৰিচালনা সমিতিৰ সভাপতি পুলিন চন্দ্ৰ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত সভা খনিৰ আৰম্ভণিতেই দশম মানৰ ছাত্ৰ-ছাত্ৰী সকলে এটি সমবেত সংগীত পৰিবেশন কৰে। সহকৰ্মী আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে শ্ৰদ্ধাৰ প্ৰধান শিক্ষক গৰাকীক এক আবেগিক পৰিবেশৰ মাজত বিদায়ী সম্ভাষণ জনায়। কোনোৱে শৰাই, কোনোৱে গামোচা-চেলেং, কোনোৱে গ্ৰন্থ, কোনোৱে গছৰ পুলি, কোনোৱে স্মাৰক, সম্বৰ্ধনা পত্ৰ আদি আগবঢ়াই শিক্ষাগুৰু জনৰ পৰা আৰ্শীবাদ গ্ৰহণ কৰি এক শোকাকুল পৰিবেশ সৃষ্টি কৰে। অনুষ্ঠানটিত উপস্থিত থাকি বক্তব্য ৰাখে পৰিচালনা সমিতিৰ উপ-সভাপতি শ্ৰীমন্ত কুমাৰ ডেকা, বাৰপূজীয়া শাখা সাহিত্য সভাৰ সভাপতি ডাঃ প্ৰদীপ কুমাৰ ডেকা, জেষ্ঠ নাগৰিক সন্থাৰ সভাপতি দুলেন চন্দ্ৰ ডেকা আৰু সম্পাদক প্ৰনৱ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল সেনাপতি, প্ৰদীপ নাথ আদি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। অনুষ্ঠানটিৰ সঙ্গতি ৰাখি সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিশেষ সফলতা প্ৰদৰ্শন কৰা বিদ্যালয় খনিৰ সাত গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনাই বিদ্যালয় কৰ্তৃপক্ষই। শিক্ষক ৰাতুল নাথ আৰু অঞ্জলি দেৱীয়ে সমগ্ৰ অনুষ্ঠানটি আঁত ধৰি সফল ৰূপায়ণৰ বাবে সকলোকে কৃতজ্ঞতা জনায়।

# বাহনাত ভালুকৰ মুক্ত বিচৰণ

**অসম বাৰ্তা, যোৰহাট, ২০ মে’ ঃ** আজি দুদিন ধৰি বাহনা অঞ্চলৰ ৰংদৈ দ-গাঁও আৰু গোহাঁই টিকা অঞ্চলত এটা ভালুকে মুক্ত বিচৰণ বুলি স্থানীয় লোক আৰু বন বিভাগৰ পৰা জানিব পৰা গৈছে। বনাঞ্চলিক বিষয়া গুণেশ্বৰ বৰাই যনোৱা মতে প্ৰথমে পশ্চিম যোৰহাটৰ মালৌ পথাৰ অঞ্চলত ভালুকটো মুক্ত বিচৰণ কৰা কোনো লোকে প্ৰত্যক্ষ কৰে। স্থানীয় লোকে বন বিভাগক জনোৱাত বুলি বন বিভাগৰ তহলদাৰী গোটে ভালুক টোৱে যাতে কোনো সন্ত্ৰাস চলাব নোৱাৰে সেই ক্ষেত্ৰত চোকা নজৰ ৰাখিছে। আনহাতে ১৭ মে’ৰ সন্ধিয়া ভালুকটো ৰংদৈ দ-গাঁৱৰ আৰু গোহাঁই টিকা অঞ্চলত বাটৰুৱাই প্ৰত্যক্ষ কৰিছে বুলি কোৱাত বন বিভাগৰ কৰ্মীয়ে সেই অঞ্চলত পহৰা দি আছে। উল্লেখযোগ্য যে বৰ্তমান বন বিভাগৰ কৰ্মী য়ে ভালুকটো বাহনা অঞ্চলত প্ৰত্যক্ষ কৰা নাই যদিও মাটিত ভালুকৰ খোজ দেখা পাইছে বুলি জনাইছে। ভালুকটো সেই অঞ্চলৰ হাবিত থকাটো নিশ্চিত বুলি ভাবি বন বিভাগে অনুভাষ যন্ত্ৰৰ দ্বাৰা ৰাইজক নিৰাপদ স্থানত থাকিব লৈ সতৰ্কবাণী শুনাইছে বুলি বন বিভাগৰ পৰা জানিব পাৰি।

# চাৰি গৰাকী কবিক “ব’হাগী বৰণ” প্ৰদান; কুৰিৰো অধিক কবিৰ কবিতা পাঠ

# গহপুৰ কবি কাননৰ বিশেষ সভা

**অসম বাৰ্তা, গহপুৰ, ২০ মে’ ঃ** সদৌ অসম কবি সন্মিলনৰ অন্যতম সক্ৰিয় শাখা হিচাপে সুপৰিচিত গহপুৰ কবি কাননৰ এখন বিশেষ সভা আজি বিয়লি ৩ বজাৰ পৰা গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভা গৃহত অনুষ্ঠিত হয়। গহপুৰ কবি কাননৰ সভানেত্ৰী নিকুঞ্জ কোঁৱৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভা খনৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে সামগ্ৰিক ভাৱে আঁত ধৰে গহপুৰ কবি কাননৰ সম্পাদক বীৰেন কাথ হাজৰিকাই। বিশিষ্ট লেখক তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিগন্ত গোহাঁইয়ে শুভ উদ্বোধন কৰা সভা খনত শশীপ্ৰভা বৰুৱা, পুষ্প হাজৰিকা, জৱাহৰলাল মিলি, সাবিত্ৰী বৰুৱা, ড° বিপুল শইকীয়া, ড° মিতালী হাজৰিকা, দিগন্ত গোহাঁইসহ কুৰিৰো অধিক কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। পৰৱৰ্তী কাৰ্য্যসূচী অনুসৰি সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰেৰণ কৰা “ব’হাগী বৰণ”ৰ আটকধুনীয়া সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয় চাৰি গৰাকী বিশিষ্ট কবি ক্ৰমে ড° বিপুল শইকীয়া, ড° মিতালী হাজৰিকা, মঞ্জুমণি শইকীয়া আৰু অনন্ত শইকীয়াক। কবি চাৰি গৰাকীক গহপুৰ কবি কাননৰ তৰফৰ পৰাও চেলেং আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে গহপুৰ কবি কাননৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰাৰ সন্দৰ্ভত আলোচনা কৰি অহা ৫ জুলাইত দিনজোৰা কাৰ্যসূচীৰে অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভা খনত বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি গহপুৰ কবি কাননৰ মুখপত্ৰ “ৰূপহী পাৰৰ কবিতা”ৰ বিশেষ সংখ্যা প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে ড° বিপুল শইকীয়াক সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰা হয়। গহপুৰৰ বিশিষ্ট সংগীত শিল্পী লীলা তিমচিনাই এটি গীত পৰিৱেশন কৰি সভাখন সজীৱ কৰি তোলে। গহপুৰ কবি কাননৰ মুখ্য উপদেষ্টা, কবি নগেন কোঁৱৰ আৰু বিশিষ্ট লেখিকা তথা গহপুৰ কবি কাননৰ প্ৰাক্তন সভানেত্ৰী সবিতা কোঁৱৰ, সুলেখিকা অঞ্জু দত্ত বৰাই সাংগঠনিক দিশত চমু বক্তব্য প্ৰদান কৰা গাম্ভীৰ্যপূৰ্ণ সভা খনত কবি বিদ্যা গগৈ দাস, অসীম হাজৰিকা, খগেন বৰা, গোপাল নেৱাৰসহ একাধিক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সম্বৰ্ধিত ব্যক্তি সকলৰ তৰফৰ পৰা কৃতজ্ঞতা সূচক চমু বক্তব্য প্ৰদান কৰি ড° বিপুল শইকীয়া আৰু ড° মিতালী হাজৰিকাই গহপুৰ কবি কাননৰ সক্ৰিয়তাৰ শলাগ লয়। শেষত কাব্যমন্ত্ৰ পাঠেৰে সভাৰ সফল সামৰণি ঘোষণা কৰা হয়।

# মাজুলীৰ আয়ুৰ্বেদিক চিকিৎসালয়ত অধীক্ষকৰ সংবাদমেল

## চিকিৎসালয়খন কাৰ্যক্ষম কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰলৈ দাবী; ৰাজহুৱা সভাৰ অভিযোগ খণ্ডন অধীক্ষক ডাঃ হিমাংশু বুজৰবৰুৱাৰ

**অসম বাৰ্তা, মাজুলী, ২০ মে’ ঃ** অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনত প্ৰতিষ্ঠিত মাজুলীৰ প্ৰধান চিকিৎসা প্ৰতিষ্ঠান ‘মাজুলী জিলা আয়ুৰ্বেদিক চিকিৎসালয়’ সন্দৰ্ভত স্থানীয় ৰাইজৰ এখন সভাত চিকিৎসালয় খনৰ পয়ালগা অৱস্থাৰ অৱসান বিচাৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি সংবাদ মাধ্যমত অৱগত কৰি মুখ্য মন্ত্ৰী, স্থানীয় বিধায়ক তথা জিলা প্ৰশাসনক স্মাৰকপত্ৰ দাখিল কৰাৰ বিষয়ে সদৰি কৰিছিল। তদুপৰি আন্তঃগাঁথনি উন্নয়ন আৰু স্থায়ী চিকিৎসক নিযুক্তিৰ দাবী, আদি কেইবাটাও বিষয়ত অধীক্ষক গৰাকীৰ ওপৰত অভিযোগ উত্থাপন কৰিছিল যোৱা ১৪ মে তাৰিখে। মুখ্যমন্ত্ৰী আৰু বিধায়কৰ উদাসীনতাৰ বাবেই চিকিৎসালয়খনৰ এনে দুৰৱস্থা হ’বলগীয়া হোৱা, আৰম্ভণিতে চমক সৃষ্টি কৰি আঠজনকৈ সুদক্ষ চিকিৎসক নিয়োগ কৰা হৈছিল যদিও বৰ্তমান মাত্ৰ দুজন চিকিৎসকে সেৱা আগবঢ়াই থকা বুলিও সভাত অংশগ্ৰহণ কৰা লোক সকলে অভিযোগ উত্থাপন কৰিছিল। চিকিৎসালয়খনত ৪টাকৈ চিকিৎসক পদৰ লগতে গাণনিক বিষয়া, ঔষধ বিতৰক, নাৰ্ছ আৰু পৰীক্ষাগাৰ কৰ্মীৰ পদ আজিও খালী হৈ আছে। প্ৰথমে অধীক্ষকসহ আঠজনকৈ দক্ষ চিকিৎসক নিযুক্তি দিয়া হৈছিল যদিও এতিয়া নামতহে চিকিৎসালখনৰ ঘৰকেইটা আছেগৈ বুলি ৰাম কুমাৰ পেগুৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত ৰাইজে অভিযোগ কৰে যে চিকিৎসক আৰু কৰ্মচাৰীৰ অভাৱৰ লগতে প্ৰশাসনিক অনিয়মৰ বাবে চিকিৎসালয়খনত চিকিৎসা সেৱা সম্পূৰ্ণৰূপে বিঘ্নিত হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে, অলপতে চিকিৎসালয়খনক কেন্দ্ৰ কৰি একাংশ লোকে আয়োজন কৰা ৰাজহুৱা সভাত উত্থাপিত হোৱা বিভিন্ন অভিযোগ আজি চিকিৎসলয়খনিৰ অধীক্ষক গৰাকীয়ে আয়োজন কৰা এক সংবাদ মেলত অভিযোগ সমূহ সম্পূৰ্ণ ৰূপে নস্যাৎ কৰে। সংবাদ মেলৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষ আৰু মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি অতি শীঘ্ৰে ইয়াত স্থায়ী চিকিৎসক নিযুক্তিৰ দাবী জনোৱা হয় বুলি উল্লেখ কৰে অধীক্ষক হিমাংশু বুজৰবৰুৱাই। শেহতীয়াভাৱে চিকিৎসালয়খনৰ ব্যৱস্থাপনা আৰু কৰ্মচাৰীসকলক লক্ষ্য কৰি একাংশ মহলে যি ৰাজহুৱা সভা পাতি ভিত্তিহীন অভিযোগ উত্থাপন কৰিছিল, তাক আজিৰ সংবাদ মেলত স্পষ্টভাৱে খণ্ডন কৰা হয়। কৰ্তৃপক্ষই জনায় যে চিকিৎসালয়খনে সীমিত সম্পদৰ মাজতো সেৱা আগবঢ়াই আহিছে আৰু কোনো ধৰণৰ অনিয়মক প্ৰশ্ৰয় দিয়া হোৱা নাই। মাজুলীৰ দৰে নদী দ্বীপৰ জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষাৰ স্বাৰ্থত আয়ুৰ্বেদিক চিকিৎসালয়খনক পূৰ্ণাংগ ৰূপত সক্ৰিয় কৰি তুলিবলৈ মুখ্যমন্ত্ৰীলৈ এখন সবিশেষ আবেদন তথা স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ কথা সংবাদ মেলত উল্লেখ কৰে। দিনৰ ১১-৩০ বজাৰ পৰা অধীক্ষকৰ কাৰ্যালয়ত অনুষ্ঠিত এই সংবাদ মেলত চিকিৎসা কৰ্মী, বিষয়ববীয়া, সংবাদকৰ্মীসকল উপস্থিত থাকে। চিকিৎসালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে সকলো পক্ষকে উৰাবাতৰিত ভোল নগৈ গঠনমূলক সহযোগিতা আগবঢ়াবলৈ অধীক্ষক গৰাকীয়ে আহ্বান জনায়। ইফালে অধীক্ষক জনে সংবাদ মাধ্যম সংবাদ মাধ্যমত প্ৰকাশ কৰা বক্তব্য স্থানীয় ৰাইজে মানি লব পৰা নাই বুলি সংবাদ মাধ্যমক অৱগত কৰে।

## সম্পাদকীয়

# 'ককৰোচ জনতা পাৰ্টি' ঃ ব্যংগ নে প্ৰতিবাদৰ ৰূপ ?

ভাৰতৰ ৰাজনীতিত এক আচৰিত আৰু অভিনৱ ঘটনা দেখিবলৈ পোৱা গৈছে। দেশত এটা নতুন ৰাজনৈতিক দলৰ জন্ম হৈছে, যাৰ নাম ৰখা হৈছে ককৰোচ জনতা পাৰ্টি (চি জে পি)। নিজকে 'ব্যংগাত্মক ৰাজনৈতিক গোট' বুলি দাবী কৰা এই সংগঠনটোত ইতিমধ্যে তৃণমূল কংগ্ৰেছৰ দুজন হাই-প্ৰফাইল সাংসদ - মহুয়া মৈত্ৰ আৰু কীৰ্তি আজাদে যোগদান কৰিছে। আক্ষৰিক অৰ্থত এইটো কোনো প্ৰকৃত ৰাজনৈতিক দল নহয়; বৰং, সুপ্ৰিম কোৰ্টৰ প্ৰধান ন্যায়াধীশ সূৰ্যকান্তৰ এটা বিতৰ্কিত মন্তব্যৰ প্ৰতিবাদৰ ফলস্বৰূপে ইয়াৰ সৃষ্টি কৰা হৈছে। আমেৰিকাৰ বষ্টন বিশ্ববিদ্যালয়ৰ ছাত্ৰ অভিজিৎ ডিপকে প্ৰতিষ্ঠা কৰা এই ভাৰ্চুৱেল দলটোৰ সদস্য সংখ্যাই ইতিমধ্যে ৭০ হাজাৰ অতিক্ৰম কৰিছে।

কিন্তু প্ৰশ্ন হয়- মুখ্য ন্যায়াধীশগৰাকীয়ে এনে কি কৈছিল ? কিছুদিন আগতে গোচৰৰ শুনানিৰ সময়ত তেওঁ মন্তব্য কৰে যে "কৰ্মহীন বা নিবনুৱা যুৱক-যুৱতীসকলে ক'তো একো কৰিব নোৱাৰি সাংবাদিকতা, সমাজকৰ্ম বা আইনৰ দৰে বৃত্তি আঁকোৱালি লয়।" এই মন্তব্যক নিবনুৱাসকলক 'পইতাচোৰা' আৰু 'পৰজীৱী'ৰ সৈতে তুলনা কৰা বুলি ব্যাখ্যা কৰি দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হয়। পিছলৈ ন্যায়াধীশে স্পষ্টীকৰণ দি কয় যে এয়া মাত্ৰ মৌখিক পৰ্যবেক্ষণ আৰু ইয়াৰ ভুল ব্যাখ্যা কৰা হৈছে। তথাপি বিৰোধী শিবিৰৰ ৰাজনীতিবিদৰ পৰা আৰম্ভ কৰি সাধাৰণ নাগৰিকলৈকে প্ৰশ্ন উত্থাপন কৰিছে- এনেধৰণৰ ভাষ্য এজন মুখ্য ন্যায়াধীশৰ যোগ্য নে ?

এই প্ৰেক্ষাপটতে জন্ম হয় ককৰোচ জনতা পাৰ্টিৰ। দলটোৱে নিজৰ ৫-দফীয়া ইস্তাহাৰ প্ৰকাশ কৰি চৰম ব্যংগৰ সৃষ্টি কৰিছে- অৱসৰৰ পিছত মুখ্য ন্যায়াধীশ ৰাজ্যসভাৰ সাংসদ হ'ব নোৱাৰিব; দল সলনি কৰা প্ৰতিনিধিয়ে ২০ বছৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব; মহিলাৰ বাবে ৫০% সংৰক্ষণ সংসদৰ আসন সংখ্যা বৃদ্ধি নকৰাকৈ দিব লাগে; নিট পৰীক্ষাৰ ফাদিল বিতৰ্কত পৰীক্ষাৰ্থীৰ কাষত থিয় দিব লাগে। লগতে দলটোৰ সদস্য হ'বলৈ 'নিবনুৱা আৰু এলেহুৱা' হোৱাটো বাধ্যতামূলক- এইখন হাস্যৰসৰ সৃষ্টি নে বাস্তৱৰ তিক্ত সত্য ? সাধাৰণ মানুহৰ মনত বহু প্ৰশ্নই উত্থান ঘটাইছে। প্ৰথমে, এই দলটোৱে নিৰ্বাচন আয়োগত পঞ্জীয়ন কৰিব নে ? যদি কৰে, তেন্তে 'এলেহুৱা' মতাদৰ্শৰ ৰাজনীতি কি দিশে আগবাঢ়িব ? দ্বিতীয়তে, মুখ্য ন্যায়াধীশৰ মন্তব্যক ইমান বঢ়াই চোৱাটো যুক্তিসংগত নে ? নে ন্যায়পালিকা আৰু নিবনুৱা সমস্যাৰ মাজত গভীৰ অমিল থকাৰ ইংগিতহে ই ? তৃতীয়তে, মহুয়া মৈত্ৰ আৰু কীৰ্তি আজাদৰ দৰে প্ৰবীণ ৰাজনীতিবিদে এনে ব্যংগাত্মক দলত যোগ দিয়াৰ জৰিয়তে কি বাৰ্তা দিব বিচাৰিছে- তৃণমূল কংগ্ৰেছৰ প্ৰতি অসন্তোষ নে ন্যায়াধীশৰ প্ৰতি ব্যক্তিগত ক্ষোভ ?

যি কি নহওক, 'ককৰোচ জনতা পাৰ্টি' নামটোৱে যিমান বিদ্ৰূপ আৰু ধেমালিৰ সৃষ্টি কৰিছে, সিমানেই ই গুৰুত্বপূৰ্ণ প্ৰশ্নও উত্থাপন কৰিছে। যেতিয়া দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰধান বিষয়াৰ মন্তব্যৰ প্ৰতি প্ৰতিবাদ জনাবলৈ যুৱসকলে 'পইতাচোৰা বাহিনী'ৰ সাজ পিন্ধি ৰাজপথলৈ ওলাই আহে, তেতিয়া ই সুস্থ সমাজৰ বাবে এক চিন্তনীয় বিষয়। নিবনুৱা সমস্যা, ন্যায়িক ভাষ্যৰ সীমাৰেখা, আৰু ব্যংগৰ জৰিয়তে ৰাজনৈতিক মত প্ৰকাশৰ স্বাধীনতা- এই সকলো দিশেৰে আলোচিত এই অভিনৱ ঘটনাই শেষত এয়ে প্ৰমাণ কৰে যে আধুনিক ভাৰতৰ যুৱ প্ৰজন্মে হাস্যৰসকো প্ৰতিবাদৰ অস্ত্ৰ হিচাপে গ্ৰহণ কৰিবলৈ শিকিছে। যদিও চি জে পি চিৰস্থায়ী ৰাজনৈতিক দল হিচাপে গঢ় লৈ উঠিব নে কেৱল ছ'চিয়েল মিডিয়াৰ স্মৃতি হৈ থাকিব, সেয়া সময়েই ক'ব। কিন্তু ইতিমধ্যে ই সমাজত এটা ডাঙৰ প্ৰশ্ন ৰাখি গৈছে- "আমি নিবনুৱা বুলি পইতাচোৰা নে সমাজখনেহে আমাক পইতাচোৰা বুলি চিনাক্ত কৰিছে?"

# ঋণ আৰু ৰোগ

## বিপুল চন্দ্ৰ দাস

সকলো মানুহে নিজৰ নিজৰ উপাৰ্জন কৰি পৰিয়াল পোহপাল দিয়ে। খাই বৈ জীয়াই থাকিবলৈ বহুত বেছি মানুহৰ টকা প ইচা প্ৰয়োজন নাই। কিন্তু এতিয়া মানুহবোৰ প্ৰতিযোগিতা মুলক হৈ পৰিছে। অৱশ্যে আগৰ তুলনাত শিক্ষা দীক্ষা বহুত উন্নত হৈছে। পুৰণি কলীয়া সা সজুঁলিৰ সলনি আধুনিক হৈছে। যান বাহন অনেক ৰকমৰ ওলাইছে। সেয়ে মানুহৰ সময় ৰাহি হৈছে। কম সময়তে বহুত কাম কৰিব পৰা হৈছে। অৰ পৰা তললৈ কম সময়তে গৈ পাইছে। মানুহৰ এতিয়া উৎসৱ পাৰ্বন বাঢ়ি গ'ল। ইঘৰে ল'ৰা ছোৱালীৰ ডাঙৰকৈ জন্ম দিন পালন কৰিছে। সিঘৰৰ ল'ৰা ছোৱালীয়ে মাক দেউতাকক কৈছে। মা আমাৰো এইবাৰ জন্ম দিন পাতিব লাগিব। আকৌ সিফালৰ ঘৰে ছোৱালীৰ তুলনী বিয়া নে একেবাৰে আচল বিয়া পাতিছে ধৰিবই নোৱাৰি। বহুত বেছি ব্যয়বহুল কৰি মানুহক চমক খুৱাইছে। আজিকালি দেখিবলৈ পালোঁ। নিশাৰ ভাগত তুলনী বিয়াত হাজাৰ হাজাৰ টকা খৰচ কৰি ফটকা ফুটাই ওচৰ চুবুৰীয়াক কঁপাই দিয়ে। এনেকৈ মানুহৰ মাজত জেদা জেদি প্ৰতিযোগিতা ভাৱ আহি গ'ল। এতিয়া কোনোৱে নকৰাকৈ থাকিব নোৱাৰা হ'ল। সকলো ধৰ্ম কৰ্ম বিয়া বাহু প্ৰায় একাকাৰ হৈ পৰিল। যাৰ আছে সিহঁতৰ কোনো কথা নাই। যাৰ কমকৈ আছে। সিহঁতে ধাৰ ঋণ কৰিব লগা হল। এই যে তেওঁ ধাৰ ঋণ সোমাই গ'ল। তাৰ পৰা ওলাই আহিব নোৱাৰে। হয়তো কোনোবাই পাৰে কিন্তু আকৌ নানা ধৰণৰ কাজ কৰ্ম আহে। আকৌ ঋণ লৈ কাম কৰে। সাহস বাঢ়ি যায়। লাহে লাহে এক প্ৰতিযোগিতা সোমাই পৰে। ঠিক এনেকুৱা সময়তে মানুহৰ মাজত আহি পৰিল মাক্ৰোফাইনেচ লোণ। বহু মানুহে বিচাৰ বিবেচনা নকৰি একে লগে এক লাখ টকা পাব। সপ্তাহত, পোন্ধৰ দিনত বা মাহত অলপ অলপকৈ কিস্তি দি দি ধাৰ মাৰিব। এটি যেন সুন্দৰ সুযোগ আহিল। প্ৰায় সকলোৱে ইয়াৰ সুবিধা ল'বলৈ আগবাঢ়ি আহিল। বহু লোকে লৈ ভাল কাম কৰিলে। যেনে ধৰক ই ৰিস্কা ল'লে, কোনোবাই দোকান পোহাৰ দিলে। ঘৰৰ অত্যাৱশ্যকীয় সামগ্ৰী ল'লে। কোনো কোনোৱে ম'বাইল ফোন, বাইক, স্কুটি কিনিলে। মুঠতে হিচাপ নাই কোনে কি কৰিলে। শেষত কিছু মানুহে ঢৌ মাৰি চলিব লগা হল। এনে সময়তে আমাৰ 'কৰুণা বেমাৰ' আহি মানৱ জীৱন প্ৰণালী পৰিৱেশ পৰিস্থিতি সলনি কৰি দিলে। তাৰ নাম 'লকডাউন' যিটো আমি আগে পিছে দেখা শুনা নাই। নিজ চকুৰে মানুহৰ অৱস্থা দেখিলোঁ। ইজনে সিজনে দুৰত্ব বজাই কথা পাতিব লগা হ'ল। মানুহৰ কাম বন নোহোৱা হ'ল। কোনোবাই দিলেহে খাবলৈ পায়। আমাৰ দৰে দুখীয়া মানুহৰ হাহাকাৰ পৰিৱেশ। এনেকুৱা সময়তেই মানুহৰ মাক্ৰোফাইনেচৰ লোণ বোৰ নীতি নিয়ম ভংগ হ'ল। লকডাউন শেষ হোৱাৰ পাছত কিছুমানে ধাৰ মাৰি থাকিল। কিছুমানে সুবিধা ললে। তেনে সময়তে অসমৰ মাননিয় ড হিমন্তবিশ্ব শৰ্মাই নিৰ্বাচনী মিতিঙত ভাষণ দিলে যে আমাৰ মহিলা সকলৰ লোণ সমূহ ৰেহাই দিম প্ৰতিশ্ৰুতি দিলে। নিৰ্বাচনত জয়ী হৈ মুখ্যমন্ত্ৰী হ'ল। কিন্তু মহিলা সকলৰ লোণ বোৰ গোটেই ৰেহাই নহ'ল। কোনোবাই পালে কোনোবাই নেপালে। এইখিনি ঠাইতে বহু পৰিয়াল বৰ বেয়া কৈ ফাচি গ'ল। ইপাৰো নহ'ল। সি পাৰোঁ নহ'ল। লোণৰ মানুহে আহি নানা ধৰণৰ কথা শুনাবলৈ ধৰিলে। এই বিষয়ত কিছুমান ঠাইত মাৰা মাৰি গোণ্ডগোল হ'ল। বৰ্তমান সময়ত ও তেওঁ লোকে আহি মানুহক ঠগ প্ৰৱঞ্চনা কৰিবলৈ ধৰিলে। যিটো অতি দুখৰ বিষয়। এতিয়া ও বহু মানুহ ঋণ গ্ৰস্থ হ'ল। ভালকৈ খাবলৈ পায় নে শুবলৈ পায়। অনাবৰাত ভয় শংকাত দিন নাযায় ৰাতি নুপুৱাই। এনেকুৱা সময়তে মনত পৰি যায় জিতুল সোণোৱালৰ গীতটো "দুখৰ ৰাতিটো যে নোযোৱা নোপোৱা, দেহা মোৰ ভাগৰুৱা। এতিয়া যেন মানুহৰ হাঁহিলে ও যেন বুকুত কিবা এটা লাগি ধৰে। আজি ঋণৰ বাবে সৰ্বহাৰা সৰ্বস্বান্ত। ইয়াৰ উদাহৰণ আমি প্ৰায় বাতৰি কাকতত পাই থাকো অভাৱ অনাটনৰ বাবে আত্মহত্যা কৰে। অৱশ্যে সকলো মৃত্যুৰ কাৰণ ই নহয়। তথাপি কিন্তু আমি যেন ঋণনিৰ্ভৰশীল প্ৰাণী হৈ পৰিলোঁ। এতিয়া আহিছোঁ বেমাৰ। জীৱ জগতৰ সকলো প্ৰাণীৰে বেমাৰ আজাৰ হয়। সেই হিচাপে মানুহৰো অনেক বেমাৰ হয়। কেঁচুৱা কালতে অনেক ৰকমৰ বেমাৰ হয়। মাজ কালত বৰ বিশেষ বেমাৰ নহয়। আকৌ বৃদ্ধ কালত সকলো বেমাৰ বেছি হয়। কাৰণ সকলো ফালৰপৰা মানুহজন দুৰ্বল হৈ পৰে। অৱশ্যে যদিও কৈছোঁ সৰুকালত আৰু বৃদ্ধ কালত হয়। বেমাৰে বয়স চাইনাহে। কেতিয়া কাক খামোচ মাৰি ধৰে একো ঠিকনা নাই। এটো সঁচা কথা। কিন্তু বৰ্তমান সময়ত বেমাৰ পৰিমাণ বহুত বেছি। বেমাৰ আজাৰ বৃদ্ধিৰ মুল কাৰণ হ'ল। ভেজাল খাদ্য। অত্যধিক প্ৰদুষণৰ মাত্ৰা। প্ৰাকৃতিক সৌন্দৰ্য বিশুদ্ধ জলবায়ু কমি গৈছে। এতিয়া এনেকুৱা বস্তু নাই। য'ত ভেজাল নাই। য'ত ঔষধত ভেজাল। কম ডাঙৰ কথা নেকি। হয়তো ইয়াতকৈ দুখৰ কথা নাই। আজিকালি বেমাৰৰ ওপৰত নিৰ্ভৰশীল হৈ ডাঙৰ ব্যৱসায় চলি আছে। মাজে মাজে কাকতে পত্ৰ ই প্ৰকাশ পায় থাকে। কিছুমান মেডিকেলত টকাৰ বাবে ৰোগী কিছু সময় ৰাখি থয়। আকৌ কিছুমান মানুহৰ অভিযোগ শুনা যায় কিছু ডাক্তৰে সাধাৰণ ভাইৰেল জ্বৰত বহু পৰীক্ষা নিৰীক্ষা কৰিবলৈ দিয়ে। অৰ্থাৎ তেওঁ লোকে টকা অহা কথাত গুৰুত্ব বেছি দিয়ে। ৰোগীজনৰ ওপৰত নহয়। তেওঁলোকৰ টকা প ইচা আছেনে নাই। ভাৱিবলৈ সময় নাই। (অৱশ্যে ক্ষমা কৰিব সকলো তেনে নহয়) কিছুমানক ভগৱান বুলি মানিব লাগিব। কি তেওঁ লোকৰ কথা বতৰা। বৰ সুন্দৰ ব্যৱহাৰ। কিছুমান কথা নকলে আধৰুৱা হয়। সেই বাবে কিছুমান কথা ক'বলগীয়া হয়। এতিয়া আমি যদি অলপ কথা গভীৰ ভাবে ভাৱো। কি হ'ব ভাল নম্বৰ পায় পাছ কৰি যদি ডাঙৰ চাকৰি কৰি মানুহৰ মুল্য বুজি নোপোৱা। সমাজৰ কথা চিন্তা নকৰা। মানুহৰ কথা চিন্তা নকৰা। অকল টকা প ইচাৰ চিন্তা। টকা প ইচা সকলোকে লাগিব। খাব লাগিব। থাকিবলৈ ঘৰ লাগিব। অহা-যোৱা কৰিবলৈ গাড়ী মটৰ লাগিব। কথা হ'ল অধিক লোভে মানুহক বহুত বেয়া কৰিছে। যাৰ বাবে বহু লোকে বেমাৰ আজাৰ সহ্য কৰি থাকিব লগা হৈছে। টকাৰ ভয়ত ডাক্তৰৰ ওচৰলৈ নাযায়। এনেদৰে বহু লোকে নিজকে নিজে তিল্‌তিলকৈ ধ্বংস কৰি দিছে। আজি পৃথিৱীখন চাবলৈ বঢ়িয়া লাগিলহেঁতেন যদিহে আমাৰ ঋণ আৰু ৰোগ নহ'লহেতেন। ইহঁতৰ বাবে কতো মানুহৰ সপোন হেৰাই গ'ল। শেষত ভগৱানৰ ওচৰত প্ৰাৰ্থনা হে প্ৰভু আমাক ঋণ আৰু ৰোগৰ পৰা উদ্ধাৰ কৰা।

# অপাৰেচন কোবাল্ট ঃ ভাৰত অশান্ত কৰাৰ ৰাজনীতি

## অজিত বৰুৱা

*২০১১ চনত যেতিয়া আৰব বসন্ত আৰম্ভ হৈছিল, তেতিয়া মেথিউৱে সকলো ভ্ৰমণ সম্পূৰ্ণ কৰি স্বাভাৱিক জীৱনলৈ ঘূৰি আহিছিল। প্ৰেমিকাক লৈ সি ভৱিষ্যতৰ পৰিকল্পনা কৰি আছিল। কিন্তু সেই বছৰৰে ১৭ ফেব্ৰুৱাৰীত লিবিয়াৰ বেনগাজীৰ মানুহে গাদ্দাফিৰ বিৰুদ্ধে এক বৃহৎ সমদল উলিয়াইছিল। প্ৰথম অৱস্থাত এই প্ৰতিবাদ নীৰস্ত্ৰ আৰু শান্তিপূৰ্ণভাৱেই চলিছিল যদিও পিছলৈ গাদ্দাফিৰ সেনাই প্ৰতিবাদকাৰী সকলৰ ওপৰত আক্ৰমণত বহুতো নীৰস্ত্ৰ সাধাৰণ নাগৰিকৰ মৃত্যু হৈছিল। মেথিউৱে নিজৰ লিবিয়ান বন্ধুসকলৰ সৈতে ইণ্টাৰনেটৰ জৰিয়তে যোগাযোগ কৰাত তেওঁলোকে অৱৰ্ণনীয় অত্যাচাৰৰ বিষয়ে মেথিউক অৱগত কৰিলে। সেই সময়খিনি বিদ্ৰোহৰ কেৱল আৰম্ভণিহে আছিল। নাটো, আমেৰিকা বা পশ্চিমীয়া দেশবোৰে টিভিত নিন্দা কৰাৰ বাহিৰে কোনো বিশেষ ভূমিকা লোৱা নাছিল।*

যোৱা মাৰ্চ মাহৰ ১৩ তাৰিখে আমেৰিকান সৈনিক তথা অ-লাভজনক Sons of Liberty Internationalৰ প্ৰতিষ্ঠাপক মেথিউ এৰন ভ্যান ডাইকক উত্তৰ-পূব ভাৰত আৰু ম্যানমাৰ সীমান্তৰ পৰা আটক কৰে। মেথিউ এৰন ভ্যান ডাইকৰ আটকৰ ঘটনাই পোহৰলৈ আনিছে ভয়ানক বিশ্বজনীন ষড়যন্ত্ৰৰ কথা। এইগৰাকী আমেৰিকান সৈনিকৰ বিষয়ে ভালেমান আছে অভিযোগ। ইতিমধ্যে ভাৰত তথা উত্তৰ-পূব ভাৰতেৰে তেখেতৰ ষড়যন্ত্ৰক সফল ৰূপ প্ৰদান কৰাৰ ৰচা হৈছিল অভিসন্ধি। কিন্তু ভাৰতীয় চোৰাংচোৱাই মেথিউ এৰন ভ্যান ডাইকৰ ষড়যন্ত্ৰক ওফৰাই পেলাবলৈ সক্ষম হয়।

**কোন এই মেথিউ এৰন ভ্যান ডাইকঃ**

দৰাচলতে মেথিউ ভ্যানডাইকক এগৰাকী আমেৰিকান তথ্যচিত্ৰ নিৰ্মাতা তথা প্ৰাক্তন সাংবাদিক, এগৰাকী আমেৰিকান সামৰিক কৰ্মী আৰু এজন যুঁজাৰু হিচাপে জনা যায়। ২০১১ চনৰ লিবিয়াৰ গৃহযুদ্ধৰ সময়তো তেওঁ বিদ্ৰোহীৰ সৈতে লগ লাগি যুঁজ দিয়াৰ কথা জনা যায়। পিছলৈ অৱশ্যে তেওঁক বন্দী কৰি কেইবামাহো কাৰাগাৰত ভৰাই থৈছিল যদিও তাৰ পৰাই তেওঁ পলায়ন কৰিছিল বুলি অনুমান কৰা হৈছে।

এইগৰাকী ভ্যানডাইকে মধ্যপ্ৰাচ্য আৰু উত্তৰ আফ্ৰিকাত সংঘটিত বিপ্লৱক ৰাজহুৱাভাৱে সমৰ্থন কৰিছিল বুলি জনা যায়। তদুপৰি ছিৰিয়াৰ গৃহযুদ্ধতো তেওঁ এগৰাকী চলচ্চিত্ৰ নিৰ্মাতা হিচাপে কাম কৰিছিল আৰু সশস্ত্ৰ যুঁজাৰু হিচাপে অংশগ্ৰহণ কৰি যুঁজিছিল। ২০১৪ চনত তেওঁ স্বৈৰাচাৰী শাসন ব্যৱস্থা আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুঁজ দিয়া বাহিনীসমূহক সামৰিক প্ৰশিক্ষণ, পৰামৰ্শ প্ৰদানৰ লগতে যোগানৰ বাবে Son's of Liberty International প্ৰতিষ্ঠা কৰাৰ কথা জনা যায়।

২০২৫ চনৰ এক ছ'চিয়েল মিডিয়া পোষ্টত তেওঁ কয় যে ২০১৯ চনৰ পৰা ভেনিজুৱেলাৰ এজন বিদ্ৰোহী সেনাপতিৰ সৈতে গোপন অভিযান চলাই আছে "The Venezuelan's I work are true patriots, heroically risking their lives free their country . Their commander and I plan the missions and I provide the funding . You may have read about some of our missions in the media, such as Operation Aurora, but the journalists didn't know who was behind them. Venezuela team and I agreed to reveal our presence today, on the day of Maduro's inauguration, to let Venezuelan's know that we've been fighting for you and will continue fighting for you, until Maduro is defeated and democracy is restored." এই কথাখিনি ২০২৫ চনৰ ১০ জানুৱাৰীত মেথিউ এৰন ভ্যান ডাইকে তেখেতৰ ছ'চিয়েল মেডিয়াৰ পোষ্টত লিখিছিল। তাৰ পিছৰ কথাখিনি বিশ্ববাসীয়ে নিশ্চয় খুব ভালদৰেই জানে। সেইবোৰ পুনৰ কোৱাৰ প্ৰয়োজনেই নাই।

মেথিউ ভেনডাইকৰ নাম আমি ২০১১ চনৰ লিবিয়াৰ গৃহযুদ্ধৰ সৈতে সাঙোৰ খাই পৰাৰ কথাও পাওঁ। শুনা যায় ২০১১ চনত গাদ্দাফিৰ বিৰুদ্ধে নাটোৰ দ্বাৰা যি বিমান আক্ৰমণ চলোৱা হৈছিল সেই আক্ৰমণত আমেৰিকাৰ মুখ্য ভূমিকা আছিল। অৱশ্যে এই অভিযানত কোনো আমেৰিকান যুঁজাৰু বিমানে গাদ্দাফিৰ বিৰুদ্ধে পোনপটীয়াকৈ যুদ্ধ কৰা বুলি কোনো প্ৰমাণ পোৱা নাছিল। মাত্ৰ এটা ব্যতিক্ৰম ঘটনা ঘটিছিল। এই আক্ৰমণত কেৱল মেথিউ ভ্যান ডাইক নামৰ ব্যক্তি এগৰাকীৰ নাম সাঙোৰ খাই পৰিছিল। সামৰিক বাহিনীৰ সদস্য নোহোৱা স্বত্বেও তেওঁ এগৰাকী যোদ্ধা হিচাপে নিজা উদ্যোগত লিবিয়ালৈ গৈ বিদ্ৰোহীসকলক অস্ত্ৰৰ প্ৰশিক্ষণ দিছিল, গাদ্দাফিৰ বিৰুদ্ধে বিদ্ৰোহীসকলৰ হৈ যুদ্ধ কৰিছিল আৰু তেওঁক গাদ্দাফিৰ বাহিনীয়ে বন্দী কৰি ছমাহ সময় কাৰাগাৰত নিক্ষেপ কৰিছিল।

মেথিউৱে মটৰ চাইকেল চলাই মধ্য আফ্ৰিকাৰ মাজেৰে গৈ থাকোঁতে মৰিটানিয়াত নৌৰী নামৰ লিবিয়ান এজনক লগ পায়। নৌৰী আৰু তেওঁৰ খুলশালীয়েকে সেই সময়ত বেছিভাগেই খোজকাঢ়ি আফ্ৰিকাৰ মাজেৰে যাত্ৰা কৰিছিল। নৌৰীৰ দলটোক তেওঁ শান্তি আৰু প্ৰেমৰ প্ৰচাৰ কৰা ডাঙৰ চুলি আৰু দাড়ি থকা হিপ্পীৰ দল বুলি অভিহিত কৰে। নৌৰীয়ে মেথিউক লিবিয়ালৈ যাবলৈ মাতিলে।

২০০৭ চনত নৌৰী লিবিয়ালৈ যায়। সেই সময়ত আমেৰিকানসকলক লিবিয়াত যাবৰ বাবে পৰ্যটকৰ ভিছা দিয়া হোৱা নাছিল। ফলত নৌৰীয়ে সীমান্তৰক্ষীক বৃহৎ পৰিমাণৰ ধনৰ উৎকোচ দি মেথিউক লিবিয়াত প্ৰৱেশ কৰাৰ ব্যৱস্থা কৰি দিয়ে। মেথিউৱে নৌৰী আৰু তেওঁৰ খুলশালীয়েকৰ সৈতে সময় কটায়, তেওঁলোকৰ সৈতে মটৰ চাইকেল চলাই সমগ্ৰ লিবিয়াত, গাদ্দাফিৰ বিলবোৰ্ডৰ সন্মুখত বিভিন্ন ঠাইত ফটো তুলিছিল। একেলগে সময় কটোৱাৰ লগে লগে তেওঁলোকৰ মাজত এক সুন্দৰ বন্ধুত্ব গঢ় লৈ উঠিল। মেথিউৰ মতে সৰুৰে পৰাই তেওঁ যথেষ্ট অকলশৰীয়াকৈ ডাঙৰ দীঘল হৈছিল। স্কুলত তেওঁৰ বহুত বন্ধু নাছিল। এই নতুন লিবিয়ান বন্ধুসকল তেওঁৰ যিকোনো আমেৰিকান বন্ধুতকৈ বহুত বেছি ঘনিষ্ঠ আছিল।

২০১১ চনত যেতিয়া আৰব বসন্ত আৰম্ভ হৈছিল, তেতিয়া মেথিউৱে সকলো ভ্ৰমণ সম্পূৰ্ণ কৰি স্বাভাৱিক জীৱনলৈ ঘূৰি আহিছিল। প্ৰেমিকাক লৈ সি ভৱিষ্যতৰ পৰিকল্পনা কৰি আছিল। কিন্তু সেই বছৰৰে ১৭ ফেব্ৰুৱাৰীত লিবিয়াৰ বেনগাজীৰ মানুহে গাদ্দাফিৰ বিৰুদ্ধে এক বৃহৎ সমদল উলিয়াইছিল। প্ৰথম অৱস্থাত এই প্ৰতিবাদ নীৰস্ত্ৰ আৰু শান্তিপূৰ্ণভাৱেই চলিছিল যদিও পিছলৈ গাদ্দাফিৰ সেনাই প্ৰতিবাদকাৰী সকলৰ ওপৰত আক্ৰমণত বহুতো নীৰস্ত্ৰ সাধাৰণ নাগৰিকৰ মৃত্যু হৈছিল। মেথিউৱে নিজৰ লিবিয়ান বন্ধুসকলৰ সৈতে ইণ্টাৰনেটৰ জৰিয়তে যোগাযোগ কৰাত তেওঁলোকে অৱৰ্ণনীয় অত্যাচাৰৰ বিষয়ে মেথিউক অৱগত কৰিলে।

সেই সময়খিনি বিদ্ৰোহৰ কেৱল আৰম্ভণিহে আছিল। নাটো, আমেৰিকা বা পশ্চিমীয়া দেশবোৰে টিভিত নিন্দা কৰাৰ বাহিৰে কোনো বিশেষ ভূমিকা লোৱা নাছিল। পশ্চিমীয়া দেশবোৰৰ এই নিৰ্লিপ্ত ভূমিকাত অতিষ্ঠ হৈ মেথিউৱে লিবিয়াত প্ৰৱেশ কৰিবলৈ ইজিপ্তৰ সীমাত উপস্থিত হয়।

**লিবিয়াৰ যুদ্ধত অংশগ্ৰহণঃ**

তেওঁৰ বন্ধু নৌৰীৰ আমন্ত্ৰণক্ৰমে বেনগাজীলৈ আহি বিদ্ৰোহী গোটৰ সৈতে যোগ দিয়ে। ইয়াত যোগ দি দেখিলে যে বিদ্ৰোহী সদস্যসকলৰ অধিকাংশৰে নাই কোনো অস্ত্ৰ-শস্ত্ৰৰ লগতে মাৰনাস্ত্ৰ চালনাৰ জ্ঞান। যিকোনো সময়ত গাদ্দাফিৰ সৈন্যবাহিনীৰ সৈতে সংঘৰ্ষ হোৱাৰ সন্দেহ কৰি মেথিউৱে অস্ত্ৰ-শস্ত্ৰৰ যোগাৰ কৰাৰ লগতে সেইবোৰৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰে। গাদ্দাফিৰ সৈন্যবাহিনীয়ে নৌৰীসহ মেথিউক আটক কৰিবলৈ সক্ষম হয়।

মেথিউক বন্দী কৰি লিবিয়াৰ আটাইতকৈ কুখ্যাত কাৰাগাৰ ট্ৰিপলিৰ আবু চেলিম কাৰাগাৰলৈ পঠিয়াইছিল। এই কাৰাগাৰত ১৯৯৬ চনত মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে ১২৭০জন কয়দীৰ মৃত্যু হৈছিল আৰু তেওঁলোকৰ মৃতদেহবোৰো নিৰুদ্দেশ হৈ পৰিছিল। এজন বিষয়াই তেওঁক কৈছিল, "You will never see America again।" ইতিমধ্যে আমেৰিকাৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী হিলাৰী ক্লিণ্টনে গাদ্দাফি চৰকাৰৰ সৈতে মেথিউক বন্দী মুক্তিৰ বাবে আলোচনাত মিলিত হয়। উক্ত সময়ত CNN আৰু BBC ত কেৱল মেথিউৰ কথাই প্ৰকাশ পাবলৈ ধৰে। যাৰ ফলত মেথিউৰ মুক্তিৰ দাবীত বিভিন্ন ঠাইত প্ৰতিবাদ হ'বলৈ ধৰে। আন্তঃৰাষ্ট্ৰীয় চাপৰ লগতে প্ৰতিদিনে মেথিউৰ মুক্তিৰ দাবীৰে হৈ থকা প্ৰতিবাদত সেও মানি গাদ্দফি চৰকাৰে মেথিউক মুক্তি দিবলৈ বাধ্য হয়।

মুক্তি লাভৰ পিছত সকলোৱে ভাবিছিল এইবাৰ মেথিউ আমেৰিকালৈ ঘূৰি যাব। কিন্তু সকলোকে আচৰিত কৰি আমেৰিকাৰ ছত্ৰছায়াত বিদ্ৰোহীসকলৰ নেতৃত্ব লয়। অৱশেষত লিবিয়াত গাদ্দাফিৰ মৃত্যুৰ প্ৰধান কাৰণ হৈ পৰে। আমেৰিকাৰ দৃষ্টিত লিবিয়াত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা হ'ল। লিবিয়াৰ গৃহযুদ্ধৰ পিছত ছিৰিয়ালৈ যায় মেথিউ। এই ছিৰিয়াত মেথিউৰ সাংবাদিক বন্ধু জেমছ ফলিকক ISIS এ হত্যা কৰে। যাৰ বাবে মেথিউৱে ছিৰিয়াত এক ISIS বিৰোধী বিদ্ৰোহী গোট গঠনৰ পৃষ্ঠপোষকতা কৰে।

মেথিউ ভ্যান ডাইক সম্পৰ্কে বিভিন্ন বিতৰ্ক দেখিবলৈ পোৱা যায়। কোনো কোনোৱে মেথিউক CIA ৰ Under Cover বিষয়া বুলি ক'ব খোজে।




এইখিনিতে উল্লেখযোগ্য যে মাৰ্চ মাহৰ আৰম্ভণিৰ সময়ত বিদ্ৰোহীসকলে এককভাৱে গাদ্দাফিৰ বাহিনীক পৰাস্ত কৰি পূব লিবিয়াৰ এক বিশাল অঞ্চল নিজৰ অধীনলৈ নিছিল। মেথিউৱে আন কোনোৱে এই যুক্তি মানি ল'ব নোখোজে। বিতৰ্ক যিয়েই নহওক কিয় এইগৰাকী আমেৰিকান যে সন্দেহজনক ব্যক্তত্বৰ অধিকাৰী সেয়া নিশ্চিত।

**গ্ৰেপ্তাৰ আৰু অভিযোগৰ মূল বিৱৰণঃ**

ভাৰতীয় চোৰাংচোৱা সংস্থা(NIA)ই গোপনে অনুসন্ধান চলাই ভাৰতত মেথিউৰ তত্ত্বাৱধানত ৰাষ্ট্ৰ বিৰোধী কূটাঘাটৰ প্ৰমাণ লাভ কৰিছিল। সেই অনুসৰি চোৰাংচোৱা সংস্থাটিয়ে ভাৰতত মেথিউৰ উপস্থিতি আৰু অৱস্থিতি নিশ্চিত কৰি এক অপাৰেশ্যন চলায়। এই অপাৰেশ্যনৰ ফলশ্ৰুতিতেই যোৱা ১৩ মাৰ্চত দেশৰ তিনিটা ভিন্ন বিমানবন্দৰৰ কলকাতা, লক্ষ্ণৌ আৰু দিল্লীৰ পৰা মেথিউসহ ছয়জনকৈ ইউক্ৰেইন নাগৰিকক গ্ৰেপ্তাৰ কৰা হয়।

সংবাদ সংস্থা ANI ৰ মতে, যোৱা ১৬ মাৰ্চত দিল্লীৰ পাটিয়ালা হাউছ কৰ্টত থকা NIA ৰ বিশেষ আদালতে Unlawful Activities (Prevention) Act(UAPA) অধীনত গ্ৰেপ্তাৰ কৰি ১১ দিনৰ বাবে NIA ৰ জিম্মালৈ প্ৰেৰণ কৰিছিল।

অভিযোগ অনুসৰি এই গোটটোৱে Restricted Area Permit (RAP) অবিহনে ভাৰতৰ মিজোৰামলৈ যাত্ৰা কৰিছিল। ইয়াৰ পিছতে তেওঁলোকে অবৈধভাৱে ম্যানমাৰলৈ গুছি গৈছিল বুলি তথ্য প্ৰকাশ কৰিছে। তদুপৰি এই গোটটোৱে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰি ম্যানমাৰ পাৰ হৈ, জনগোষ্ঠীয় সশস্ত্ৰ সংগঠনৰ সৈতে যোগাযোগ কৰাৰ অভিযোগ উত্থাপন হৈছে। NIA ৰ অভিযোগ অনুসৰি এই গোটটোৱে উগ্ৰপন্থী সংগঠন তথা ৰাষ্ট্ৰ বিৰোধী সন্ত্ৰাসবাদী সংগঠনবোৰক অস্ত্ৰ যোগান ধৰাৰ পৰিকল্পনা কৰাৰ লগতে ম্যানমাৰত উগ্ৰপন্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰি এই উগ্ৰপন্থী সংগঠনবোৰক ড্ৰ'ন যুদ্ধ, সমাবেশ আৰু জামিং প্ৰযুক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰশিক্ষণ প্ৰদান কৰিছিল। NIA ই এনেদৰে বিদেশী নাগৰিকৰ জড়িত বিষয়টোক অতি গুৰুত্বসহকাৰে লৈ ইয়াক এক সম্ভাব্য বিশ্বব্যাপী হ'ব পৰা কূটাঘাতৰ আশংকা ব্যক্ত কৰিছে। তদুপৰি সমস্যা জৰ্জৰ উত্তৰ পূৰ্বাঞ্চলৰ এই অঞ্চলটোত বিদেশী শক্তিসমূহৰ এনে উপস্থিতিয়ে ভৱিষ্যতে ভাৰতত এক ব্যাপক কূটাঘাতৰ সম্ভাৱনাৰ দিশে লৈ যায় বুলিব পাৰি।

**"অপাৰেচন কোবাল্ট" সম্পৰ্কেঃ**

দৰাচলতে "Operation Cobalt" টিভি শ্ব' "The Walking Dead"ত এটা ভাইৰাছ নিয়ন্ত্ৰণৰ বাবে চলোৱা এক কাল্পনিক সামৰিক অভিযান। ইয়াৰ ভিত্তিতেই ভাৰতীয় চোৰাংচোৱা সংস্থাই তথ্য লাভ কৰি অতি ক্ষিপ্ৰতাৰে এই অভিযান চলাইছিল য'ত ছয়জনকৈ ইউক্ৰেইনী নাগৰিকৰ লগতে আমেৰিকাৰ অতি কুখ্যাত তথা বহু বিশ্বজনীন ঘটনাৰ আঁৰৰ মানুহ মেথিউ ভান ডাইকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

প্ৰথমাৱস্থাত এই অভিযান বিশেষ গুৰুত্বপূৰ্ণ নাছিল যদিও সামাজিক মাধ্যমত প্ৰচাৰিত বিভিন্ন ফটো আৰু ভিডিঅ'ৰ জৰিয়তে মেথিউৰ সাদৃশ্য থকা বুলি ভাৰতীয় চোৰাংচোৱা সংস্থাটিয়ে সন্দেহ কৰে। এই সন্দেহেই পিছলৈ সত্যত পৰিণত হয় যাক অতি সম্প্ৰতি সফল ৰূপ দিয়া হৈছে।

হয়তো অনাগত সময়ত উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰ, মিজোৰাম আদিৰ দৰে হিংসাজৰ্জৰ অঞ্চল তথা ভাৰত ম্যানমাৰ সীমান্ত য'ত উত্তৰ পূব ভাৰতৰ সন্ত্ৰাসবাদী সংগঠনবোৰৰ ঘাটি তাতেই খোপনি পুতি ভাৰতক অস্থিৰ কৰি তোলাৰ প্ৰচেষ্টাৰ পৰিকল্পনা কৰা হৈছিল। য'ত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ লগতে হয়তো দেশীয় ৰাজনৈতিক মুনাফাধাৰী দল বা ব্যক্তি বিশেষৰ থাকিব পাৰে বিশেষ ভূমিকা যি কথা পৰৱৰ্তী সময়ত স্পষ্ট হ'ব।

# স্মাৰ্ট চিটি নে 'মৃত্যুৰ গহ্বৰ' ? গুৱাহাটীৰ কৃত্ৰিম বান আৰু প্ৰশাসনৰ চৰম ব্যৰ্থতা

## নিৰঞ্জন দাস

'বানমুক্ত গুৱাহাটী' চৰকাৰী প্ৰচাৰ যন্ত্ৰৰ এক অতি চিনাকি আৰু আকৰ্ষণীয় শ্ল'গান। কিন্তু বাস্তৱৰ কৰুণ ছবিখনে এই শ্ল'গানটোক এতিয়া এক অতি নিৰ্দয় ধেমালিলৈ ৰূপান্তৰিত কৰিছে। এজাক বৰষুণতেই ডুব যোৱা মহানগৰী, জলবন্দী হাজাৰ হাজাৰ লোক, আৰু শেহতীয়াকৈ মুকলি নলাত পৰি অকাল মৃত্যুক সাৱটি লোৱা নিৰীহ পথচাৰীৰ ঘটনাই প্ৰমাণ কৰিছে যে 'স্মাৰ্ট চিটি'ৰ নামত গুৱাহাটীবাসীৰ জীৱনক লৈ এক ভয়ংকৰ খেলা চলিছে। স্মাৰ্ট চিটিৰ অৰ্থ কেৱল কেইটামান ফ্লাইওভাৰ বা আলোকসজ্জা নহয়। এক উন্নত মহানগৰীৰ প্ৰাথমিক চৰ্তই হ'ল বিজ্ঞানসন্মত নলা-নৰ্দমাৰ ব্যৱস্থা আৰু জনজীৱনৰ সুৰক্ষা। কিন্তু গুৱাহাটীত দেখা গৈছে ইয়াৰ ওলোটা ছবিটোহে। কোটি কোটি টকাৰ আঁচনিৰ পাছতো কিয় সামান্য বৰষুণতে মহানগৰীৰ ৰাজপথ সাগৰসদৃশ হৈ পৰে ? ক'ত হেৰাই যায় নলা পৰিষ্কাৰ কৰাৰ নামত আবণ্টিত বৃহৎ পুঁজি ? অত্যন্ত দুৰ্ভাগ্যজনক যে গুৱাহাটীৰ দৰে মহানগৰীত এতিয়াও নলাবোৰ ঢাকনিবিহীন হৈ আছে। যি সময়ত চৰকাৰে ডিজিটেল ইণ্ডিয়া আৰু অত্যাধুনিক আন্তঃগাঁথনিৰ কথা কয়, সেই সময়ত এজন নাগৰিকে নলাত পৰি প্ৰাণ হেৰুৱাব লগা হোৱাটো সমগ্ৰ প্ৰশাসনৰ বাবে এক লজ্জাজনক বিষয়। এই মৃত্যুসমূহ 'দুৰ্ঘটনা' নহয়, বৰঞ্চ এয়া সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্বহীনতাৰ বাবে হোৱা একো একোটা 'পৰিকল্পিত হত্যাকাণ্ড'।

স্মাৰ্ট চিটিৰ সপোন দেখা গুৱাহাটীবাসীক এতিয়া একো একোটা লাইফ জেকেটৰহে প্ৰয়োজন বেছি হৈ পৰিছে। কাৰণ চৰকাৰী শ্ল'গানত বানমুক্ত হ'লেও, বাস্তৱত গুৱাহাটী এতিয়া এক মৰণফাণ্ড। কেৱল শ্ল'গানেৰে এখন মহানগৰী স্মাৰ্ট হ'ব নোৱাৰে। গুৱাহাটীবাসীক লাগে সুৰক্ষা আৰু সমস্যাৰ স্থায়ী সমাধান। বৰষুণ দিলেই আতংকত দিন কটাবলগীয়া হোৱা এই পৰিৱেশৰ পৰা মুক্তি বিচাৰিছে সচেতন ৰাইজে। প্ৰশাসনৰ এই ব্যৰ্থতাৰ আঁৰত জিএমডিএ (GMDA), জিএমচি (GMC) আৰু গড়কাপ্তানি বিভাগৰ মাজত থকা চৰম সমন্বয়হীনতা স্পষ্ট হৈ পৰিছে। নলা চাফা কৰাৰ নামত চলা ব্যাপক অনিয়ম আৰু অবিজ্ঞানসন্মত নিৰ্মাণ কাৰ্যই সমস্যাটো অধিক জটিল কৰি তুলিছে। প্ৰশাসনে যদি এতিয়াও সাৰ নাপায় আৰু দায়িত্বহীন বিষয়াসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে ভৱিষ্যতে গুৱাহাটী বাসযোগ্য হৈ নাথাকিব। চৰকাৰে বুজি উঠা উচিত যে জনতাৰ তেজ-ঘামৰ ধনেৰে নিৰ্মিত আঁচনিসমূহে যদি জনতাৰ প্ৰাণ ৰক্ষা কৰিব নোৱাৰে, তেন্তে তেনে 'উন্নয়ন'ৰ কোনো মূল্য নাই।

# আপৰ পঞ্জীয়ন বাতিলৰ দাবী সম্পূৰ্ণৰূপে খাৰিজ

আৰু ন্যায়াধীশ তেজস কাৰিয়াৰ বিচাৰপীঠে আবেদনখনক 'সম্পূৰ্ণৰূপে ভিত্তিহীন' বুলি অভিহিত কৰে। ন্যায়ালয়ে উচ্চতম ন্যায়ালয়ৰ পুৰণি ৰায়ৰ উদ্ধৃতি দি স্পষ্ট কৰে যে জনপ্ৰতিনিধিত্ব আইনৰ অধীনত নিৰ্বাচন আয়োগৰ ওচৰত কোনো ৰাজনৈতিক দলৰ পঞ্জীয়ন বাতিল কৰাৰ কোনো 'সাধাৰণ অধিকাৰ' নাই। আদালতে কয়, "যিকোনো ৰাজনৈতিক দলৰ পঞ্জীয়ন বাতিল কৰাটো অত্যন্ত গুৰুতৰ আৰু স্পৰ্শকাতৰ বিষয়। জনপ্ৰতিনিধিত্ব আইন অনুসৰি নিৰ্বাচন আয়োগে এবাৰ দলক পঞ্জীয়ন প্ৰদান কৰাৰ পিছত সাধাৰণ কাৰণত সেই পঞ্জীয়ন বাতিল কৰাৰ বা কোনো জেনেৰেল ৰিভিউ কৰাৰ অধিকাৰ নাথাকে।" আবেদনকাৰীয়ে জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা ২৯এ(৫)ৰ উলংঘনৰ অভিযোগ উত্থাপন কৰিছিল। কিন্তু ন্যায়ালয়ে কয় যে এই গোচৰটো আইনৰ অধীনত নিৰ্ধাৰিত সীমিত পৰিসৰৰ ভিতৰত কতোৱেই খাপ নাখায়, য'ত এটা দলৰ স্বীকৃতি কাঢ়ি ল'ব পৰা যায়। সেয়েহে কোনো মেৰিট নোহোৱাকৈয়ে সমগ্ৰ আবেদন খাৰিজ কৰি দিয়া হয়। শুনানিৰ সময়ত আবেদনকাৰী সতীশ কুমাৰ আগৰৱালৰ অধিবক্তা বৰুণ কুমাৰ সিনহাই যুক্তি দাঙি ধৰে যে দায়িত্বশীল পদত থকা ৰাজনৈতিক নেতাসকলে সাংবিধানিক মূল্যবোধ ৰক্ষা কৰা উচিত। তেওঁ অভিযোগ কৰে যে এই নেতাসকলে আদালতৰ কাৰ্যবাহীক বদনাম কৰিবলৈ চেষ্টা কৰিছে, গতিকে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা প্ৰয়োজন। ইয়াৰ উত্তৰত বিচাৰপীঠে অতি কঠোৰ স্থিতি গ্ৰহণ কৰে আৰু অধিবক্তাক সেই আইনী ধাৰাটো দেখুৱাবলৈ কয় যাৰ অধীনত এই দাবী কৰা হৈছে। আদালতে কয়, "আবেদনকাৰীয়ে নিৰ্বাচন আয়োগক দলটোৰ পঞ্জীয়ন বাতিল কৰাৰ নিৰ্দেশ দিবলৈ কৈছে, কিন্তু তেনে কৰিব পৰা আইনী ব্যৱস্থা প্ৰদৰ্শন কৰিব পৰা নাই।" ন্যায়ালয়ে এই বিষয়টো সম্পূৰ্ণৰূপে স্পষ্ট কৰি দিয়ে যে যদি কোনো ব্যক্তিয়ে আদালতৰ মৰ্যাদা হানি কৰে, তেন্তে তাৰ বাবে আদালত অৱমাননা আইনৰ অধীনত ইতিমধ্যে কাৰ্যবাহী চলি আছে। ইয়াৰ পৰিণাম সেই নিৰ্দিষ্ট ব্যক্তিজনে ভোগ কৰিব লাগিব। সমগ্ৰ ৰাজনৈতিক দলটোৱে অকলশৰীয়া এজন ব্যক্তিৰ ভুলৰ বাবে শাস্তি পাব নোৱাৰে। লগতে আদালতে স্পষ্ট কৰে যে আবকাৰী নীতি গোচৰত ২০ এপ্ৰিলত প্ৰদান কৰা আদেশ কেৱল সেই অপৰাধমূলক পৰ্যালোচনা কাৰ্যবাহীৰ সন্দৰ্ভতহে পঢ়া উচিত, তাৰ বাহিৰে নহয়। শুনানিৰ শেষত আদালতে অধিবক্তাগৰাকীক কয় যে তেওঁলোকৰ যুক্তিয়ে আইনৰ কোনো চৰ্ত পূৰণ কৰা নাই আৰু এই গোচৰ কতোৱেই টিকি থাকিব নোৱাৰে।

# কেৰালাৰ নতুন মন্ত্ৰীসভা গঠন, মুখ্যমন্ত্ৰীৰ হাতত ৩৫টা

অনুসৰি মুখ্যমন্ত্ৰী ভি ডি সতীশনে বিত্ত, আইন, সাধাৰণ প্ৰশাসন আৰু বন্দৰ বিভাগকে ধৰি মুঠ ৩৫টা বিভাগ নিজৰ অধীনত ৰাখিছে। চৰকাৰৰ নীতি নিৰ্ধাৰণ আৰু গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ সৈতে জড়িত বহু বিভাগ মুখ্যমন্ত্ৰীয়ে নিজেই চম্ভালিব, ফলত চৰকাৰ পৰিচালনাৰ অধিকাংশ ক্ষমতা মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ হাতত থাকিব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰমেশ চেন্নিথালাক গৃহ বিভাগ আৰু ভিজিলেন্স বিভাগৰ দায়িত্ব দিয়া হৈছে। উল্লেখযোগ্য যে ভিজিলেন্স বিভাগে দুৰ্নীতিৰ ওপৰত নজৰ ৰাখে। ইয়াৰ উপৰিও তেওঁ আন তিনিটা বিভাগৰ দায়িত্ব চম্ভালিব। ইউনিয়ন মুছলিম লীগৰ (IUML) পি কে কুনহালিকুট্টীয়ে উদ্যোগ আৰু ব্যৱসায়ৰ সৈতে জড়িত সাতটা বিভাগৰ দায়িত্ব লাভ কৰিছে। ইয়াৰ ভিতৰত উদ্যোগ, তথ্য-প্ৰযুক্তি (আইটি) আৰু বস্ত্ৰ মন্ত্ৰালয় অন্তৰ্ভুক্ত। কেৰালা কংগ্ৰেছৰ সভাপতি ছানী যোছেফক বিদ্যুৎ আৰু পৰিৱেশ বিভাগৰ দায়িত্ব দিয়া হৈছে। কে মুৰুলীধৰণক স্বাস্থ্য আৰু দেৱাসম বিভাগ (মন্দিৰ-ধৰ্মীয় স্থান)ৰ মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে। দেৱাসম বিভাগে মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহৰ তত্বাৱধান কৰে। ৰোজী এমজনে উচ্চ শিক্ষা বিভাগ চম্ভালিব, আনহাতে এ পি অনিল কুমাৰে ভূমি আৰু ৰাজহ বিভাগৰ দায়িত্ব লাভ কৰিছে। শমছুদ্দিনক কেৰালাৰ নতুন সাধাৰণ শিক্ষা মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে। বুধবাৰে অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পিছত সংবাদমাধ্যমৰ সৈতে কথা পাতি মুখ্যমন্ত্ৰী ভি ডি সতীশনে কয়, "আমাৰ ধৰ্মনিৰপেক্ষ স্থিতিত কোনো পৰিবৰ্তন হোৱা নাই। এইটো অতি শক্তিশালী ধৰ্মনিৰপেক্ষ দৃষ্টিভংগী। যিয়েই সাম্প্ৰদায়িকতাৰ ভাষা কয়, তেওঁক কঠোৰভাৱে বিৰোধিতা কৰা হ'ব। কংগ্ৰেছ নেতৃত্বাধীন ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্ট (ইউডিএফ)ৰ ধৰ্মনিৰপেক্ষ স্থিতিৰ ক্ষেত্ৰত কোনো আপোচ সম্ভৱ নহয়।" উল্লেখ্য যে বিধানসভা নিৰ্বাচনত বাঁওফ্ৰণ্টক পৰাস্ত কৰি ইউডিএফ কেৰালাত ক্ষমতালৈ আহিছে।

# দেওশাল শিৱ মন্দিৰ আধ্যাত্মিক পৰ্যটনৰ কেন্দ্ৰবিন্দু

মৰিগাঁও জিলাৰ ঐতিহাসিক গোভা দেওৰজা চাৰিভাই দেওশাল শিৱ থানত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বুধবাৰে তেওঁ পৰম্পৰাগত ৰীতি-নীতিৰে দেৱাদিদেৱ মহাদেৱৰ চৰণত সেৱা জনায় আৰু অসম তথা অসমবাসীৰ সৰ্বাংগীণ কল্যাণ, দীৰ্ঘায়ু, সুখ-শান্তি আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰে। মন্দিৰ দৰ্শনৰ পিছত মুখ্যমন্ত্ৰীয়ে কয়, "দেওশাল মন্দিৰলৈ অহাৰ মোৰ বহুদিনৰ পৰা ইচ্ছা আছিল। আশীৰ্বাদ যাত্ৰাৰ সময়তো দেওশাললৈ অহাৰ পৰিকল্পনা আছিল, কিন্তু কিবা কাৰণত হৈ নুঠিল। আজি অলপ সময় উলিয়াই মন্দিৰটো দৰ্শন কৰিলোঁ। ১৪০০ শতিকাতে গোভাৰজাই প্ৰতিষ্ঠা কৰা শিৱলিংগত প্ৰণাম জনাই মনটো অতি ভাল লাগিল।" তেওঁ লগতে কয়, "মন্দিৰটোৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। মোৰ বিশ্বাস যে এই মন্দিৰটো অতি সোনকালে আধ্যাত্মিক পৰ্যটনৰ কেন্দ্ৰবিন্দু হৈ পৰিব।" দেওশাল মন্দিৰ দৰ্শনৰ সময়ত জাগীৰোডৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী পীযুষ হাজৰিকা আৰু মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে মুখ্যমন্ত্ৰীক সংগ দিয়ে। থান পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু স্থানীয় ভক্তপ্ৰাণ ৰাইজেও মুখ্যমন্ত্ৰীগৰাকীক উষ্ম আদৰণি জনায়। উল্লেখযোগ্য যে জাগীৰোড অঞ্চলৰ এই গোভা দেওৰজা চাৰিভাই দেওশাল শিৱ থান কেৱল মৰিগাঁও জিলাৰে নহয়, সমগ্ৰ অসমৰ ভিতৰতে এক ঐতিহাসিক স্থান। প্ৰতিদিনে শ শ ভক্তই এই মন্দিৰ দৰ্শন কৰিবলৈ আহে। ই মৰিগাঁও জিলাৰ তিৱা সমাজ তথা থলুৱা জনসাধাৰণৰ ইতিহাস আৰু সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ। মুখ্যমন্ত্ৰীৰ আগমনে অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজৰ মাজত বিশেষ উৎসাহৰ সঞ্চাৰ কৰিছে।

# শিৱসাগৰৰ কংগ্ৰেছ নেতা অজয় গগৈক আটক

অঞ্চলৰ ব্যৱসায়ী অৱনী বৰুৱাই চৰম সিদ্ধান্ত গ্ৰহণ কৰে। মৃত্যুৰ পূৰ্বে এটা ছুইচাইড নোটত তেওঁ কংগ্ৰেছ নেতা অজয় গগৈ আৰু খোকামৰাৰ বিনন্দ বড়া নামৰ আন এজন লোকৰ নাম উল্লেখ কৰে। নোটখনত অত্যাচাৰৰ সন্মুখীন হৈ আত্মহত্যালৈ বাধ্য হোৱাৰ কথা স্পষ্টভাৱে লিপিবদ্ধ কৰে বৰুৱাই। মৃতকৰ এই ছুইচাইড নোটৰ ভিত্তিতেই আৰক্ষীয়ে জল্পনা-কল্পনা নকৰাকৈ অজয় গগৈক সোধা-পোছাৰ বাবে আটক কৰে। বৰ্তমান সোণাৰী থানাত নেতাগৰাকীক জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে। ইফালে, ঘটনাক লৈ ৰাজনৈতিক মহলত ব্যাপক চাঞ্চল্য সৃষ্টি হৈছে। কংগ্ৰেছ নেতাৰ নাম আত্মহত্যাৰ চিঠিত উঠি অহাত বিভিন্ন ৰাজনৈতিক দল আৰু সমাজৰ বিভিন্ন শ্ৰেণীয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।

# নতুন ৰাজনৈতিক দল 'ককৰোচ জনতা পাৰ্টি'য়ে

কৰা হৈছে। আত্মপ্ৰকাশৰ মাত্ৰ ৭২ ঘণ্টাৰ ভিতৰতে দলটোত অন্তৰ্ভুক্ত হৈছে তৃণমূল কংগ্ৰেছৰ সাংসদ মহুয়া মৈত্ৰ আৰু কীৰ্তি আজাদে। এই অভিনৱ সংগঠনটোৰ প্ৰতিষ্ঠাপক আমেৰিকাৰ বষ্টন বিশ্ববিদ্যালয়ৰ ছাত্ৰ অভিজিৎ ডিপকে। উল্লেখযোগ্য যে তেওঁ অতীতত আম আদমি পাৰ্টিৰ ছচিয়েল মিডিয়া টিমৰ সৈতেও জড়িত আছিল। বৰ্তমান এই ভাৰ্চুৱেল দলটোৰ সদস্য সংখ্যা ৭০ হাজাৰ অতিক্ৰম কৰিছে। কিছুদিন আগতে দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তই এটা গোচৰৰ শুনানিৰ সময়ত মন্তব্য কৰিছিল যে 'কৰ্মহীন বা নিবনুৱা যুৱক-যুৱতীসকলে ক'তো একো কৰিব নোৱাৰি সাংবাদিকতা, সমাজকৰ্ম বা আইনৰ দৰে বৃত্তি আঁকোৱালি লয়।' তেওঁৰ এই মন্তব্যক নিবনুৱাসকলক 'পইতাচোৰা' আৰু 'পৰজীৱী' বুলি তুলনা কৰা বুলি অভিযোগ উঠে। মন্তব্যটোৱে সমগ্ৰ দেশতে তীব্ৰ আলোড়ন সৃষ্টি কৰে। বিৰোধী ৰাজনীতিবিদসকলে প্ৰশ্ন উত্থাপন কৰে যে শীৰ্ষ আদালতৰ সৰ্বোচ্চ আসনত বহি এনেধৰণৰ মন্তব্য কেনেকৈ সম্ভৱ? পিছলৈ মুখ্য ন্যায়াধীশে স্পষ্টীকৰণ দি কয় যে এয়া তেওঁৰ এক মৌখিক পৰ্যবেক্ষণমাত্ৰ আৰু কথাষাৰৰ ভুল ব্যাখ্যা কৰা হৈছে। তথাপি বিতৰ্ক নিমিত্তা নাই। প্ৰতিবাদত বহু লোক ৰাজপথলৈ ওলাই আহি গাত 'পইতাচোৰা' লিখা প্লেকাৰ্ড লৈ বিক্ষোভ প্ৰদৰ্শন কৰে। তাৰ মাজৰ পৰাই জন্ম হয় 'ককৰোচ জনতা পাৰ্টি'। ছচিয়েল মিডিয়াত এই অভিনৱ দলটোৰ সদস্য হোৱাৰ ইচ্ছা প্ৰকাশ কৰি কৃষ্ণনগৰৰ তৃণমূল সাংসদ মহুয়া মৈত্ৰই লিখে যে তেওঁক ইতিমধ্যে 'দেশদ্ৰোহী পাৰ্টি'ৰ সদস্যপদ দিয়া হৈছে। উত্তৰত চি জে পিয়ে তেওঁক 'এগৰাকী যোদ্ধা' আখ্যা দি দললৈ আদৰণি জনায়। আনহাতে তৃণমূলৰ সাংসদ তথা প্ৰাক্তন ক্ৰিকেটাৰ কীৰ্তি আজাদে দলটোত যোগ দিয়াৰ যোগ্যতা কি বুলি জানিব বিচৰাত দলটোৰ তৰফৰ পৰা ধেমেলীয়া উত্তৰ দিয়া হয়, '১৯৮৩ চনৰ বিশ্বকাপ জয় কৰাৰ যোগ্যতাই যথেষ্ট।' নিজকে ধৰ্মনিৰপেক্ষ, সমাজতান্ত্ৰিক, গণতান্ত্ৰিক আৰু 'এলেহুৱা' দল বুলি দাবী কৰি চি জে পিয়ে পাঁচ দফীয়া ইস্তাহাৰ প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত আছে— সুপ্ৰিম ক'ৰ্টৰ প্ৰধান ন্যায়াধীশসকলে অৱসৰৰ পিছত ৰাজ্যসভাৰ সাংসদ হ'ব নোৱাৰিব; সংসদৰ আসন সংখ্যা নবঢ়োৱাকৈ মহিলাসকলক ৫০ শতাংশ সংৰক্ষণ দিব লাগিব; দল সলনি কৰা বিধায়ক-সাংসদসকলে কমেও ২০ বছৰলৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব; চিবিএছচি পৰীক্ষাত বহী পুনৰ মূল্যায়নৰ নামত ইচ্ছামতে পইচা লোৱা বন্ধ কৰিব লাগিব; আৰু নিট পৰীক্ষাৰ 'প্ৰশ্নকাকত ফাদিল' বিতৰ্কত পৰীক্ষাৰ্থীসকলৰ কাষত থিয় দিব লাগিব। এই দলৰ সদস্য হ'বলৈ চৰ্তসমূহো ধেমেলীয়া। প্ৰাৰ্থী নিবনুৱা আৰু এলেহুৱা হ'ব লাগিব, ছচিয়েল মিডিয়াত ২৪ ঘণ্টা সক্ৰিয় থাকিব লাগিব, আৰু পেছাদাৰীসকলৰ দৰে ক্ষোভ উজাৰি দিয়াৰ ক্ষমতা থাকিব লাগিব। যুৱ প্ৰজন্ম (জেন জি)ক আকৰ্ষণ কৰিবলৈ শীঘ্ৰে এক বিশেষ সন্মিলন আহ্বান কৰাৰ কথাও ভাবিছে দলটোৱে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বৰ্তমান দেশত ২১০০ৰো অধিক ৰাজনৈতিক দল আছে; তাৰে ৬টা ৰাষ্ট্ৰীয়, ৬০টা আঞ্চলিক আৰু বাকী ২০৪৯টা পঞ্জীয়নভুক্ত হৈও স্বীকৃতিপ্ৰাপ্ত নহয়। এই পৰিস্থিতিত চি জে পিয়ে নিৰ্বাচন আয়োগৰ ওচৰত আনুষ্ঠানিকভাৱে দল হিচাপে পঞ্জীয়ন কৰিব নে কেৱল ডিজিটেল প্ৰতিবাদ হৈয়ে থাকিব, সেয়া সময়ৰ পৰীক্ষাতে জানিব পৰা যাব। কিন্তু বৰ্তমানলৈকে যুৱসমাজৰ মাজত এই 'পইতাচোৰা বাহিনী'য়ে ব্যাপক সঁহাৰি লাভ কৰিছে সেয়া নিশ্চিত।

# "শিল্পীসকল অৰাজনৈতিক হ'লেহে মানুহে ভাল পায়"

এইটোৱেই মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰথম জুবিন ক্ষেত্ৰ ভ্ৰমণ। পৰিদৰ্শনকালত তেওঁ ক্ষেত্ৰখনৰ নিৰ্মাণ কামৰ অগ্ৰগতি বুজি লোৱাৰ লগতে শিল্পীগৰাকীৰ সমাধিস্থলত বন্তি প্ৰজ্বলন কৰি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমত এটা পোষ্ট শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে, "নিৰ্বাচনৰ পূৰ্বেই প্ৰতিশ্ৰুতি দিছিলোঁ যে জনসাধাৰণৰ আশীৰ্বাদত চৰকাৰ গঠন কৰিব পাৰিলে 'জুবিন ক্ষেত্ৰ' বাস্তৱায়নৰ দিশত আগবাঢ়িম। আজি সেই প্ৰতিশ্ৰুতি পূৰণৰ পথত জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰি অসমৰ প্ৰাণৰ সত্তা জুবিন গাৰ্গলৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ আৰু চলি থকা কামৰ পৰ্যালোচনা কৰিলোঁ।" লোক নিৰ্মাণ বিভাগে ইতিমধ্যে জুবিন ক্ষেত্ৰ নিৰ্মাণৰ প্ৰাৰম্ভিক কাম হিচাপে প্ৰায় ৩ কোটি টকা ব্যয়েৰে চৌহদৰ দেৱাল নিৰ্মাণৰ কাম আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকক জানিবলৈ দিয়ে। লগতে পাহাৰীয়া অঞ্চলটোত ওপৰৰ পৰা মাটি খহি অহা ৰোধ কৰিবলৈ প্ৰয়োজনীয় প্ৰতিৰোধমূলক ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। ইয়াৰ পিছতেই মূল সমাধিক্ষেত্ৰ নিৰ্মাণৰ কাম ত্বৰান্বিত কৰা হ'ব বুলিও তেওঁ স্পষ্ট কৰে। চৰকাৰে জুবিন ক্ষেত্ৰৰ বাবে ১০ বিঘা মাটি আৱণ্টন দিছে। ডিমৰীয়াৰ বিধায়ক ড° তপন দাস, জাগীৰোডৰ বিধায়ক পীযুষ হাজৰিকা আৰু লোকনিৰ্মাণ বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সমগ্ৰ এলেকাটো পৰ্যবেক্ষণ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "পাহাৰ কাটি প্ৰকৃতি ধ্বংস নকৰি পাহাৰীয়া পৰিৱেশটোক সংৰক্ষণ কৰি কেনেকৈ আকৰ্ষণীয় ৰূপ দিব পাৰি, তাৰ বিষয়ে আমি চিন্তা-চৰ্চা কৰি আছোঁ। জুবিন গাৰ্গলৈ বিনম্ৰ শ্ৰদ্ধা জনাই অসম চৰকাৰে যি সংকল্প লৈছিল, সেয়া অক্ষুণ্ণ থাকিব।" শিল্পীৰ স্মৃতিত ৰাজনীতি কৰাৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, "জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰখন স্থান নিৰ্বাচন কৰোঁতে মই ১৫ বাৰতকৈও বেছি ইয়ালৈ আহিছিলোঁ। তেওঁৰ শেষকৃত্যৰ সময়তো আমি আছিলোঁ। কিন্তু পিছত ৰাজনীতিৰ সৈতে জড়িত মানুহে ইয়াক লৈ ইমান ৰাজনীতি কৰিলে যে জুবিনতকৈ বেছি ৰাজনীতিৰ কথা আলোচনা কৰা হ'ল। নিৰ্বাচন শেষ হোৱাৰ পাছত লাহে লাহে সেই ৰাজনীতি শেষ হ'ব বুলি মই জানিছিলোঁ। আজি মই অনুভৱ কৰোঁ, মানুহে এতিয়া জুবিনৰ স্মৃতি, সংগীত আৰু অৱদান কেনেকৈ জীয়াই ৰাখিব পাৰি, সেইটোৱেই আলোচনা কৰিব। ভৱিষ্যতেও যেন জুবিনক লৈ কোনোৱে ৰাজনীতি নকৰে।" তেওঁ লগতে কয়, "শিল্পী সদায় অৰাজনৈতিক হৈ থকাটোৱেই মানুহে বিচাৰে। জুবিনক লৈ ৰাজনীতি কৰাৰ বাবে আমি প্ৰতিটো সমষ্টিত অন্ততঃ ২০ শতাংশ ভোট বেছি পাইছোঁ। কিন্তু আমি বিজেপিয়ে সিদ্ধান্ত লৈছিলোঁ যে জুবিনক লৈ ৰাজনীতি নকৰোঁ। সেই সিদ্ধান্ত সঠিক আছিল, সময়ে প্ৰমাণ কৰিছে। জুবিন জীয়াই থকা দিনত যিসকলে বেছি সমালোচনা কৰিছিল, তেওঁলোকেই পিছত বন্ধু হৈছিল এক নিৰ্দিষ্ট উদ্দেশ্য লৈ। কিন্তু আমাৰ বাবে জুবিন অতীত, বৰ্তমান আৰু ভৱিষ্যত সকলো সময়তে একে থাকিব।"

# ইটালীৰ ৰাষ্ট্ৰপতি মাটাৰেলাৰ সৈতে সাক্ষাৎ

ৰাষ্ট্ৰপতি চাৰ্জিঅ' মাটাৰেলাক সাক্ষাৎ কৰিলোঁ। আমি ভাৰত-ইটালীৰ বন্ধুত্বৰ সৈতে জড়িত বাণিজ্য, বিনিয়োগ আৰু সাংস্কৃতিক সম্পৰ্কৰ লগতে এআই, খনিজ পদাৰ্থ, মহাকাশ আৰু পাৰমাণৱিক শক্তিৰ দৰে ক্ষেত্ৰত কেনেদৰে সহযোগিতা আগবঢ়াব পাৰি, সেই বিষয়েও আলোচনা কৰিলোঁ।" বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালেও এই বৈঠকৰ সন্দৰ্ভত জানিবলৈ দিয়ে যে দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ ওপৰতো মত বিনিময় কৰে। তেওঁ এক্সত লিখে, "প্ৰধানমন্ত্ৰী মোদীয়ে ইটালীৰ ৰাষ্ট্ৰপতি চাৰ্জিঅ' মাটাৰেলাক সাক্ষাৎ কৰি ভাৰত-ইটালীৰ শক্তিশালী আৰু চিৰস্থায়ী অংশীদাৰিত্বক পুনৰ শক্তিশালী কৰাৰ বাবে আলোচনা কৰে। বাণিজ্য, প্ৰযুক্তি, উদ্ভাৱন, সেউজ ইন্ধন, এআই আৰু সংস্কৃতিৰ দৰে ক্ষেত্ৰত সহযোগিতাৰ সম্ভাৱনা পৰ্যালোচনা কৰে।" উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিদেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত মঙলবাৰে ইটালীত উপস্থিত হয়। তাৎক্ষণিকভাৱে তেওঁ ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নিৰ সৈতে নিশাৰ আহাৰ গ্ৰহণ কৰে। তাৰ পিছত ৰোমৰ ঐতিহাসিক কল'ছিয়ামত দুয়োগৰাকী নেতাই এক দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

# ২২ জুনৰ পৰা অম্বুবাচী মেলা আৰম্ভ; তিনিদিন বন্ধ

আছে। অম্বুবাচী মেলাৰ সময়সূচী অনুসৰি, ২২ জুনৰ ৰাতি ৯ বাজি ১০ মিনিটত পৃথিৱীৰ 'প্ৰবৃত্তি' আৰম্ভ হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ কৰি দিয়া হ'ব। ইয়াৰ পিছত ২৩, ২৪ আৰু ২৫ জুনলৈকে তিনিদিন মন্দিৰ সম্পূৰ্ণৰূপে বন্ধ থাকে। ২৬ জুনৰ পুৱাহে ভক্ত আৰু তীৰ্থযাত্ৰীসকলৰ বাবে মন্দিৰৰ দুৱাৰ পুনৰ মুকলি কৰি দিয়া হ'ব। মন্দিৰ চৌহদত বিশাল ভিৰ নিয়ন্ত্ৰণ আৰু নিৰাপত্তা জোৰদাৰ কৰিবলৈ এইবাৰ চিচিটিভি কেমেৰা স্থাপনৰ ব্যৱস্থা কৰা হৈছে। লগতে যানজট লাঘৱ কৰাৰ বাবে মন্দিৰ কৰ্তৃপক্ষই পাণ্ডুপথটো খুলি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ফলত তীৰ্থযাত্ৰীসকলৰ বাবে মন্দিৰলৈ অহা-যোৱা সুগম হোৱাৰ লগতে পৰিবহণৰ চাপ কিছু পৰিমাণে হ্ৰাস পাব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে অম্বুবাচী মেলালৈ এতিয়াও প্ৰায় এমাহ বাকী থাকোঁতেই দেশ-বিদেশৰ বহু সাধু-সন্ত আৰু তপস্বী কামাখ্যা ধামত উপস্থিত হ'বলৈ আৰম্ভ কৰিছে। মেলাৰ সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ পৰাও লাখ লাখ ভক্ত, সাধু-সন্ন্যাসী আৰু তীৰ্থযাত্ৰী আহি উপস্থিত হোৱাৰ সম্ভাৱনা আছে। এইবিষয়টো লক্ষ্য ৰাখি মন্দিৰ প্ৰশাসন আৰু জিলা প্ৰশাসনৰ যৌথ উদ্যোগত নিৰাপত্তা প্ৰস্তুতি জোৰদাৰভাৱে চলাই থকা হৈছে।

# ৰাহুল গান্ধীৰ ভৱিষ্যদ্বাণী ঃ আগন্তুক ৩-৪ মাহত ভয়ংকৰ

"আগন্তুক ৩-৪ মাহৰ ভিতৰত দেশত এনে ভয়ংকৰ মূল্যবৃদ্ধি হ'ব যি আপুনি কেতিয়াও দেখা নাছিল বা পোৱা নাছিল। লগতে তেল-গেছ নাপাব ৰাইজে। মূল্যবৃদ্ধিৰ আটাইতকৈ বেছি ভুক্তভোগী হ'ব আমাৰ কৃষক, যুৱক আৰু মহিলাসকল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ অৰ্থনীতি পুঁজিপতিসকলৰ হাতত বিক্ৰী কৰিছে। আমাৰ অৰ্থনীতি এনে অৱস্থালৈ যাব যে কোনো লোক বাচি নাথাকিব।" তেওঁ লগতে কয়, "তেতিয়া প্ৰধানমন্ত্ৰীয়ে কেমেৰাৰ সন্মুখত আহি কান্দিব। মোদীয়ে সাধাৰণ ৰাইজক বিদেশলৈ নাযাবলৈ, সোণ নকিনিবলৈ কয়, কিন্তু তেওঁ নিজে বিদেশ ভ্ৰমণ কৰে। প্ৰধানমন্ত্ৰীয়ে ভোট চুৰি কৰে, জাতি গণনা নকৰে, আদানী-অম্বাণীক দেশ বিক্ৰী কৰে।" সংবিধানৰ প্ৰসংগ উল্লেখ কৰি ৰাহুল গান্ধীয়ে কয়, "সংবিধান কোনো সামান্য কিতাপ নহয়। ইয়াত আম্বেদকাৰ, মহাত্মা গান্ধী আৰু বহু শ্বহীদৰ ত্যাগ আৰু চিন্তাধাৰা সোমাই আছে। কিন্তু বৰ্তমানৰ মোদী চৰকাৰে আমাৰ চকুৰ সন্মুখত এই চিন্তাধাৰাৰ অৱমাননা কৰিছে। আৰএছএছে প্ৰত্যক্ষভাৱে সংবিধানৰ বিৰুদ্ধে আক্ৰমণ কৰিব পৰা হৈছে। সেয়ে তেওঁলোক দেশৰ গাড্ডাৰ।" উল্লেখযোগ্য যে আমেৰিকা-ইজৰাইল আৰু ইৰাণৰ যুদ্ধৰ প্ৰভাৱত বিশ্বৰ ভিন্ন দেশৰ লগতে ভাৰততো পেট্ৰল-ডিজেল আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে। সেই প্ৰেক্ষাপটতে ৰাহুল গান্ধীয়ে চৰকাৰক লক্ষ্য কৰি এই মন্তব্য কৰে।

# ২৩ মে'ত আমেৰিকা বৈদেশিক সচিব মাৰ্কো

পৰা ২৬ মে'লৈ ভাৰত ভ্ৰমণ কৰিব। এই সফৰকালত তেওঁ কলকাতা, আগ্ৰা, জয়পুৰ আৰু নতুন দিল্লীকে ধৰি কেইবাখনো চহৰ ভ্ৰমণ কৰিব। ভাৰতৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে হোৱা বৈঠকত শক্তি, নিৰাপত্তা, বাণিজ্য আৰু প্ৰতিৰক্ষাৰ দিশত সহযোগিতা কেনেদি আগুৱাই নিব পাৰি, সেই বিষয়ে আলোচনা কৰিব বুলি আশা কৰা হৈছে। ৰুবিঅ'ই ছুইডেনৰ পৰা পোনে পোনে ভাৰতলৈ যাত্ৰা কৰিব। ২২ মে'ত তেওঁ ছুইডেনত অনুষ্ঠিত নাটোৰ বৈদেশিক মন্ত্ৰীৰ বৈঠকত অংশগ্ৰহণ কৰিব। তাৰ পিছদিনাই তেওঁ ভাৰতৰ ভূমিত ভৰি দিব। ইফালে, নতুন দিল্লীৰ আমেৰিকা দূতাবাসে জানিবলৈ দিয়া মতে, ভাৰতে অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকাকে ধৰি 'কোৱাড' গোটৰ এখন বৈঠক আয়োজন কৰিব। বৈদেশিক সচিব মাৰ্কো ৰুবিঅ'ই এই বৈঠকত অংশগ্ৰহণ কৰিব। তেওঁৰ প্ৰথম ভাৰত ভ্ৰমণ, কোৱাডৰ মন্ত্ৰী পৰ্যায়ৰ বৈঠক, শীৰ্ষ পৰ্যায়ৰ যোগাযোগ আৰু আমেৰিকাৰ ২৫০ বছৰীয়া প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ আদৰণি জনাবলৈ আগ্ৰহী বুলি দূতাবাসে উল্লেখ কৰে। উল্লেখযোগ্য যে অহা সপ্তাহত ভাৰতত কোৱাডৰ বৈদেশিক মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত পশ্চিম এছিয়া সংকটৰ প্ৰভাৱকে ধৰি বিশ্বব্যাপী জৰুৰী প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোচনা হ'ব বুলি আশা কৰা হৈছে। ২৬ মে'ত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া বৈঠকত ৰুবিঅ'ৰ লগতে অষ্ট্ৰেলিয়াৰ বৈদেশিক মন্ত্ৰী পেনি ৱং আৰু জাপানৰ বৈদেশিক মন্ত্ৰী ম'টেগী টোছিমিটছুৱে অংশগ্ৰহণ কৰাৰ কথা আছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে এই বৈঠকৰ সভাপতিত্ব কৰিব।

# আজিৰে পৰা অসম বিধানসভা অধিৱেশন

কেবিনেটে অনুমোদন জনাইছে। তেওঁ কয়, "প্ৰথম কেবিনেটতে ইউচিচি (একীকৃত সন্মিলিত প্ৰতিযোগিতা পৰীক্ষা) বিল অনুমোদন প্ৰদান কৰা হৈছে। প্ৰতিশ্ৰুতি অনুসৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয় কাৰ্যকালৰ আৰম্ভণিতে এই বিল সদনত উত্থাপন কৰা হ'ব। কোন দিনা উত্থাপন কৰা হয়, সেয়া এতিয়াও নিশ্চিত কৰা হোৱা নাই।" কিন্তু মুখ্যমন্ত্ৰীয়ে পিছত জানিবলৈ দিয়ে যে অধিৱেশনৰ শেষ দিনা ২৬ মে'ত ইউচিচি বিল সদনত উত্থাপন কৰা হ'ব। কেবিনেটত অসম ৰাজ্যিক তথ্য নীতি ২০২৬ও অনুমোদন কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰী বৰাই কয়, "ইয়াৰ অধীনত 'চেণ্টাৰ ফৰ ডাটা মেনেজমেণ্ট' নামৰ এক সমন্বয়কাৰী সংস্থা গঠন কৰা হ'ব। ই কৃত্ৰিম বুদ্ধিমত্তা আৰু বিশ্লেষণৰ জৰিয়তে ৰাজ্যজুৰি এক ঐক্যবদ্ধ তথ্য ভঁৰাল গঢ়ি তুলিব। লগতে সকলো বিভাগৰ বাবে নিয়মিত আৰু সুসংগঠিত তথ্য ভাগ-বাটোৱাৰা বাধ্যতামূলক কৰা হ'ব। এই নীতিয়ে 'ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা আইন, ২০২৩'ৰ সম্পূৰ্ণ পৰিপালন নিশ্চিত কৰাৰ লগতে ৰাজ্যিক তথ্য প্ৰশাসনৰ সুস্পষ্ট কাঠামো নিৰ্ধাৰণ কৰিব।" ইফালে বিধানসভাত বিল অনুমোদনৰ ক্ষেত্ৰত কোনো বাধা নাথাকিব বুলি মন্ত্ৰী বৰাই কয়, "এইবাৰ ১২৬খন আসনৰ ভিতৰত এনডিএই ১০২খন আসন লাভ কৰিছে। গতিকে বিধেয়ক গৃহীত কৰাত কোনো জটিলতা নাথাকে।" উল্লেখযোগ্য যে কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত অনুষ্ঠিত প্ৰথম কেবিনেটতে নিবনুৱা নিযুক্তি আৰু ইউচিচিৰ লগতে কেইবাটাও বিষয়ত সিদ্ধান্তগ্ৰহণ কৰা হৈছিল।

# সীমান্তত বেৰ নিৰ্মাণৰ বাবে বিএছএফক ২৭

সংবাদমেলত মুখ্যমন্ত্ৰী অধিকাৰীয়ে কয়, "আমি ২৭ কিলোমিটাৰ ভূমি সীমান্তত বেৰ দিয়াৰ বাবে গতাই দিবলৈ সাজু। লগতে কেইবাটাও সীমান্ত চকী (বিঅ'পি) আৰু বিএছএফৰ আন্তঃগাঁথনি উন্নয়নৰ বাবেও ভূমি হস্তান্তৰ কৰিম।" উল্লেখযোগ্য যে নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে প্ৰকাশ কৰা ইস্তাহাৰত চৰকাৰ গঠনৰ ৪৫ দিনৰ ভিতৰতে ভাৰত-বাংলাদেশ সীমান্তত বেৰ দিয়াৰ বাবে ভূমি আবণ্টনৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। চুবুৰীয়া দেশৰ পৰা অহা অনুপ্ৰৱেশকাৰী ৰোধ কৰাটো বিজেপিৰ এক বৃহৎ নিৰ্বাচনী এজেণ্ডা আছিল। মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ তৃণমূল কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি কয়, "বহুদিন ধৰি বিএছএফ আৰু কেন্দ্ৰীয় চৰকাৰে সীমান্তত বেৰ দিয়াৰ বাবে পৰ্যাপ্ত ভূমি হস্তান্তৰ কৰিবলৈ ৰাজ্য চৰকাৰৰ কাষ চাপিছিল। কিন্তু পূৰ্বৰ ৰাজ্য চৰকাৰে কোনো সঁহাৰি নিদি ইয়াক অস্বীকাৰ কৰিছিল। তেওঁলোকৰ অসহযোগিতাৰ বাবে আমাৰ ৰাষ্ট্ৰ আৰু ৰাজ্যৰ সুৰক্ষা বিপজ্জনক পৰিস্থিতিৰ সন্মুখীন হৈছিল।" "অৱশেষত পৰিৱৰ্তন ঘটিল, এখন প্ৰকৃত দেশপ্ৰেমী চৰকাৰে যাত্ৰা আৰম্ভ কৰিলে। দুসপ্তাহৰ ভিতৰতে আমাৰ বিষয়াসকলে ভূমিৰ এটা অংশ অৰ্পণ কৰিবলৈ সাজু হৈছে, "মুখ্যমন্ত্ৰী অধিকাৰীয়ে যোগ কৰে। ইয়াৰ পূৰ্বে প্ৰথম কেবিনেট বৈঠকত বিজেপি চৰকাৰে বিএছএফক ভূমি হস্তান্তৰৰ সিদ্ধান্ত অনুমোদন জনাইছিল। ১১ মে'ত শুভেন্দু অধিকাৰীয়ে কৈছিল, "আজিৰ প্ৰথম কেবিনেট বৈঠকত আমি এই মাটি বিএছএফলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত লৈছোঁ। আগন্তুক ৪৫ দিনৰ ভিতৰত ইয়াক গৃহ মন্ত্ৰালয়লৈ হস্তান্তৰ কৰা হ'ব। এই কাম সম্পূৰ্ণ হ'লে বিএছএফে সীমান্তৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ কৰিব পাৰিব আৰু অবৈধ অনুপ্ৰৱেশৰ সমস্যা সমাধানৰ পথ সুগম হ'ব।"

# মহাবীৰ একুৱা বাজেয়াপ্তৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই

একুৱা কোম্পানীটো বাজেয়াপ্ত কৰিবলৈ নিৰ্দেশ দিছিল। সিদ্ধাৰ্থই এই কোম্পানীত ধন বিনিয়োগ কৰাৰ বাবেই বাজেয়াপ্তকৰণৰ নিৰ্দেশ দিয়া হৈছিল। কিন্তু চেতন ধীৰাচাৰীয়ে দাবী কৰে যে মহাবীৰ একুৱাত তেওঁ অন্য এজন অংশীদাৰ হিচাপে সন্নিবিষ্ট আছে। সেয়েহে সম্পত্তিখন বাজেয়াপ্ত কৰা উচিত নহয় বুলি যুক্তি দাঙি ধৰি তেওঁ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। ফাষ্টট্ৰেক আদালতৰ নিৰ্দেশৰ বিৰুদ্ধে এই আবেদন গুৰুত্বপূৰ্ণ হিচাপে গণ্য কৰা হৈছে, কিয়নো ইয়াৰ ওপৰত উচ্চ ন্যায়ালয়ৰ ৰায়ে মহাবীৰ একুৱাৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব। আবেদনকাৰী চেতন ধীৰাচাৰীয়ে কোম্পানীত তেওঁৰ অংশীদাৰিত্বৰ স্বত্ব ৰক্ষাৰ বাবে আইনী যুঁজ অব্যাহত ৰাখিছে।

# বৰপেটা কলয়াহাটীত সাংস্কৃতিক সংগঠক, কৌতুক অভিনেতা খনীন্দ্ৰ নাথ ওজাৰ স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৮ মে'** ঃ সাংস্কৃতিক সংগঠক, সত্ৰীয়া শিল্পী, কৌতুক অভিনেতা বৰপেটা চহৰৰ কলয়াহাটী নিৱাসী খনীন্দ্ৰ নাথ ওজাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি কলয়াহাটীৰ বাসগৃহত অনুষ্ঠিত হয়। সুন্দৰীদিয়া শংকৰী কলা কৃষ্টি সংঘৰ উদ্যোগত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ, অভিনেতা প্ৰমোদ দাসে খনীন্দ্ৰ নাথ ওজাৰ নাটকত অভিনয় কৰা ঘটনা সন্দৰ্ভত কয়। সত্ৰীয়া শিল্পী নৃপেন্দ্ৰ নাথ গায়নে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কৌতুক অভিনেতা ৰবেন ভঁড়ালীয়ে খনীন্দ্ৰ নাথ ওজাৰ সান্নিধ্যৰ ওপৰত কয়। স্মৃতি চাৰণ অনুষ্ঠানৰ পূৰ্বে প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন কৰে শিল্পী পেন্সনাৰ হিৰন্ময় দেউৰীয়ে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অৱসৰী জ্যেষ্ঠ প্ৰবক্তা ৰঞ্জিত কুমাৰ কলিতাই কৌতুক শিল্পী গৰাকীৰ বিষয়ে কৈ খনীন্দ্ৰ নাথ ওজা বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল বুলি উল্লেখ কৰে। আজিৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সুন্দৰীদিয়া শংকৰী কলা কৃষ্টি সংঘৰ সম্পাদক বিৰাজ তালুকদাৰে খনীন্দ্ৰ নাথ ওজাৰ স্মৃতি ৰোমন্থন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বৰপেটাৰ শংকৰদেৱ কলাক্ষেত্ৰৰ সম্পাদক নৱজিৎ দাসে খনীন্দ্ৰ নাথ ওজাৰ বিষয়ে দুষাৰ কয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত শিক্ষক, বিশিষ্ট শিল্পী নাৰায়ণ দাসে শিল্পী গৰাকীৰ বিষয়ে কৈ স্মৃতি ৰোমন্থন কৰে। আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত স্বভাৱসূলভ শিল্পী খনীন্দ্ৰ নাথ ওজাৰ বিষয়ে হৰকুমাৰ দাস, বিচিত্ৰ কুমাৰ বায়ন, সত্ৰীয়া শিল্পী তৰণীসেন শইকীয়াই ভাষণ দিয়ে। সুন্দৰীদিয়া শংকৰী কলা কৃষ্টি সংঘৰ হৈ ডায়েটৰ অৱসৰী জ্যেষ্ঠ প্ৰবক্তা ডিম্বেশ্বৰ মেধিয়ে স্মৃতি চাৰণ কৰাৰ লগতে শলাগ জ্ঞাপন কৰে। আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বৰগীত আৰু গায়ন বায়ন পৰিৱেশন কৰে সুন্দৰীদিয়া শংকৰী কলা কৃষ্টি সংঘৰ শিল্পীসকলে।

## মঞ্চস্থ হ'ব উইলিয়াম শ্বেক্সপীয়েৰৰ বিশ্বখ্যাত নাট 'এ মিড চামাৰ নাইটছ ড্ৰিম'

# ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষকৰ দ্বাৰা গোলাঘাটত বিশদিনীয়া নাট কৰ্মশালা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ মে'** ঃ গোলাঘাটৰ ডেউকা নাট্য বিদ্যালয় আৰু এমেছাৰ থিয়েটাৰ ছ'চাইটিৰ যৌথ উদ্যোগত ১২ জুলাইৰ পৰা এমেছাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক বিশিষ্ট নাট্যকৰ্মী জ্যোতি নাৰায়ণ নাথ আৰু চান্দু নিৰঞ্জন নাথ, আদিংগিৰিৰ নাট্যকাৰ তথা পৰিচালক ৰণহাং চৌধুৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা নাটকৰ স্নাতক অমৰজিৎ কটকীৰ তত্বাৱধানত এটা বিশদিনীয়া নাট কৰ্মশালা অনুষ্ঠিত হ'ব। কৰ্মশালাৰ অন্ততঃ বিশ্বখ্যাত নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰৰ সমাদৃত নাট "এ মিড চামাৰ নাইটছ ড্ৰিম" মঞ্চস্থ হ'ব। ইতিমধ্যে প্ৰস্তুতি আৰম্ভ হোৱা কৰ্মশালাত ইচ্ছুকসকলে ডেউকা নাট্য বিদ্যালয়ৰ লগত আগতীয়াকৈ যোগাযোগ কৰিব পাৰিব। দুটা শাখা ক্ৰমে চিনিয়ৰ শাখাত ১৫ বছৰ উৰ্ধৰ সকলো প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰিব পাৰিব লগতে জুনিয়ৰ শাখাত ৮ বছৰৰ পৰা ১৪ বছৰ বয়সৰলৈকে অংশ গ্ৰহণ কৰিব পাৰিব। উল্লেখযোগ্য যে প্ৰত্যেক বৰ্ষত ডেউকা নাট্য বিদ্যালয়ে জিলাখনৰ বিভিন্ন প্ৰান্তৰ ল'ৰা-ছোৱালীক নাট্য শিক্ষাৰ সুবিধাৰ বাবে এই উদ্যোগ গ্ৰহণ কৰি আহিছে। ইতিমধ্যে ১১ বছৰত ভৰি দিয়া ডেউকা নাট্য বিদ্যালয়ৰ পৰা বহু প্ৰশিক্ষাৰ্থী ওলাই গৈ এন এছ ডিত প্ৰশিক্ষণ ল'বলৈ সুবিধা পোৱাৰ লগতে পৰিৱেশ্য কলা নাটকৰ শিক্ষা গ্ৰহণ কৰি অসমৰ সাংস্কৃতিক জগতখনত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ সৰু-বৰ সকলোৰে বাবে ডেউকাই শাৰীৰিক মানসিক উৎকৰ্ষ সাধনৰ এক পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰি আহিছে। ডেউকাৰ এই যাত্ৰাত অংশগ্ৰহণ কৰিব বিচাৰিলে ৮৭২৪০২৫১৩৬, ৯১০১৭৬৮৬৮৮, ৮৬৩৮৯৭৮২১৭ এই নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ডিব্ৰুগড়ত ইলোৰা বিজ্ঞান মঞ্চ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

## ■ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰোধিতা ■

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২০ মে' ঃ** ১৬ মে'ত সদৌ অসমৰ লগতে ইলোৰা বিজ্ঞান মঞ্চ, ডিব্ৰুগড় শাখাইয়ো প্ৰতিষ্ঠা দিবস উদ্‌যাপন কৰে। এই উপলক্ষে ডিব্ৰুগড়ৰ খামটিঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠানটি উদ্‌যাপন কৰা হয়। ডিব্ৰুগড় শাখাৰ বহুকেইজন সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আৰম্ভণিতে ইলোৰা ৰায়চৌধুৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। খামটিঘাট উঃ মাঃ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অপৰাজিতা কোঁৱৰে সম্পাদনা কৰা অনুষ্ঠানত ডিব্ৰুগড় শাখাৰ সভাপতি প্ৰমুখ্যে আন সমল ব্যক্তিসকলেও অংশ লয়। সভাত সভাপতিত্ব কৰে ডিব্ৰুগড় শাখাৰ সভাপতি মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা গায়ত্ৰী গোস্বামীয়ে। মূল বক্তা হিচাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰায়োগিক ভূতত্ত্ব বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপিকা কল্পনা ডেকা কলিতা আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা প্ৰাণীতত্ত্ব বিভাগৰ মূৰব্বী আৰু উপাধ্যক্ষা সুদক্ষিণা দাস বৰদলৈয়ে বক্তব্য ৰাখে। সভাৰ আৰম্ভণিতে ইলোৰা বিজ্ঞান মঞ্চৰ সমন্বয়ৰক্ষী ড° কল্পনা ডেকা কলিতাই গ্ৰহ-নক্ষত্ৰ আৰু মানুহে ব্যৱহাৰ কৰা পাথৰ আদিৰ লগত জড়িত অন্ধবিশ্বাসৰ বিষয়ে তথ্যসহকাৰে বিৱৰি কয়। তেখেতে আমি পৰিধান কৰা পাথৰযুক্ত আঙুঠি আদি সম্পৰ্কত প্ৰকৃতাৰ্থত ভূগৰ্ভত কেনেকৈ শিল বা পাথৰসমূহ গঠন হয় আৰু ইয়াৰ লগত জড়িত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিষয়ে বিশদভাৱে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু উপস্থিত ৰাইজৰ মাজত দাঙি ধৰে। গেলিলিঅ', আইনষ্টাইন, সৰ্বপল্লী ৰাধাকৃষ্ণণ আদিৰ ভূমিকা সম্পৰ্কেও বক্তব্য ৰাখে। আনগৰাকী বক্তা সুদক্ষিণা দাস বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীৰ মাজলৈ গৈ অন্ধবিশ্বাস- কুসংস্কাৰে বিভিন্ন ক্ষেত্ৰত কেনেকৈ প্ৰভাৱিত কৰি আছে আৰু এইবোৰ কেনেকৈ বিজ্ঞানমনস্কতাৰ দ্বাৰা মানুহক শিক্ষিত কৰি তুলিব পাৰি সেই সম্পৰ্কে বক্তব্য প্ৰদান কৰে। প্ৰকৃতি জগত বা মানৱ সমাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰ ব্যাপ্ত হৈ থকাৰ কথা ডাঙি ধৰি ইয়াৰ নিৰাময়ৰ বাবে গুৰুত্ব আৰোপ কৰে। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ প্ৰভাৱৰ বাবে কেনেকৈ প্ৰকৃতিৰ ওপৰত মানৱ জাতিয়ে অতীজৰে পৰা অত্যাচাৰ চলাই আহিছে আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে সজাগ হোৱাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। দুয়োগৰাকী বক্তাই ডাইনী সজাই মানুহক কেনেকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়ে, সেই সম্পৰ্কত সকলোৰে অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ কবলৰ পৰা মুক্ত হ'বৰ বাবে আমি সকলোৰে সজাগতা সৃষ্টিৰ বাবে দায়বদ্ধ হ'ব লাগে বুলি মতপোষণ কৰে। তদুপৰি সদস্য নকুল খাউণ্ডে অন্ধবিশ্বাসৰ কবলৰ পৰা মুক্ত হোৱা কেইবাটাও উদাহৰণ ডাঙি ধৰি এখন সুস্থ বিজ্ঞানমনস্কতাৰে প্ৰভাৱিত সমাজৰ কথা উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ সমল ব্যক্তি কেইগৰাকীয়ে আগবঢ়ায়। সভাৰ আৰম্ভণিতে ইলোৰা বিজ্ঞান মঞ্চৰ মন্দিৰ সমন্বয়ৰক্ষী জগন্নাথ ফুকনে ইলোৰা বিজ্ঞান মঞ্চই অসমৰ লগতে ডিব্ৰুগড় জিলাত কৰা কামকাজ সম্পৰ্কত সবিশেষ ডাঙি ধৰে। ইতিমধ্যে মঞ্চৰ জৰিয়তে দেহদান, নেত্ৰদান সম্পন্ন কৰি চিকিৎসাৰ ক্ষেত্ৰখনক কেনেধৰণৰ সহায়ৰ হাত আগবঢ়াই আহিছে সেই সম্পৰ্কে বিশদভাৱে বক্তব্য ৰাখে। সভাত বিজ্ঞান মঞ্চৰ মূল সংগীত পৰিৱেশন কৰে সদস্য স্মৃতিৰেখা দেৱী আৰু অজন্তা ফুকনে ইলোৰা বিজ্ঞান মঞ্চৰ ডিব্ৰুগড় শাখাৰ সম্পাদক প্ৰণৱ শইকীয়াই ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজত পুস্তিকা আৰু তথ্য সম্বলিত পত্ৰিকা প্ৰকাশ কৰে। সভাত বিদ্যালয়ৰ শিক্ষক ৰুদ্ৰেশ্বৰ সোণোৱাল আৰু হেমন্ত কোঁৱৰে সভাখন সুচাৰুৰূপে হৈ উঠাত আগভাগ লয় আৰু আন সকল শিক্ষক-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

## হাৰাশাস্তিৰ সন্মুখীন শতাধিক লোক

# জাঁজী-জামুগুৰি পৰা ফুল-পানীছিগা কৃত্ৰিম বানৰ কবলত

**অসম বাৰ্তা, জাঁজী, ২০ মে' ঃ** আজি পুৱাৰ পৰা আৰম্ভ হোৱা এজাক বৰষুণে জাঁজী অঞ্চলৰ বহুতো লোক কৃত্ৰিম বানত হাৰাশাস্তি হোৱা দেখা গৈছে। । উল্লেখ্য যে উজনি অসমৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো চাৰিলেনযুক্ত পথলৈ সম্প্ৰসাৰণৰ কাম বৰ্তমান দ্ৰুতগতিত চলি আছে। শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ডিমৌলৈকে প্ৰায় ৪৪ কিঃমিঃ দৈৰ্ঘ্যৰ পূৰ্বৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো কেন্দ্ৰীয় চৰকাৰৰ ঘাই পথ মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় ঘাই পথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড (এন এইচ আই ডি চি এল)ৰ তত্ত্বাৱধানত নিৰ্মাণ কাৰ্য চলি আছে। উক্ত পথছোৱা ২০১৬ বৰ্ষতে নিৰ্মাণকাৰ্য শুভাৰম্ভ কৰা হৈছিল যদিও যোৱা ১০ বছৰেও সম্পূৰ্ণ হোৱা নাছিল। পূৰ্বৰ কেইবাটাও পথ নিৰ্মাণকাৰী সংস্থাই নিৰ্মাণ কাৰ্য আধাতে এৰি থৈ যোৱাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু যোগাযোগ মন্ত্ৰী নীতীন গাডকাৰীৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত যোৰহাটৰ পৰা ডিব্ৰুগড় পৰ্যন্ত সুদীৰ্ঘ পথছোৱা দেশৰ ১১টা আগশাৰী পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানক ভাগ ভাগ কৰি নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰে। ইতিমধ্যে জাঁজী-জামুগুৰিৰ পৰা গৌৰীসাগৰ তিনি আলি পৰ্যন্ত প্ৰায় ১৪ কিঃমিঃ পথছোৱা পঞ্জাৱৰ ৰিগেল ইনফাটেক কনষ্ট্ৰাকশ্বনে নিৰ্মাণ কৰি আছে। উল্লেখ্য যে চাৰিশৰীয়া পথ নিৰ্মাণৰ বাবে সেই সময়ৰ শিৱসাগৰ জিলা প্ৰশাসনে ঘাইপথৰ কাষৰ শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনৰ অৰ্থাৎ জকাইচুক মৌজাৰ দিশত থকা ভূমিৰ ১২০ ফুট আৰু আমগুৰি ৰাজহ চক্ৰৰ অধীনৰ অৰ্থাৎ ম'ৰাবজাৰ মৌজাৰ দিশৰ ৮০ ফুটপৰ্যন্ত ভূমি অধিগ্ৰহণ কৰিছিল। শিৱসাগৰ জিলা প্ৰশাসনে ৰাষ্ট্ৰীয় ঘাই পথছোৱাৰ কাষৰীয়া আবাসীৰ অধিগ্ৰহণ কৰা ঘৰ দুৱাৰ, মাটি, গছ গছনিৰ লগতে বিভিন্ন ৰাজহুৱা, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানক ক্ষতিপূৰণ আদায় দি পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে। আনহাতে পথ নিৰ্মাণৰ নামত ৰাজ্যৰ ঐতিহাসিক সম্পদ, প্ৰাকৃতিকভাৱে সৃষ্ট নলা-নৰ্দমাক যাতে নষ্ট বা ৰুদ্ধ কৰিব নোৱাৰে, তাৰ বাবে বিভিন্ন সংস্থা, সংগঠনে আৰম্ভণিৰে পৰা দাবী জনাই আহিছিল। কিন্তু সেই সময়ৰ পথ নিৰ্মাণকাৰী সংস্থাই 'ৰঙাজান'ৰ সুৰক্ষাৰ স্বাৰ্থৰ দোহাই দি পথটোৰ প্ৰাক কলন খৰখেদাকৈ সলনি কৰি আমগুৰি ৰাজহ চক্ৰৰ অৰ্থাৎ ম'ৰাবজাৰ মৌজাৰ দিশত অধিগ্ৰহণ কৰা ৮০ ফুটৰ সম্পূৰ্ণ অংশতে পথ নিৰ্মাণ কৰে। ইতিমধ্যে জাঁজী-জামুগুৰিৰ পৰা ফুলপানীছিগা পৰ্যন্ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন মুঠ ৮টা উপ পথ ক্ৰমে জাঁজী-জামুগুৰি বলমীয়া গাওঁ, জামগুৰি বলমীয়া বেটনিচুক, খাটোৱাল গাওঁ পথ, চতাইজান-টকৌবাৰী সত্ৰ সংযোগী পথ, মাজুমেলীয়া গাওঁ পথ, ফুলপানীছিগা ৰাস মন্দিৰ সংযোগী পথ, ফুলপানীছিগা-মাজুমেলীয়া-জৰাধৰা সংযোগী পথ, পুৰণিমেলীয়া নগা আলি সংযোগী পথত এই পৰ্যন্ত পানী ওলাই যোৱাৰ কোনো ব্যৱস্থা নোহোৱাত ১৫খন গাঁৱৰ কেইবাহেজাৰ লোকে চলিত বাৰিষাত দুৰ্ভোগৰ সন্মুখীন হৈছে। জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ, সংস্কৃত টোল, জাঁজী শিল্প বিদ্যালয়, ফুলপানীছিগা আঞ্চলিক ৰাস মন্দিৰ, ৮০ নং নাজিৰ পুখুৰী প্ৰাথমিক বিদ্যালয় আদিৰ প্ৰাংগণ পানীৰ তলত। উল্লেখ্য যে ইতিমধ্যে ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন পথ সমূহৰ লগতে তাত থকা পূৰ্বৰ কালভাৰ্ট সমূহৰ ক্ষতিপূৰণ শিৱসাগৰ জিলাৰ লোক নিৰ্মাণ বিভাগে লাভ কৰিছে। সমান্তৰালভাৱে ৰাষ্ট্ৰীয় ঘাই পথটোৰ কাষৰীয়া আৱাসী সকলেও তেওঁলোকৰ প্ৰৱেশ পথৰ ওপৰত থকা দলং, কালভাৰ্ট, পুল আদিৰ ক্ষতিপূৰণৰ বাবদ বহু বছৰ আগেয়ে ক্ষতিপূৰণ লাভ কৰে। তৎসত্ত্বেও শিৱসাগৰ জিলা লোক নিৰ্মাণ বিভাগে নলা নিৰ্মাণত অদ্যপৰিমিত কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। যাৰ ফলস্বৰূপে বৰ্তমান বাৰিষাত বৃহত্তৰ অঞ্চলটোৰ আৱদ্ধ পানী সমূহ ওলাই যোৱাৰ কোনো ব্যৱস্থা নথকাত ১৫খন গাঁৱৰ ৰাইজৰ যাতায়ত বাবে ভীষণ অসুবিধাৰ সৃষ্টি হৈছে। অঞ্চলটোৰ জনসাধাৰণে এই বিষয়ত শিৱসাগৰ জিলা আয়ুক্ত গৰাকীৰ হস্তক্ষেপ কামনা কৰিছে।

# ত্ৰিপুৰাত অসমৰ এচ বি এম'ৰ প্ৰতিনিধি দল

**অসম বাৰ্তা, যোৰহাট, ২০ মে' ঃ** অলপতে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটা ৭ জনীয়া প্ৰতিনিধি দলে স্বচ্ছ ভাৰত মিছন—গ্ৰামীণ (SBM-G) দ্বিতীয় পৰ্যায়ৰ ৰূপায়ণ আৰ্হি অধ্যয়ন কৰিবলৈ ত্ৰিপুৰাত এক এক্সপ'জাৰ ভিজিট অৰ্থাৎ ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বাবে উপস্থিত হয়। ত্ৰিপুৰাৰ গোমতী জিলাৰ দুটা খণ্ড উন্নয়ন এলেকাত ভ্ৰাম্যমাণ অনাময় আন্তঃগাঁথনি, সম্প্ৰদায় ভিত্তিক পৰিচালনা আৰু ৰক্ষণাবেক্ষণ ব্যৱস্থা, প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা প্ৰণালী আৰু আৱৰ্জনাৰ পৰা সম্পদ সৃষ্টিৰ পদক্ষেপসমূহৰ ওপৰত গুৰুত্বসহকাৰে দলটোৱে চাক্ষুস পৰিদৰ্শণ কৰে। ত্ৰিপুৰাত স্বচ্ছভাৰত SBM-G আঁচনিখন পি ডব্লিউ ডি (PWD) (খোৱাপানী আৰু অনাময়) বিভাগে ৰূপায়ণ কৰি আছে বুলি ও প্ৰতিনিধি দলটোৱে জানিবলৈ দিয়ে। প্ৰতিনিধি দলটোৱে অসমৰ জিলাসমূহত এই পদ্ধতিতমূহৰ প্ৰতিলিপি প্ৰস্তুত কৰাৰ উদ্দেশ্যে ত্ৰিপুৰাৰ দুটা খণ্ড উন্নয়ন এলেকাত (ব্লকত) পৰিৱেশ অনাময়, আত্মসহায়ক গোট (SHG) ৰ অংশগ্ৰহণ আৰু বহনক্ষম সম্পত্তি ব্যৱস্থাপনাৰ সৰ্বোত্তম চৰ্চাসমূহ মূল্যায়ন আৰু পৰ্যালোচনা কৰে। ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ (এক্সপ'জাৰ ভিজিটৰ ) প্ৰতিনিধি দলটোত, অধীক্ষক অভিযন্তা জনস্বাস্থ্য কাৰিকৰী বিভাগ, (PHED) ৰাজ্যিক সমন্বয়ক স্বচ্ছভাৰত অভিযানৰ, (SBM-G) সহকাৰী কাৰ্যবাহী অভিযন্তা, জনস্বাস্থ্য কাৰিকৰী বিভাগ (PHED), ৰাজ্যিক কঠিন তৰল আৱৰ্জনা ব্যৱস্থাপনা (SLWM) বিশেষজ্ঞ, SBM-G, অসম, ৰাজ্যিক ক্ষমতা বিকাশ বিশেষজ্ঞ, SBM-G, অসম, কাৰিকৰী বিষয়া, IT, SBM-G, অসম, কাৰ্যবাহী অভিযন্তা, শিৱসাগৰ জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ (PHED), সম্প্ৰদায়ৰ প্ৰতিনিধি অৰ্থাৎ ৰ'দালি আত্মসহায়ক গোট (SHG) যোৰহাট জিলাই অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোৰ প্ৰাথমিক উদ্দেশ্যসমূহ আছিল ভ্ৰাম্যমাণ শৌচাগাৰ ব্যৱস্থা অধ্যয়ন কৰা আৰু ক্ষেত্ৰ পৰ্যায়ত নিয়োজিত পৰিচালনা আৰু ৰক্ষণাবেক্ষণ (O&M) ব্যৱস্থাসমূহ বুজি পোৱা, বহনক্ষম পৰিচালনা আৰু আৱৰ্জনা ব্যৱস্থাপনা নিশ্চিত কৰাত আত্মসহায়ক গোটসমূহৰ (SHGs) ভূমিকা মূল্যায়ন কৰা। প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট আৰু আৱৰ্জনাৰ পৰা সম্পদলৈ ৰূপান্তৰ কৰা আৰ্হিসমূহ নথিভুক্ত কৰা, গাঁৱৰ নিৰন্তৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আচৰণগত পৰিৱৰ্তনৰ বাবে সম্প্ৰদায় চালিত পদ্ধতিতমূহৰ মূল্যায়ন কৰা, অসমৰ বৈচিত্ৰ্যময় আৰ্থ-সামাজিক আৰু ভৌগোলিক প্ৰেক্ষাপটত প্ৰতিলিপি প্ৰস্তুত কৰিব পৰা সৰ্বোত্তম চৰ্চাসমূহ চিনাক্ত কৰা ইত্যাদি। এই ক্ষেত্ৰত প্ৰথমতে প্ৰতিনিধি দলটোৱে অমৰপুৰ উন্নয়ন খণ্ড ভ্ৰাম্যমাণ শৌচাগাৰ ব্যৱস্থা আৰু O&M গাঁথনি (Mobile Toilet System and O&M Framework) সম্পৰ্কত বুজ লয়। তাৰ পাছত অমৰপুৰ খণ্ড উন্নয়ন এলেকাত আত্মসহায়ক গোটৰ (SHG )অংশীদাৰিত্বৰ জৰিয়তে পৰিচালিত এক সুসংগঠিত ভ্ৰাম্যমাণ শৌচাগাৰ আৰ্হি প্ৰদৰ্শন কৰে। মূল পৰ্যবেক্ষণসমূহৰ ভিতৰত আছিল, দৈনিক কাৰ্যকলাপ, পৰিষ্কাৰ কৰাৰ সময়সূচী আৰু ব্যৱহাৰকাৰীৰ মাছুল সংগ্ৰহৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰাপ্ত আত্মসহায়ক গোট (SHG) স্বচ্ছ ৰক্ষণাবেক্ষণ বহী আৰু ব্যৱহাৰকাৰীৰ অভিযোগ ট্ৰেকিং ব্যৱস্থা, ব্যৱহাৰ্য সামগ্ৰী ক্ৰয় আৰু নিয়মীয়া ৰক্ষণাবেক্ষণৰ বাবে ব্যৱহাৰকাৰীৰ মাছুলৰ ব্যৱহাৰ। ত্ৰিমাসিক কাৰিকৰী পৰ্যালোচনা আৰু জিলা সমন্বয়কৰ তদাৰকীৰ জৰিয়তে সম্পত্তিৰ বহনক্ষমতা নিশ্চিত কৰা সম্প্ৰদায়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আচৰণগত পৰিৱৰ্তণৰ দিশতো চকু ফুৰাই চাই। প্ৰতিনিধি দলটোৱে অমৰপুৰৰ এটা নিৰ্দিষ্ট 'পৰিষ্কাৰ গাঁও' ভ্ৰমণ কৰে, য'ত সম্প্ৰদায়ৰ একত্ৰীকৰণ আৰু নিৰন্তৰ আচৰণগত পৰিৱৰ্তন স্পষ্ট আছিল বুলি জনায়। গাঁওখনে সম্পূৰ্ণ মুকলিত মলত্যাগ মুক্ত (ODF) অনুপালন, সঠিক আৱৰ্জনা পৃথক্কৰণ আৰু ৰাজহুৱা অনাময় আন্তঃগাঁথনিৰ প্ৰতি সম্প্ৰদায়ৰ মালিকীস্বত্ব প্ৰদৰ্শন কৰিছিল। সফলতাৰ মূল কাৰকসমূহৰ ভিতৰত আছিল নিয়মীয়া সজাগতা সভা, যুৱ প্ৰজন্মৰ অংশগ্ৰহণ আৰু গাঁৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ মানদণ্ড বজাই ৰখা আত্মসহায়ক গোট (SHG) সমূহৰ বাবে স্বীকৃতি কাৰ্যসূচী। পৰিৱেশ সজাগতা, পৰিচৰ্যা দিশত আৰু আন্তঃৰাজ্যিক সহযোগিতাৰ এক নিদৰ্শন হিচাপে, অসমৰ প্ৰতিনিধি দলটোৱে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ (PWD) খোৱাপানী যোগান (DWS) আৰু অমৰপুৰ খণ্ড উন্নয়ন কাৰ্যালয়ৰ বিষয়া বৰ্গৰ সৈতে মিলি খণ্ড উন্নয়ন কাৰ্যালয়ৰ চৌহদত একোতিকৈ গছ পুলি ৰোপণ কাৰ্যসূচী ও ৰূপায়ণ কৰে। ইয়াৰ উপৰিও খুৱাই উন্নয়ন খণ্ডত প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট এটা কাৰ্যক্ষম প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট প্ৰত্যক্ষ কৰে। য'ত আছিল পেলাই দিয়া প্লাষ্টিক সামগ্ৰীসমূহ সংগ্ৰহ, পৃথক্কৰণ আৰু প্ৰক্ৰিয়াকৰণ কৰা ব্যৱস্থা। সেই উন্নয়ন খণ্ডত প্ৰত্যক্ষ কৰা দিশসমূহ হ'ল ঘৰুৱা, বিদ্যালয় আৰু ৰাজহুৱা স্থানৰ পৰা প্লাষ্টিক আৱৰ্জনাৰ উৎসতে পৃথক্কৰণ, নিৰ্দিষ্ট সংগ্ৰহ পথ আৰু সঘনতাৰ সৈতে আত্মসহায়ক গোটৰ (SHG)পৰিচালিত সংগ্ৰহকাৰী দল, ৰিচাইক্লিং গোটসমূহলৈ বিক্ৰী কৰাৰ আগতে প্ৰাথমিক প্ৰক্ৰিয়াকৰণ (কুটি কৰা আৰু শ্ৰেণীবিভাজন কৰা), সামগ্ৰী বিক্ৰীৰ জৰিয়তে আত্মসহায়ক গোট (SHG) সমূহৰ বাবে ৰাজহ উপাৰ্জন, যাৰ ফলত এক বহনক্ষম অৰ্থনৈতিক আৰ্হি গঢ়ি উঠা দেখা গৈছে। সেই আৱৰ্জনাৰ পৰা সম্পদ সৃষ্টিৰ পদক্ষেপ বিদ্যালয়ৰ শৌচাগাৰ নিৰ্মাণ, সম্পূৰ্ণৰূপে প্লাষ্টিক আৱৰ্জনাৰ ইটা আৰু টাইলছ ব্যৱহাৰ কৰি নিৰ্মাণ কৰা এখন বিদ্যালয়ৰ শৌচাগাৰো দলটোৱে প্ৰত্যক্ষ কৰে। য'ত নেকী মানুহে ব্যৱহৃত প্লাষ্টিকৰ বটলসমূহ সংকুচিত কৰি নিৰ্মাণ সামগ্ৰীলৈ ৰূপান্তৰ কৰা দেখা গৈছিল। এই আৰ্হিটোৱে সমাজত কেনেকৈ আৱৰ্জনাৰ সৌতক লেণ্ডফিলৰ ওপৰত নিৰ্ভৰ নকৰাকৈ উৎপাদনশীল সম্পত্তিলৈ ৰূপান্তৰ কৰিব পাৰি সেই দিশত এক যোগাত্মক দিশ দেখা পায়। প্ৰতিনিধি দলটোৱে অংগনৱাড়ী কেন্দ্ৰ, জৈৱিক আৱৰ্জনা প্ৰক্ৰিয়াকৰণৰ বাবে কম্যুনিটি কম্পোষ্ট পিট, পৰিস্ৰাৱণ (filtration) যুক্ত ধূসৰ পানী (Greywater) ব্যৱস্থাপনা প্ৰণালী, পানী যোগানৰ সৈতে সংলগ্ন বৰষুণৰ পানী সংগ্ৰহ পদ্ধতি ইত্যাদিও প্ৰত্যক্ষ কৰে। এই ক্ষেত্ৰত খুৱাই উন্নয়ন খণ্ড ভ্ৰমণৰ এটা উল্লেখযোগ্য দিশ আছিল খুৱাইৰ জিলা উপায়ুক্তৰ সৈতে এক মতবিনিময়মূলক বৈঠক। য'ত প্ৰতিনিধি দলটোৱে অসমৰ SBM-G ৰ সাফল্য, প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনাৰ আৰ্হি আৰু সংহত WASH পদ্ধতিসমূহ উপস্থাপনযৰ ভাৱ বিনিময় কৰে। প্ৰতিনিধি দলটোৱে অসমৰ প্ৰদৰ্শিত সৰ্বোত্তম চৰ্চাসমূহ দলটোৱে ত্ৰিপুৰাৰ অংশীদাৰসকলৰ সন্মুখত অসমৰ SBM-G ৰ সাফল্যসমূহ প্ৰদৰ্শন কৰে। অনাময়, একাধিক জিলাত কাৰ্যক্ষম হৈ থকা প্লাষ্টিক আৱৰ্জনাৰ পৰা পেভাৰ ব্লক ৰূপান্তৰ কৰা গোট, সংহত SHG ব্যৱস্থাপনাৰ সৈতে চাহ বাগিচা অঞ্চলত কম্যুনিটি কম্পোষ্ট পিট (CCP) ব্যৱস্থা, গোশালা আৰু ডায়েৰী ফাৰ্মত কাৰ্যক্ষম হৈ থকা কম্যুনিটি বায়'গেছ প্ৰকল্প, ক্লাষ্টাৰ পৰ্যায়ৰ ধূসৰ পানী ব্যৱস্থাপনাৰ বাবে এণ্ড-অফ-ড্ৰেইনেজ ট্ৰিটমেণ্ট (EODT) ব্যৱস্থা, ASRLM প্ৰশিক্ষণ কেন্দ্ৰসমূহত অন্তৰ্ভুক্ত কৰা স্কুল টয়লেট এণ্ড হেল্থ ফেছিলিটিজ (SHE) কাৰ্যসূচী, মূল শিক্ষণ আৰু প্ৰতিলিপিকৰণৰ সম্ভাৱনা আদি উল্লেখযোগ্য। এই ক্ষেত্ৰ ভিত্তিক অধ্যয়নে (এক্সপ'জাৰ ভিজিটে) অসমৰ বৈচিত্ৰ্যময় প্ৰেক্ষাপটত প্ৰতিলিপি প্ৰস্তুত কৰিব পৰা উচ্চ সম্ভাৱনা থকা কেইবাটাও পদ্ধতি চিনাক্ত কৰিব পৰা গৈছে। ত্ৰিপুৰাৰ অভিজ্ঞতাই প্ৰমাণ কৰে যে আত্মসহায়ক গোটসমূহে ( SHG)পৰিচালিত কাৰ্যকলাপে কাৰিকৰী বহনক্ষমতা আৰু সামাজিক দায়বদ্ধতা দুয়োটা নিশ্চিত কৰিব বুলি আশা কৰিব পাৰি। দ্বিতীয়তে অংগনৱাড়ী কেন্দ্ৰসমূহত অনাময়, পানী, ধূসৰ পানীৰ উপচাৰ আৰু জৈৱিক আৱৰ্জনা ব্যৱস্থাপনাক একত্ৰিত কৰিলে এনে প্ৰদৰ্শনী থলীৰ সৃষ্টি হয় যিয়ে সম্প্ৰদায়ৰ মনোভাৱ সলনি কৰে আৰু আৱৰ্জনাৰ পৰা সম্পদ সৃষ্টিৰ চৰ্চাৰ জৰিয়তে অৰ্থনৈতিক সুযোগ প্ৰদান কৰাত সুবিধা হ'ব। শক্তিশালী কৰিবলৈ আৰু তাৰ বাবে দিশদৰ্শক হিচাপে সকলো স্তৰৰ ৰাইজৰ সহযোগিতা লাগিব বুলি প্ৰতিনিধি দলটোৱে মত পোষণ কৰে।

# ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম স্কিল বিশ্ববিদ্যালয়ৰ জিলা পৰ্যায়ৰ সজাগতা আৰু পৰামৰ্শমূলক কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২০ মে' ঃ** Assam Skill University-এ Help Aid India Foundation-ৰ সহযোগত সোমবাৰে ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা পৰ্যায়ৰ সজাগতা আৰু পৰামৰ্শমূলক কৰ্মশালা—২০২৬ সফলভাৱে আয়োজন কৰে। ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে বিশ্ববিদ্যালয়খনৰ শিক্ষামূলক সম্ভাৱনা আৰু নামভৰ্তিৰ সুযোগ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই কৰ্মশালা আয়োজন কৰা হয়। কৰ্মশালাত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ২৫০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দক্ষতাভিত্তিক শিক্ষা, কৰ্মমুখী পাঠ্যক্ৰম আৰু ব্যৱহাৰিক তথা উদ্যোগ-সংলগ্ন শিক্ষাৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয়খনৰ অধ্যক্ষ ডেভিডছন দৈমাৰী, অসম স্কিল বিশ্ববিদ্যালয়ৰ উদ্যোগ সম্পৃক্ততা আৰু আউটৰিচ সঞ্চালক ড° ৰাজীৱ কুমাৰ শৰ্মা, বিশ্ববিদ্যালয়ৰ বিষয়া ছাইদা মেহজেবিন ৰহমান আৰু ৰাজশ্ৰী দাস, হেল্প এইড ইণ্ডিয়া ফাউণ্ডেশ্যনৰ সঞ্চালক ৰিশাব বায়ন, বডোলেণ্ড ডেভেলপমেণ্ট ফাউণ্ডেশ্যনৰ প্ৰকল্প পৰিচালক, MRSD NGO-ৰ অধ্যক্ষ ড° মিলন দাস আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিসকল। অনুষ্ঠানত বক্তব্য ৰাখি বিদ্যালয়খনৰ অধ্যক্ষ ডেভিডছন দৈমাৰীয়ে এই উদ্যোগক আদৰণি জনাই কয় যে, এনে ধৰণৰ সজাগতা আৰু পৰামৰ্শমূলক অনুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ শিক্ষাগত সুযোগ, দক্ষতাভিত্তিক শিক্ষা আৰু কৰ্মজীৱনৰ সম্ভাৱনা সম্পৰ্কে আগতীয়াকৈ অৱগত হ'বলৈ সহায় কৰে। অসম স্কিল বিশ্ববিদ্যালয়ৰ উদ্যোগ সম্পৃক্ততা আৰু আউটৰিচ সঞ্চালক ড° ৰাজীৱ কুমাৰ শৰ্মাই দক্ষতাভিত্তিক শিক্ষা, ব্যৱহাৰিক অভিজ্ঞতা আৰু হাতে-কলমে প্ৰশিক্ষণৰ গুৰুত্ব সম্পৰ্কে বিশদভাৱে বক্তব্য আগবঢ়ায়। তেওঁ কয় যে, বিশ্ববিদ্যালয়খনে দশম শ্ৰেণীৰ পিছৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও উদ্যোগ-সমন্বিত পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ নতুন সুযোগ সৃষ্টি কৰিছে। লগতে বিশ্ববিদ্যালয়খনৰ অত্যাধুনিক পৰীক্ষাগাৰ, অন-জব প্ৰশিক্ষণ সুবিধা, প্লেচমেণ্টমুখী পাঠ্যক্ৰম আৰু বিশেষ শিক্ষণ পদ্ধতিৰ বিষয়েও আলোকপাত কৰে। তেওঁ লগতে ২০২৬—২৭ শিক্ষাবৰ্ষত বিশ্ববিদ্যালয়খনত বিভিন্ন পাঠ্যক্ৰমত মুঠ ৫২৬টা আসনৰ সুবিধা থকা বুলিও জানিবলৈ দিয়ে। হেল্প এইড ইণ্ডিয়া ফাউণ্ডেশ্যনৰ সঞ্চালক ৰিশাব বায়নে শিক্ষা, স্বাস্থ্য আৰু জীৱিকাৰ ক্ষেত্ৰত সংগঠনটোৰ ভূমিকা উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ গঠনত এনে সজাগতামূলক কাৰ্যসূচীয়ে ইতিবাচক প্ৰভাৱ পেলাব বুলি মন্তব্য কৰে। বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি ছাইদা মেহজেবিন ৰহমান আৰু ৰাজশ্ৰী দাসে বিশ্ববিদ্যালয়খনৰ পাঠ্যক্ৰম, নামভৰ্তি প্ৰক্ৰিয়া আৰু শিক্ষাৰ্থী সহায় ব্যৱস্থাৰ বিষয়ে বিশদ তথ্য আগবঢ়ায়। কৰ্মশালাৰ অন্তত অনুষ্ঠিত পৰামৰ্শমূলক অধিৱেশনত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰি দক্ষতাভিত্তিক উচ্চ শিক্ষা আৰু কৰ্মজীৱনৰ সম্ভাৱনা সন্দৰ্ভত বিভিন্ন প্ৰশ্ন উত্থাপন কৰে। আয়োজকসকলে ভৱিষ্যতেও এনে কাৰ্যসূচীৰ জৰিয়তে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত আৰু শক্তিশালী কৰাৰ আশা ব্যক্ত কৰে।

# মৰিগাঁও জিলাৰ ৬৮খন জনজাতীয় গাঁও সামৰি "জন ভাগীদাৰী- সবছে দূৰ, সবছে পেহলে" অভিযানৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২০ মে' ঃ** জনজাতীয় লোকসকলৰ মাজত চৰকাৰী বিভিন্ন কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে যোগ্য হিতাধিকাৰীসকলৰ বাবে আঁচনিসমূহৰ সুবিধা নিশ্চিত কৰাৰ উদ্দেশ্যে মৰিগাঁও জিলাতো আজি "জন ভাগীদাৰী-সবছে দূৰ, সবছে পেহলে" শীৰ্ষক অভিযানৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰীৰ সভাপতিত্বত শুভাৰম্ভণি কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই ৰাষ্ট্ৰীয় অভিযানৰ অংশ হিচাপে মৰিগাঁও জিলাত আজিৰে পৰা অহা ২৫ মে'লৈকে ভালেমান সজাগতা আৰু কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই অভিযানৰ অংশ হিচাপে জিলাখনত ৰক্তদান শিবিৰ, স্বাস্থ্য শিবিৰ আৰু গছপুলি ৰোপণ অভিযানৰ আয়োজন কৰা হ'ব। অনুষ্ঠানৰ শুভাৰম্ভ কৰি জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে কয় যে জনজাতীয় লোকসকলৰ বাবে চৰকাৰী আঁচনিসমূহৰ বিষয়ে অধিক সচেতনতা সৃষ্টিৰ লগতে যোগ্য হিতাধিকাৰীসকলক বিভিন্ন সুবিধাৰ আওতালৈ অনাৰ উদ্দেশ্যে হিতাধিকাৰী অন্তৰ্ভুক্তিৰ শিবিৰ অনুষ্ঠিত কৰা হ'ব। জিলাখনৰ ৪টা উন্নয়ন খণ্ড ক্ৰমে কপিলী, মায়ং, ভূৰবন্ধা আৰু ভূৰাগাঁৱৰ ৬৮খন জনজাতীয় গাঁৱত সজাগতা কাৰ্যসূচী আৰু আঁচনিত অন্তৰ্ভুক্তিকৰণৰ শিবিৰ অনুষ্ঠিত হ'ব। তেওঁ এই অভিযান সফলভাৱে তৃণমূল পৰ্যায়ত ৰূপায়ণৰ বাবে বিভিন্ন বিভাগৰ মাজত সমন্বিত আৰু সক্ৰিয় সহযোগিতা নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈয়ে এই সমগ্ৰ অভিযানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি মন্তব্য কৰে। তেওঁ জনজাতীয় লোকসকলে তেওঁলোকৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ সুবিধা যাতে লাভ কৰে, সেয়া সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। সভাত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাই এই অভিযানত বিভিন্ন বিভাগৰ কৰণীয়সমূহৰ বিষয়ে অৱগত কৰে। সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁয়ে এই অভিযান জিলাখনত ৰূপায়ণ সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। সভাত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে বিগত বৰ্ষৰ ধৰতি আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযানৰ দ্বাৰা কিদৰে জনজাতীয় লোকসকল উপকৃত হৈছিল এই বিষয়ে নিজৰ অভিজ্ঞতা বিতংভাৱে বৰ্ণনা কৰে। সভাত জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা ডেকা আৰু বিভিন্ন বিভাগৰ বিষয়ববীয়া উপস্থিত থাকি অভিযানটো সুচাৰুৰূপে ৰূপায়ণৰ বাবে বিস্তৃত আলোচনা কৰে।

# ওদালগুৰি জিলাৰ জিলা কাৰাগাৰত কৰ্কট ৰোগ সজাগতা সভা

## ■ কেন্সাৰ স্ক্ৰীনিং- প্ৰাথমিক চিকিৎসা শিবিৰ ■

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২০ মে' ঃ** ওদালগুৰি জিলাৰ জিলা কাৰাগাৰত আজি অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ উদ্যোগত জিলা কাৰাগাৰৰ কাৰাবন্দী আৰু জিলা কাৰাগাৰৰ কৰ্মচাৰী সকলৰ উপস্থিতিত কৰ্কট ৰোগ সজাগতা সভা আৰু কেন্সাৰ স্ক্ৰীনিং কাৰ্যসূচী ৰ লগতে প্ৰাথমিক চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ কৰ্মচাৰী নিৰঞ্জন শইকীয়াই আঁতধৰা কৰ্কট ৰোগ সজাগতা সভাত প্ৰথমে আদৰণি ভাষণ আগবঢ়ায় ওডালগুৰি জিলাৰ জিলা কাৰাগাৰৰ অধীক্ষক মনোজ খাখলাৰিয়ে। কৰ্কট ৰোগৰ সজাগতা, সাৱধানতা আৰু দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা সেৱা সমূহৰ বিষয়ে অৱগত কৰে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ পৰা উপস্থিত থকা দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ (কৰ্নেল) চৈয়দ ইফটিখাৰ চোভানীয়ে, কৰ্কট ৰোগৰ লক্ষণ, চিকিৎসা সম্বন্ধীয়, সাৱধানতা আদিৰ ওপৰত সবিশেষ চিকিৎসাৰ সকলো বিষয় আগবঢ়াই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ চিকিৎসক ডাঃ ৰিচভ দে। দৰং জিলাৰ জিলা কাৰাগাৰৰ কাৰাবন্দী আৰু জিলা কাৰাগাৰৰ কৰ্মচাৰী সকলক চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে কেন্সাৰ স্ক্ৰীনিং আৰু প্ৰাথমিক চিকিৎসা সেৱা আগবঢ়াই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ নাৰ্ছিং অফিছাৰ লাকী দৈমাৰীয় আৰু ধনশ্ৰী ডেকাই। কৰ্কট ৰোগ সজাগতা সভাত উপস্থিত থাকি কৰ্কট ৰোগ সম্পৰ্কে সাৱধানতা অৱলম্বন আৰু সজাগতা আদিৰ ওপৰত বক্তব্য আগবঢ়ায় অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ জিলা সমন্বয়ক কয়েলী ঘোষে। ওডালগুৰি জিলাৰ জিলা কাৰাগাৰৰ কাৰাধ্যক্ষ জ্যোতি প্ৰকাশ শৰ্মাই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ এনে পদক্ষেপ ক আদৰণি জনায়। ওডালগুৰি জিলাৰ কাৰাগাৰৰ ফাৰ্মাছিত উইলচন খাখলাৰিসমাজসেৱীকা চৈয়দ চচমে আৰা জাহান আৰু অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ দৰং কৰ্কট কেন্দ্ৰৰ জিলা স্বাস্থ্য বিষয়া দীপমনি শৰ্মা উপস্থিত থাকে কেন্সাৰ সজাগতা সভাত। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা সেৱা সমূহৰ বিষয়ে অৱগত কৰে আৰু কম খৰচত উপলব্ধ এম আৰ আই, চিটি স্কেন, এস্কৰে, আল্টাচাউণ্ড, ইচিজি, তেজ পৰীক্ষা, মেমগ্ৰাফী, ৰ লগতে কৰ্কট ৰোগী সকলৰ আয়ুস্মান ভাৰত কাৰ্ডৰ জৰিয়তে বিনামুলীয়াকৈ চিকিৎসা সেৱা সমূহ উপলব্ধ হয়। লগতে কৰ্কট ৰোগৰ সাৱধানতাৰ ওপৰত গুৰুত্ব দি প্ৰাথমিক স্ক্ৰীনিঙৰ জৰিয়তে আগতীয়াকৈ ৰোগ নিৰ্ণয়ৰ ক্ষেত্ৰত সজাগ হ'বৰ বাবে সকলোকে আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায় অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ তৰফৰ পৰা পৰা অহা চিকিৎসক কৰ্মচাৰী সকলে।

## দেৰগাঁৱত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, দেৰগাঁও, ২০ মে’ ঃ** অসম চাহ আৰু প্ৰাক্তন চাহ জনজাতি জলহা সমাজ, দেৰগাঁও আঞ্চলিক সমিতি আৰু স্থানীয় ৰাইজৰ উদ্যোগত দেওবাৰে বালিজান জেনিথ স্পট ৰিজৰ্টত এক অভিনন্দন অনুষ্ঠান সম্পন্ন হৈ যায়। জলহা সমাজৰ জ্যেষ্ঠ ব্যক্তি আনোৱাৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত দেৰগাঁৱৰ নৱনিৰ্বাচিত বিধায়ক ড° মৃদুল কুমাৰ দত্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে শিৰোমণি মহন্ত, চাহাবুদিন আহমেদ, চিৰাজুল ইছলাম, অনন্ত মাধৱ ফুকন, আবিদুৰ ৰহমান আৰু জলহা সমাজৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত চলিত বৰ্ষৰ বিভিন্ন পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ মুঠ ৫৭ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন পত্ৰৰে সন্মান জনোৱা হয়। মুখ্য অতিথি বিধায়ক ড° দত্তই ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সুনাগৰিক হ’বলৈ আহ্বান জনায় আৰু জলহা সমাজৰ এই পদক্ষেপক প্ৰশংসা কৰে। অন্যান্য বক্তাসকলেও শিক্ষাৰ্থীসকলক উদ্দেশ্যি দিশদৰ্শক ভাষণ প্ৰদান কৰাৰ পিছত সভাপতিৰ মন্তব্যৰে সভাৰ সামৰণি পৰে।

## শদিয়াত সাংস্কৃতিক মহাসভা, অসমৰ ৪২জনীয়া জিলা সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ২০ মে’ ঃ** সংস্কৃতি সমন্বয়ৰ সোপান-এই মূলমন্ত্ৰকে সাৰোগত কৰি বিগত ১৬টা বছৰে, সাংস্কৃতিক মহাসভা, অসমে বিভিন্ন কৰ্ম আঁচনিৰে সমগ্ৰ ৰাজ্যৰ সংস্কৃতিপ্ৰেমী ৰাইজৰ মাজত জনপ্ৰিয় হৈ উঠিবলৈ সমৰ্থ হোৱাৰ মাজতেই ১৭ মে’ত শদিয়াৰ চপাখোৱাত অনুষ্ঠিত হোৱা এখনি ৰাজহুৱা সভাত সাংস্কৃতিক মহাসভা, অসমৰ শদিয়া জিলা সমিতিখন গঠন কৰা হয়। শিক্ষাবিদ ড° কৰুণাকৰ পাণ্ডাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট অতিথি ৰূপে কমল বৰা, ড° জয়দয়াল মালি, ধ্ৰুৱ কুমাৰ দাহাল, বিমল ডেকা, ৰাজেন দিহিঙীয়া, ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক চন্দনজ্যোতি কলিতা, ডিব্ৰুগড় জিলা উপ-সভাপতি মৃদুল শৰ্মা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বিবি বড়া আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি ব্যক্তব্য দাঙি ধৰে। কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বিনোদ কুমাৰ বড়া উপস্থিত থাকি সাংস্কৃতিক মহাসভা, অসমৰ লক্ষ্য-আদৰ্শৰ ওপৰত বক্তব্য দাঙি ধৰে। সভাত নৃত্যশিল্পী মমী শইকীয়াক সভাপতি, ৰমেন গগৈক সাধাৰণ সম্পাদক, শিখা গগৈ আৰু বিমল ডেকাক উপ-সভাপতি, কালিচৰণ দাস আৰু ভৱেশ গগৈক সহকাৰী সম্পাদক, জিণ্টুমনি গগৈক সাংগঠনিক সম্পাদক, কমল বৰা আৰু নিৰঞ্জন দাসক সাংস্কৃতিক সম্পাদক, চিত্ৰলতা গগৈক পত্ৰিকা সম্পাদক, জিতু গগৈক কোষাধ্যক্ষ, ড° জয়দয়াল মালিকক কাৰ্য্যালয় সম্পাদক, লগতে ঊষাৰাণী হাজৰিকা, ধ্ৰুৱ কুমাৰ দাহাল, ড° কৰুণাকৰ পাণ্ডা, ৰাজেন দিহিঙীয়াক উপদেষ্টা হিচাপে লৈ আৰু অন্যান্য ৩০ গৰাকী ব্যক্তিক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ ৪২ জনীয়া এখন শক্তিশালী জিলা সমিতি গঠন কৰা হয় বুলি সম্পাদক চন্দনজ্যোতি কলিতাই জানিবলৈ দিয়ে।

## গোৱালপাৰাৰ আগিয়াত অগ্নিদগ্ধ হৈ কণমানি শিশুৰ মৰ্মান্তিক মৃত্যু

**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ২০ মে’ ঃ** গোৱালপাৰা জিলাৰ আগিয়া থানাৰ অন্তৰ্গত ৰামপুৰ গাঁৱত সংঘটিত এক শোকাবহ ঘটনাই সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পেলাইছে। অগ্নিদগ্ধ হৈ অনুজ প্ৰতীম শিবম (৮) নামৰ এজন কণমানি শিশোৱে চিকিৎসাধীন অৱস্থাত মৃত্যুক আঁকোৱালি লয়। শিশুটি সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ সহ-সম্পাদক জিতুমণি নাথ আৰু বন্দনা নাথৰ একমাত্ৰ পুত্ৰ সন্তান বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, শনিবাৰে দুপৰীয়া অনুজ প্ৰতীম শিবমে লগৰীয়াৰ সৈতে খেলি থকা সময়তে মাক-দেউতাকৰ অজ্ঞাতে কাষৰ ঘৰত সংৰক্ষণ কৰি ৰখা ৰবৰ বাগিচাত পাত পুৰিবলৈ ব্যৱহাৰ কৰা পেট্ৰ’ল এবটল লৈ যায়। পিছত কাষৰ আত্মীয়ৰ ঘৰত উপস্থিত হৈ সৰু ভাতৃ এজনৰ সৈতে জুই শালত জুই ধৰাই খাদ্য প্ৰস্তুত কৰাৰ চেষ্টা কৰে। সেই সময়তে অসাৱধানতাবশতঃ হঠাতে জুইৰ সূত্ৰপাত হয় আৰু মুহূৰ্ততে শিশুটিৰ শৰীৰত জুই বিয়পি পৰে। ফলত শিশুটিৰ শৰীৰৰ প্ৰায় ৬৫ শতাংশ অংশ অগ্নিদগ্ধ হয়। ঘটনাৰ পিছতেই চুবুৰীয়াসকলে শিশুটিৰ চিঞৰ-বাখৰ শুনি ততাতৈয়াকৈ উদ্ধাৰ কৰি পৰিয়ালক খবৰ দিয়ে। পিছত গুৰুতৰভাৱে আহত শিশুটিক প্ৰথমে গোৱালপাৰা চলেজ হাস্পতাললৈ নিয়া হয় যদিও অৱস্থা সংকটজনক হোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। পৰৱৰ্তী সময়ত শিশুটিক গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰাই চিকিৎসা চলোৱা হয়। কিন্তু সকলো প্ৰচেষ্টা ব্যৰ্থ কৰি ৰবিবাৰে নিশা প্ৰায় ১১ বজাত শিশুটিৰ মৃত্যু হয়। এই কৰুণ ঘটনাৰ পিছতে আগিয়া অঞ্চলত গভীৰ শোকৰ পৰিৱেশৰ সৃষ্টি হৈছে। সচেতন মহলেও ঘটনাটোক লৈ উদ্বেগ প্ৰকাশ কৰাৰ লগতে শিশুসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত অধিক সজাগ হোৱাৰ আহ্বান জনাইছে। ইফালে, শিশুটিৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পিছতে সদৌ অসম নাথ যোগী যুৱ পৰিষদৰ কাৰ্যকৰী সভাপতি উদ্ধৱ চন্দ্ৰ নাথ, গোৱালপাৰা জিলা নাথ যোগী ছাত্ৰ সন্থাৰ সভাপতি হৃদয় নাথ, গোৱালপাৰা জিলা যোগী সন্মিলনীৰ কাৰ্যকৰী সভাপতি ৰত্নেশ্বৰ নাথ আৰু সাধাৰণ সম্পাদক কৃপাল নাথে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

**ঘটনাস্থলীত বিধায়ক কমলাক্ষ দে’পুৰকায়স্থ; পৰিদৰ্শন জিলা আয়ুক্তৰ**

## পাঁচগ্ৰাম ঠাণ্ডাপুৰ শ্ৰীশ্ৰী সিদ্ধেশ্বৰ শিৱ মন্দিৰ (কপিলাশ্ৰম)ত ভয়ংকৰ নদীভাঙন

**অসম বাৰ্তা, কাটিগড়া, ২০ মে’ ঃ** ঐতিহাসিক আৰু ধৰ্মীয় গুৰুত্বসম্পন্ন শ্ৰীশ্ৰী সিদ্ধেশ্বৰ শিৱ মন্দিৰ (কপিলাশ্ৰম) সংলগ্ন বৰাক নদীত ভয়ংকৰ নদীভাঙনৰ ফলত অঞ্চলজুৰি আতংকৰ সৃষ্টি হৈছে। যোৱা কেইবাদিন ধৰি হোৱা অবিৰাম বৰষুণ আৰু নদীৰ পানীৰ স্তৰ বৃদ্ধি পোৱাৰ ফলত মন্দিৰ সংলগ্ন অঞ্চলত ভয়াবহ খহনীয়াৰ সৃষ্টি হৈছে। ইতিমধ্যে মন্দিৰ চৌহদৰ এটা পকা বাথৰুম সম্পূৰ্ণৰূপে নদীগৰ্ভত বিলীন হৈছে। লগতে এটা ভৱনৰ বাৰাণ্ডাও নদীত তল গৈছে। প্ৰায় ২০০ মিটাৰ এলেকাজুৰি বাঁহঝাৰ, কদম গছসহ বহু গছ-গছনি নদীৰ গৰ্ভত বিলীন হোৱা ঘটনাই স্থানীয় বাসিন্দা আৰু ভক্তসকলৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। স্থানীয়সকলৰ আশংকা, শীঘ্ৰে কাৰ্যকৰী ভাঙন প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ নকৰিলে আগন্তুক দিনত মন্দিৰৰ অধিক গুৰুত্বপূৰ্ণ অংশও নদীগৰ্ভত বিলীন হোৱাৰ সম্ভাৱনা আছে। এই পৰিস্থিতিৰ খবৰ পাই ঘটনাস্থলত উপস্থিত হয় কাটিগড়াৰ নৱনিৰ্বাচিত বিধায়ক কমলাক্ষ দে’পুৰকায়স্থ। তেওঁ ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰি মন্দিৰ পৰিচালনা সমিতিৰ সদস্যসকলৰ সৈতে আলোচনা কৰে আৰু পৰিস্থিতিৰ বুজ লয়। এই সময়ত তেওঁৰ সৈতে উপস্থিত আছিল মন্দিৰ সমিতিৰ সাধাৰণ সম্পাদক সুজন কুমাৰ ভট্টাচাৰ্য, পাঁচগ্ৰাম জিপিৰ সভাপতি হীৰালাল দাস, পাঁচগ্ৰাম বদৰপুৰ মণ্ডল এছি মোৰ্চাৰ সভাপতি বিক্ৰমজিৎ দাস, সুৰজিৎ সেন, নিখিল চন্দ্ৰ দে, হিমাংশু পাল, তাপস দাশগুপ্ত, সঞ্জয় কুমাৰ দাস, মুন্না দাস, স্বপন কুমাৰ ভট্টাচাৰ্য, চিৰঞ্জিত দাস, এছি মোৰ্চাৰ সাধাৰণ সম্পাদক শচীন্দ্ৰ দাস, নাৰায়ণ চন্দ্ৰ দেব, আৰু মন্দিৰৰ প্ৰচাৰ সম্পাদক শমীন্দ্ৰ পাল প্ৰমুখ। ইফালে, ৰবিবাৰে ভাঙনস্থল পৰিদৰ্শন কৰে হাইলাকান্দি জিলাৰ জিলা আয়ুক্ত অভিষেক জৈনে। তেওঁৰ সৈতে আছিল কাটিগড়া ছাৰ্কল মেজিষ্ট্ৰেট, আলগাপুৰ ছাৰ্কল মেজিষ্ট্ৰেট, জলসম্পদ বিভাগৰ আধিকাৰিক, আৰু এনএফ ৰে’লৱেৰ বিভাগীয় আধিকাৰিকসকল। জিলা আয়ুক্তই ভাঙন কবলিত অঞ্চল পৰিদৰ্শন কৰি তৎকালীনভাৱে ভাঙন ৰোধৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। প্ৰশাসনৰ তৎপৰতাত ইতিমধ্যে প্ৰাথমিকভাৱে ভাঙন প্ৰতিৰোধৰ কাম আৰম্ভ হোৱা বুলি জানিব পৰা গৈছে। মন্দিৰ সমিতিৰ সাধাৰণ সম্পাদক সুজন কুমাৰ ভট্টাচাৰ্যই মন্দিৰৰ চলি থকা নিৰ্মাণকাৰ্যৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে। ধৰ্মীয়, ঐতিহাসিক আৰু সামাজিক দিশত অতি গুৰুত্বপূৰ্ণ সিদ্ধেশ্বৰ শিৱ মন্দিৰ (কপিলাশ্ৰম) এতিয়া ভয়ংকৰ নদীভাঙনৰ সন্মুখীন। স্থানীয় ৰাইজৰ একমাত্ৰ দাবী- দ্ৰুত স্থায়ী ভাঙন ৰোধৰ ব্যৱস্থা গ্ৰহণ কৰি এই ঐতিহ্যমণ্ডিত তীৰ্থস্থানক সুৰক্ষিত কৰা হওক।

## লংকাৰ ৰাষ্ট্ৰীয় ঘাইপথত পুনৰ ড্ৰাগছ জব্দ

**পতি-পত্নীসহ ৩ জনক গ্ৰেপ্তাৰ**

**অসম বাৰ্তা, লংকা, ২০ মে’ ঃ** হোজাই জিলাত আৰক্ষীৰ ড্ৰাগছবিৰোধী অভিযান অব্যাহত থকাৰ মাজতেই পুনৰ বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ হোৱাত অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। লংকাৰ বৰবহাৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগছভৰ্তি এটা চাবোনৰ বাকচ জব্দ কৰাৰ লগতে পতি-পত্নীসহ তিনিজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। হোজাই জিলাৰ আৰক্ষীৰ DSP ভাস্বতী চৌধুৰীৰ নেতৃত্বত চলোৱা অভিযানত আৰক্ষীয়ে সন্দেহজনকভাৱে চলাচল কৰা দুখন বাইক আটক কৰে। পিছত তলাচী চলাই আৰক্ষীয়ে বাইক দুখনৰ পৰা ১১.৪৮ গ্ৰাম পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ উদ্ধাৰ কৰে। গ্ৰেপ্তাৰ হোৱা লোককেইজন হৈছে যমুনামুখৰ জাহিৰুল হক, তেওঁৰ পত্নী জোনাকী বেগম আৰু হোজাইৰ ফিৰোজ আলি। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা AS 31 H 3394 আৰু AS 31 D 6331 নম্বৰৰ দুখন বাইক জব্দ কৰাৰ লগতে প্ৰায় ৪০ হাজাৰ টকা নগদ ধনো জব্দ কৰে। উল্লেখযোগ্য যে, অভিযুক্ত জাহিৰুল হক নতুনকৈ আৰক্ষীৰ জালত পৰা কোনো নাম নহয়। ইয়াৰ পূৰ্বতেও দুবাৰকৈ ড্ৰাগছ গোচৰত তেওঁ জেল হাজোতলৈ গৈছিল। এনে এজন ব্যক্তিয়ে পুনৰ ড্ৰাগছ সৰবৰাহৰ অভিযোগত গ্ৰেপ্তাৰ হোৱাটো আইন-শৃংখলা ব্যৱস্থাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। যদিও হোজাই আৰক্ষীয়ে প্ৰতিদিনে ড্ৰাগছবিৰোধী অভিযান চলাই বহু সাফল্য লাভ কৰি আহিছে, তথাপিও জিলাখনত ড্ৰাগছ সৰবৰাহ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণলৈ নাহিব পৰা বিষয়টো সচেতন মহলত উদ্বেগৰ কাৰণ হৈ পৰিছে। প্ৰায় প্ৰতিদিনে আৰক্ষীয়ে ড্ৰাগছ জব্দ, সৰবৰাহকাৰী গ্ৰেপ্তাৰ আৰু অভিযান চলোৱাৰ খবৰ পোহৰলৈ আহিছে যদিও বাস্তৱ ক্ষেত্ৰত ড্ৰাগছ ব্যৱসায়ৰ মূল শিপা এতিয়াও সক্ৰিয় হৈ থকাৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজৰ মতে, কেৱল সৰু সৰবৰাহকাৰীক আটক কৰিলেই সমস্যাৰ সমাধান নহ’ব। ড্ৰাগছৰ যোগান ব্যৱস্থা আৰু আন্তঃজিলা নেটৱৰ্ক ধ্বংস নকৰিলে এই ভয়ংকৰ সামাজিক ব্যাধি নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহ’ব। বিশেষকৈ একেই অভিযুক্ত বাৰে বাৰে জেলৰ পৰা ওলাই পুনৰ একেই অপৰাধত জড়িত হোৱাটোৱে তদন্ত আৰু আইনী ব্যৱস্থাৰ কাৰ্যকাৰিতা ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। ইফালে, আৰক্ষীৰ অব্যাহত অভিযান আৰু তৎপৰতাক সাধাৰণ ৰাইজে প্ৰশংসা কৰিলেও ড্ৰাগছৰ অবাধ প্ৰসাৰ সম্পূৰ্ণৰূপে ৰোধ কৰিবলৈ অধিক কঠোৰ আৰু সুদূৰপ্ৰসাৰী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। সচেতন মহলৰ মতে, আৰক্ষীৰ লগতে সমাজ, পৰিয়াল আৰু প্ৰশাসন একেলগে আগবাঢ়ি আহিলেহে ড্ৰাগছমুক্ত সমাজ গঠন সম্ভৱ হ’ব।

## গড়মূৰ লেখিকা সমাৰোহ সমিতিৰ সাধাৰণ সভা সম্পন্ন; নতুন সমিতি গঠন

**অসম বাৰ্তা, মাজুলী, ২০ মে’ ঃ** মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ অন্তৰ্গত গড়মূৰ শাখা লেখিকা সমাৰোহ সমিতিৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা আজি গড়মূৰ প্ৰেছ ক্লাবত অনুষ্ঠিত হয়। সভাখনিত সভাপতিত্ব কৰে সভানেত্ৰী সৰজু দত্তই আৰু সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা মন্দিৰা কাকতিয়ে। সভাত সাংগঠনিক দিশত বহল ব্যাখ্যা দাঙি ধৰি বক্তব্য প্ৰদান কৰে উপদেষ্টা মিনতি শইকীয়া, ৰেখা বৰুৱা আদিয়ে। কাৰ্যসূচী অনুসৰি নতুন সমিতি গঠন শিতানত সমূহ প্ৰতিনিধিৰ সন্মতি সাপেক্ষে অঞ্চলটোৰ সকলো ঠাই সামৰি এখন পূৰ্ণাংগ সমিতি গঠনৰ পোষকতা কৰে। সভাই সৰ্বসন্মত ভাবে ২০২৬-২৮ দ্বি বৰ্ষৰ বাবে মিনতি শইকীয়া, মঞ্জুমা ভূঞা, ইলা বৰঠাকুৰ, প্ৰণতি হাজাৰিকাক উপদেষ্টা, বিনু শৰ্মাক কাৰ্যকৰী সভানেত্ৰী, নিলাঞ্জনা ডেকা, প্ৰনতি বৰা মুদৈ, লখিমী শইকীয়াক উপ সভানেত্ৰী, সৰজু দত্ত বৰুৱাক সভানেত্ৰী, মন্দিৰা কাকতিক সম্পাদিকা, কৃষ্ণা বৰুৱাক সহ সম্পাদিকা, বিজু বৰুৱাক পত্ৰিকা সম্পাদিকা, ঋতুমণি বৰা ভূঞাক, দিপাঞ্জলি ভূঞা, সাংস্কৃতিক সম্পাদিকা, নীলিমা শইকীয়া বৰা, ৰুবি কাকতি, গিতাঞ্জলি দত্ত বৰাক প্ৰচাৰ সম্পাদিকা, স্বপ্না কাকতিক কোষধ্যক্ষ, ৰেখা বৰুৱা, দেৱজানি ভূঞাক সাংগঠনিক সম্পাদিকা আৰু আন দহ গৰাকী সদস্যক হিচাপে লৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰে। সভাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা প্ৰদান কৰা সদস্য ৰত্ন উপাধিৰ বাবে উৎসাহিত হৈ আজিৰ অনুষ্ঠানত গড়মূৰ শাখাৰ তৰফৰ পৰা ইলা বৰঠাকুৰক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে আন এগৰাকী জ্যেষ্ঠ সদস্য ৰেখা বৰুৱা বৰাক সমিতিৰ ফালৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত সদস্য ৰত্ন উপাধি প্ৰাপক ইলা বৰঠাকুৰে এক মনশিল ভাষণ প্ৰদান কৰি লেখিকা সকলক উৎসাহিত কৰি তোলে। সভাত গড়মূৰ প্ৰেছ ক্লাৱৰ তৰফৰ পৰা মাজুলী জিলা লেখিকা সমাৰোহ সমিতিক এক গতিশীল মাত্ৰা প্ৰদান কৰা বিশিষ্ট লেখিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মুখাপাত্ৰ মিনতি শইকীয়াক চেলেং আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনাই। অনুষ্ঠানত জিলাখনৰ জ্যেষ্ঠ সাংবাদিক জীৱন বৰুৱা, উৎপল কাকতি আৰু মিটু খাটনিয়াৰে অংশগ্ৰহণ কৰে।

## ৰঙিয়াত ক্ৰীড়া ভাৰতীৰ কাবাদী খেল

**অসম বাৰ্তা, ৰঙিয়া, ২০ মে’ ঃ** ৰঙিয়া সমজিলাৰ তুলসীবাৰীস্থিত আৰিমত্ত ক্ৰীড়া প্ৰকল্পত কালি ক্ৰীড়া ভাৰতীৰ কামৰূপ জিলাৰ উদ্যোগত বয়স ভিত্তিত কাবাডী খেল অনুষ্ঠিত হৈ যায়। ল’ৰা আৰু ছোৱালীৰ ক্ৰমে ১৫ আৰু ১৭বছৰ অনুৰ্দ্ধৰ প্ৰতিযোগিতাত বহুকেইটা দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতা উদ্বোধন কৰি স্বয়ংসেৱক সংঘৰ কামৰূপ জিলাৰ প্ৰচাৰক পংকজ কলিতাই ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষৰ কাৰ্যসূচীৰ অংশ হিচাপে সমগ্ৰ ভাৰতৰ লগতে অসমতো প্ৰথমবাৰৰ বাবে এনেধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰি শিশু, যুৱক-যুৱতী, পুৰুষ-মহিলাৰ শাৰীৰিক, মানসিক আৰু বৈদ্ধিক উৎকৰ্ষ সাধন কৰিবলৈ প্ৰয়াস কৰা হৈছে বুলি অৱগত কৰে। জিলাৰ সভাপতি বীৰেণ কলিতাই পৰিচালনা কৰা প্ৰতিযোগিতা উদ্বোধনী অনুষ্ঠানত সম্পাদক উৎপল পাটোৱাৰী, সমন্বয়ক বিপুল মেধি, বৈদ্যগড় পঞ্চায়তৰ সভাপতি ৰামেশ্বৰ কলিতাই চমু ভাষণ দিয়ে। প্ৰতিযোগিতাত ল’ৰাৰ শাখাত বৈদ্যগড় হাইস্কুল দল আৰু ছোৱালী শাখাত তুলসীবাৰী শংকৰদেৱ শিশু নিকেতনৰ দলে চূড়ান্ত বিজয়ী হৈ পুৰস্কাৰ লাভ কৰে।

## নলবাৰীত ধৰ্তী আবা-জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ অধীনত জন-ভাগীদাৰী অনুষ্ঠান

**অসম বাৰ্তা, নলবাৰী, ২০ মে’ ঃ** ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা বিভাগৰ অধীনত ‘প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযান’ তথা ‘ধৰ্তী আবা-জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ অংশ হিচাপে নলবাৰী জিলাৰ পাঁচখন জনজাতি অধ্যুষিত গাঁৱত জন-ভাগীদাৰী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উত্তৰ পূৱ খাতা গাঁও-পঞ্চায়তৰ কটাহকুছি বাথৌ মন্দিৰ প্ৰাংগনত অনুষ্ঠিত কৰা এই অনুষ্ঠানৰ শুভাৰম্ভণি কৰে নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। তেওঁ ভাষণ প্ৰসংগত কয় যে জনজাতীয় লোকসকল আমাৰ দেশৰ খিলঞ্জীয়া লোক। জনজাতিৰ লোকসকলে যাতে কৃষি, মীন, জনস্বাস্থ্য কাৰিকৰী, বন বিভাগ, স্বাস্থ্য, মহিলা আৰু শিশু উন্নয়ন আদি বিভাগৰ অধীনত যিবিলাক আঁচনি আছে সেইবিলাক আঁচনিৰ সুবিধা লাভ কৰে তাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। । জিলা আয়ুক্ত পাটোৱাৰীয়ে আৰু কয় যে আমাৰ জনজাতীয় ভাই-ভনীসকলে আজিৰে পৰা এই সপ্তাহৰ ভিতৰত নিজৰ গাঁওখনতে এই জন-ভাগীদাৰী অনুষ্ঠানৰ জৰিয়তে আঁচনিসমূহৰ সুবিধা লাভ কৰিব পাৰিব। গতিকে জিলা আয়ুক্ত পাটোৱাৰীয়ে জনজাতীয় লোকসকলক এই সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে সংশ্লিষ্ট বিভাগীয় বিষয়াসকলে জন-ভাগীদাৰী অনুষ্ঠানত তেওঁলোকৰ বিভাগীয় আঁচনিসমূহ বিৱৰি কয় আৰু জনজাতীয় লোকসকলক আগন্তুক তিনিদিনত নিজৰ গাঁৱতে আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিব পাৰিব বুলি জনায়। আজিৰ জন-ভাগীদাৰী অনুষ্ঠানত উপস্থিত আছিল অতিৰিক্ত জিলা আয়ুক্ত মৌচুমী চেতীয়া, সহকাৰী আয়ুক্ত জুৰী কলিতা আৰু অন্যান্য বিভাগীয় বিষয়াসকল। অনুৰূপ অনুষ্ঠান খাতিকুছি আইল্লা গাঁও-পঞ্চায়তৰ অন্তৰ্গত পূৱ বৰশিৰাল বাথৌ মন্দিৰ, বৰভাগ নলবাৰী গাঁৱৰ চি এফ এল অফিচ, নাৰোৱা গাঁৱৰ নাৰোৱা লক্ষ্মী মন্দিৰ আৰু বামুণ্দীট্টাৰীৰ বামুণ্দীট্টাৰী এল পি স্কুলতো অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানসমূহত জিলা প্ৰশাসনৰ বিষয়াৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

## সদ্যঘোষিত চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত গোলাঘাটৰ বেদস্তুতি কাকতিৰ সাফল্য

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, গোলাঘাট, ২০ মে’ ঃ** সদ্যঘোষিত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব’ৰ্ডৰ (CBSE) দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত গোলাঘাট নতুন আমোলা পট্টি ৰ ১০ নং ৱাৰ্ডৰ স্থায়ী বাসিন্দা বেদস্তুতি কাকতিয়ে কলা শাখাত ৯৫ শতাংশ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তেওঁ গোলাঘাট জিলাৰ নুমলীগড়স্থিত দিল্লী পাব্লিক স্কুলৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ কলা শাখাত (যুটীয়াভাৱে )শ্ৰেষ্ঠ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ইংৰাজী বিষয়ত সৰ্ব্বোচ্চ ৯৭ নম্বৰ লাভ কৰা বেদস্তুতিৰ চিত্ৰাংকন আৰু চিত্ৰকলাৰ প্ৰতি বিশেষ অভীৰুচি আছে। বৰ্তমান CUET পৰীক্ষাত অৱতীৰ্ণ হৈ থকা ছাত্ৰীগৰাকীয়ে ৰাজনীতি বিজ্ঞান বিষয়টোক মেজৰ বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী লাভ কৰাৰ ইচ্ছা আছে বুলি এক আছুতীয়া সাক্ষাৎকাৰত ব্যক্ত কৰে। সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত অমায়িক ছাত্ৰী গৰাকীয়ে কয় যে ভৱিষ্যতৰ কথা এতিয়াই ক’বলৈ অসুবিধা যদিও যদি সক্ষম হয় তেতিয়া অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ইচ্ছা এটাও মনত পুহি ৰাখিছে। বেদস্তুতিয়ে গোলাঘাট কিডজী (Kidzee )পৰা আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰে আৰু পৰৱৰ্তী পৰ্যায়ত চেক্ৰেড হাৰ্ট হাইস্কুলৰ পৰা ষ্টাৰ নম্বৰসহ উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। উচ্চতৰ মাধ্যমিকৰ দুটা বৰ্ষ দিল্লী পাব্লিক স্কুলত অধ্যয়ন কৰি অত্যন্ত সুখী অনুভৱ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে এই দুয়োটা বৰ্ষ কোনো ধৰণৰ ঘৰুৱা শিক্ষকৰ সহায় লোৱাৰ প্ৰয়োজন হোৱা নাছিল, কিয়নো বিদ্যালয়খনত শিক্ষা গুৰু সকলে অত্যন্ত গুৰুত্ব আৰু সৰলতাৰে পাঠ দান আগবঢ়োৱাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ উৎকৰ্ষ সাধনৰ প্ৰতি বিশেষ মনোযোগ দিছিল। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ভাস্কৰ কাকতি আৰু প্ৰয়াস একাডেমী চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষা বিভাগৰ প্ৰবক্তা পল্লৱী কাকতিৰ জ্যেষ্ঠ কন্যা বেদস্তুতি সৰ্বানন্দ চলিহা সংগীত মহাবিদ্যালয়ত সত্ৰীয়া নৃত্যৰ এগৰাকী প্ৰশিক্ষাৰ্থী। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ছাত্ৰী গৰাকীয়ে কয় যে, ভগৱানৰ আশীৰ্বাদ, পৰিয়াল, শুভাকাংক্ষীৰ সহায়, আৰু শিক্ষা গুৰুসকলৰ চেষ্টাত তেওঁ এই ফলাফল লাভ কৰিবলৈ সক্ষম হয়।

## গুৰুজনাৰ জন্মস্থান বৰদোৱাত এজন শিক্ষকে সাঁচি গছ ৰোপণ কৰি দেখুৱালে প্ৰকৃতিপ্ৰেমীৰ নিদৰ্শন

**অসম বাৰ্তা, ৰহা, ২০ মে’ ঃ** গুৰুজনাৰ জন্মস্থানত আপুৰুগীয়া সাচি গছ ৰোপণৰে এগৰাকী প্ৰকৃতিপ্ৰেমীৰ নিদৰ্শন দেখুৱাই শিক্ষক পৰাগ তামোলীয়ে। তেওঁ মনত পুহি ৰখা সপোন বাস্তৱত ৰূপায়িত কৰাৰ মানসৰে আজি বটদ্ৰৱাৰ থান আৰু শংকৰদেৱ গৱেষণা কেন্দ্ৰত ১০০জোপা সাচিগছৰ পুলি ৰোপণ কৰিলে। এগৰাকী প্ৰকৃতিপ্ৰেমী আৰু কৃতী শিক্ষক লগতে গুৰুজনাৰ একান্ত ভক্ত এই গৰাকী পুৰুষৰ পৰিয়ালটি আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একান্ত অনুৰাগী। এইগৰাকী শিক্ষকে ভাবিছিল যে গুৰুজনাই তাহানিতে সাচি গছৰ চালত হেঙুল হাইতালৰে প্ৰস্তুত কৰি পুথি বোৰ লিখি আজিও আমাৰ বাবে সংৰক্ষিত কৰি ৰাখি থৈ গৈছে। কিন্তু সাচি গছ কি আমি এতিয়াও চিনি নাপাও আৰু বটদ্ৰৱাৰ থানত তেনেকুৱা কোনো গছেই নাই। সেয়েহে তেওঁ বহু দিনৰ পৰাই মনত পুহি ৰাখিছিল যে কোনোবা এদিনত তেওঁ বটদ্ৰৱা থানত আহি ১০০জোপা সাচি গছ পুলি ৰোপণ কৰিব। আজি তেওঁ মাতৃগৰাকী সৈতে আহি সপোনতো বাস্তৱত ৰূপায়িত কৰিলে যে এই গছৰ পুলিবোৰ ভালদৰে সংৰক্ষিত কৰি ডাঙৰ কৰিলে তীৰ্থ যাত্ৰীবোৰক ক’ব পৰিব যে এইবোৰতেই গুৰুজনাই পুথিপাজিবোৰ লিখিছিল। এই প্ৰকৃতিপ্ৰেমী ভক্তপ্ৰাণ লোকজন হ’ল ৰহা বগৰিগুৰীৰ নিবাসী তথা জোঙালবলহু উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৃতী শিক্ষক পৰাগ তামোলী। আজি বন্তি প্ৰজ্বালনৰে প্ৰথম সাচি গছপুলি জোপা শংকৰদেৱ গৱেষণা কেন্দ্ৰত ৰোপণ কৰি অনুষ্ঠানটি মুকলি কৰে বটদ্ৰৱা থান পৰিচলনা সমিতিৰ সাধাৰণ সম্পাদক লাচিত বৰদলৈয়ে। পিচত শিক্ষক জনৰ লগতে থান প্ৰাঙ্গনৰ বিভিন্ন স্থানত অন্য পুলিবোৰ ৰোপণ কৰি সংৰক্ষণৰ দায়িত্ব লয় পৰিচালনা সমিতিয়ে। গছপুলি ৰোপণৰ অনুষ্ঠানৰ আট ধৰে শংকৰদেৱ গৱেষণা কেন্দ্ৰৰ সম্পাদক ইন্দমোহন বৰুৱাই আৰু লগতে থানৰ সভাপতিকে ধৰি আন সদস্যসকল উপস্থিত আছিল। অসমীয়া জাতিৰ প্ৰান প্ৰতিষ্ঠা তথা নব বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰী মন্তশংকৰ দেৱৰ পুথিপাজিৰ সামগ্ৰী লগত জড়িত বস্তুবোৰ স্মৃতি সজীৱ কৰি ৰখাৰ লগতে এগৰাকী প্ৰকৃতিপ্ৰেমী হৈ গুৰুজনাৰ অগাধ শ্ৰদ্ধাৰ বাবে এই গৰাকী পুৰুষৰ নিদৰ্শন প্ৰতিজন মানুহৰ বাবে সদায় সজীৱ হৈ জিলিকি ৰব।

## উত্তৰ যোৰহাটৰ ৰংদৈত ভালুকৰ বিচৰণ

**অসম বাৰ্তা, নিমাতীঘাট, ২০ মে’ ঃ** উত্তৰ যোৰহাটৰ বৃহত্তৰ বাহনা অঞ্চলৰ ৰংদৈ পহুচৰা অঞ্চলত আজি দিনত এটা ভালুক প্ৰত্যক্ষ কৰা বুলি প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰাত অঞ্চলটোত সংশয়ৰ সৃষ্টি হৈছে। জানিব পৰা মতে যোৱা নিশা অন্য এজন ব্যক্তিয়ে গাড়ীৰ লাইটৰ পোহৰত ৰংদৈ দ গাঁৱত ভালুকটো প্ৰত্যক্ষ কৰিছিল। ইতিমধ্যে বন বিভাগৰ তহলদাৰী গোটে অঞ্চলটোত পহৰাৰ ব্যৱস্থা কৰিছে। ভালুকটোৱে যাতে কোনো অপকাৰ কৰিব নোৱাৰে তাৰ বাবে ইতিমধ্যে ব্যৱস্থা হাতত লৈছে। বন বিভাগৰ কৰ্মীয়ে এতিয়ালৈকে ভালুকটোৰ সন্ধান উলিয়াব পৰা নাই যদিও খোজ দেখা পোৱা বুলি প্ৰকাশ কৰিছে। অনুভাষ যন্ত্ৰৰ যোগে সজাগ হৈ থাকিবলৈ বন বিভাগে আজি বিয়লি অঞ্চলটোৰ ৰাইজক আহ্বান জনাইছে। উল্লেখ্য, দেৰগাঁৱটো ভালুকে বিচৰণ কৰা বুলি আজি বাতৰি প্ৰকাশ পাইছে।

## ‘অইল আৰোগ্য’ প্ৰকল্পৰ অধীনত চলোৱা মানৱীয় সেৱাৰ বাবে দিল্লীত সোণৰ পদকেৰে সন্মানিত ‘অইল ইণ্ডিয়া লিমিটেড’

**অসম বাৰ্তা, দুলীয়াজান, ২০ মে’ ঃ** অসমৰ তৈল প্ৰতিষ্ঠান ‘অইল ইণ্ডিয়া লিমিটেড’লৈ কঢ়িয়াই আনিছে এক বিশেষ গৌৰৱ। মহিলা আৰু শিশু কল্যাণ ক্ষেত্ৰত দেখুওৱা উৎকৃষ্ট আৰু ফলপ্ৰসূ প্ৰদৰ্শনৰ বাবে প্ৰতিষ্ঠানটোক দ্বাদশ সংখ্যক ‘গ্ৰীনটেক চি এছ আৰ ইণ্ডিয়া এৱাৰ্ড ২০২৬’ প্ৰদান কৰা হৈছে। অইলৰ ফ্লেগশ্বিপ চি এছ আৰ পদক্ষেপ ‘অইল আৰোগ্য’ (OIL Arogya) প্ৰকল্পৰ বাবে প্ৰতিষ্ঠানটোক এই সন্মানীয় স্থানীয় সোণৰ পদকেৰে বিভূষিত কৰা হয়। যোৱা ১৩ মে’ত নতুন দিল্লীত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অইল ইণ্ডিয়া লিমিটেডৰ জনসম্পৰ্ক বিভাগৰ মুখ্য মহা প্ৰবন্ধক দিগন্ত কুমাৰ বৰা আৰু চি এছ আৰ শাখাৰ মুখ্য প্ৰবন্ধক নয়নমণি দত্তই এই বঁটা আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। মহিলা, শিশু আৰু কিশোৰ-কিশোৰীৰ স্বাস্থ্য উন্নয়নৰ দিশত ‘অইল আৰোগ্য’ প্ৰকল্পই কেনেধৰণে কাম কৰিছে, তাৰ এক বিশদ উপস্থাপন বিশেষজ্ঞ পেনেলৰ সন্মুখত ডাঙি ধৰাৰ পিছতে অইলক এই স্বীকৃতি দিয়াৰ সিদ্ধান্ত লোৱা হয়। প্ৰাপ্ত তথ্য অনুসৰি, এই প্ৰকল্পৰ মূল লক্ষ্য হৈছে প্ৰজনন, মাতৃ, নৱজাতক, শিশু আৰু কিশোৰ-কিশোৰীৰ স্বাস্থ্য (RMNCH+A) উন্নত কৰা। ২০১৩ চনত আৰম্ভ হোৱা এই কল্যাণমুখী আঁচনিয়ে বৰ্তমানলৈকে গ্ৰামাঞ্চলৰ প্ৰায় ১.৩৬ লাখতকৈও অধিক লোকৰ জীৱনলৈ ইতিবাচক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। কেৱল ২০২৫-২৬ বিত্তীয় বৰ্ষটোতে অসম, অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ অইল কৰ্মক্ষেত্ৰসমূহৰ অন্তৰ্গত ৪০, ৭০০ তকৈও অধিক হিতাধিকাৰীক এই প্ৰকল্পই সামৰি লৈছে। বহনক্ষম উন্নয়ন লক্ষ্য (SDG) আৰু ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰৰ সৈতে সংগতি ৰাখি অইল ইণ্ডিয়াই তৃণমূল পৰ্যায়ত স্বাস্থ্যসেৱা শক্তিশালী কৰাৰ বাবে যি প্ৰয়াস চলাইছে, এই বঁটাই তাক পুনৰ প্ৰমাণিত কৰিলে। এই সফলতাই অইল কৰ্তৃপক্ষৰ লগতে সমগ্ৰ অসমবাসীকে উৎফুল্ল কৰি তুলিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন